# ASSAM
# LEGISLATIVE ASSEMBLY
# Debates

## OFFICIAL REPORT

THIRD SESSION OF THE ASSAM LEGISLATIVE ASSEMBLY ASSEMBLED AFTER THE NINTH GENERAL ELECTIONS UNDER SOVEREIGN DEMOCRATIC REPUBLICAN CONSTITUTION OF INDIA

## BUDGET SESSION

**NO. 4**

**THE 12TH MARCH, 1992**
**Price : Rs. 19.00**

# CONTENTS

## (BUDGET SESSION)
## NO. 4
Dated the 12th March, 1992


| | | Page |
|---|---|---|
| 1. | Questions and Answers | 1—27 |
| 2. | Discussion During Zero Hour | 28—31 |
| 3. | Adjournment Motion | 32—37 |
| 4. | Notice of Breach of Privilege | 37—42 |
| 5. | Calling Attention Notice | 42—43 |
| 6. | Matter Under Rule 301 | 43—44 |
| 7. | Debates on Governor's Address | 44—76 |
| 8. | Adjournment | 77 |
| 9. | Annexures — I, II, III, IV, V, VI & VII. | 78—93 |

# DEBATES OF THE ASSAM LEGISLATIVE ASSEMBLY

**Thursday, the 12th March, 1992**

The House met at nine of the Clock in the Assembly Chamber, Dispur with Shri Jiba Kanta Gogoi, Speaker in the Chair.

## STARRED
## QUESTIONS AND ANSWERS
(To which oral replies were given)

**Mr. Speaker : Starred Question No. 41, Hon'ble Member Shri Zew Ram Boro.**

**বিষয়ঃ** নিস্পি খেৰাজী আৰু টি ট্ৰেডিং কোঃৰ মাটি।

শ্ৰীজীউৰাম বড়োয়ে সুধিছে ঃ

* ৪১। মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) দৰং জিলাৰ নিস্পি খেৰাজী আৰু টি ট্ৰেডিং কোঃৰ কিমান হেক্টৰ মাটি আছে আৰু এই মাটি সমূহ কি অৱস্থাত আছে?

(খ) নিস্পিখেৰাজী আৰু টি ট্ৰেডিং কোঃৰ অন্তৰ্গত ৰায়তীসকলক ম্যাদি পট্টা দিয়াৰ কিবা ব্যৱস্থা লোৱা হৈছে নেকি?

(গ) যদি হৈছে সকলোবোৰ ৰায়তে ম্যাদি পট্টা পাইছেনে?

(ঘ) যদি পোৱা নাই কেতিয়া পাব?

শ্ৰীমুকুট শৰ্ম্মা (ৰাজহ মন্ত্ৰী)য়ে উত্তৰ দিছে —

(ক) দৰং জিলাত নিস্পিখেৰাজী মাটি ৫৯২৯ '৮৫ হেক্টৰ আছে। টি ট্ৰেডিং কোঃৰ ৭৮৪২ '৮০ হেক্টৰ মাটি আছে। দখলত আছে।

(খ) এই নিস্পি খেৰাজী আৰু টি ট্ৰেডিং কোঃৰ মাটি সমূহৰ দখলকাৰী ৰায়তসকলক ম্যাদি পট্টা দিয়াৰ ব্যৱস্থা লোৱা হৈছে।

(গ) সকলোবোৰ ৰায়তে এতিয়াও পট্টা পোৱা নাই কিন্তু উপযুক্ত ৰায়ত সকলে পট্টা পাব।

(ঘ) উপযুক্ত ৰায়ত সকলক পট্টা দিয়াৰ বাবে চৰকাৰে লক্ষ্য নিৰ্দ্ধাৰণ কৰিছে।

* শ্ৰীজীউৰাম বড়ো ঃ মাননীয় অধ্যক্ষ মহোদয়, মই বিভাগীয় মন্ত্ৰী মহোদয়ৰ পৰা এটা কথা জানিব বিচাৰিছো বা তেখেতৰ পৰা আশ্বাস বিচাৰিছো ইতিমধ্যে যিবিলাক মানুহে নীতি নিয়মৰ মাজেৰে টকা পইছা বা প্ৰিমিয়াম আদি জমা দিছে তেওঁলোকক কেতিয়া পট্টা দিয়া হ'ব, কাৰণ মাটিত

---

** Speech not corrected*

তেওঁলোকৰ নামজাৰী নথকা কাৰণে পট্টা নোপোৱা কাৰণে তেওঁলোকে বেংকৰ ঋণ আদি ল'ব পৰা নাই?

* শ্ৰীমুকুট শৰ্ম্মা (ৰাজহ মন্ত্ৰী) ঃ অধ্যক্ষ মহোদয়, ইতিমধ্যে পট্টা দিয়াৰ কাম আৰম্ভ কৰা হৈছে, সোনকালে সম্পূৰ্ণ কৰিবলৈ চেষ্টা কৰিম।

* শ্ৰীজীউৰাম বড়ো ঃ অধ্যক্ষ মহোদয়, ১৯৭৩ চনতে প্ৰিমিয়াম আদি জমা দিয়া হৈছে, আজিলৈকে পট্টা দিব নোৱাৰা কাৰণ কি মন্ত্ৰী মহোদয়ে জনাব নে?

* শ্ৰীমুকুট শৰ্ম্মা (ৰাজহ মন্ত্ৰী) ঃ অধ্যক্ষ মহোদয়, মই আগতেই কৈছো যে ইতিমধ্যে আমি কাম আৰম্ভ কৰিছো আৰু সোনকালে শেষ কৰিবলৈ চেষ্টা কৰিম।

* শ্ৰীনজমুল হক ঃ অধ্যক্ষ মহোদয়, মই ৰাজহ মন্ত্ৰী মহোদয়ৰ পৰা এটা কথা জানিব বিচাৰিছো— তেখেতৰ অবিভক্ত গোৱালপাৰা জিলা সম্পৰ্কে যথেষ্ট অভিজ্ঞতা আছে– যিবিলাক চৰ অঞ্চল আছে সেই চৰবিলাকত ম্যাদী পাট্টা দিয়াৰ কথা চৰকাৰে ঘোষণা কৰিছিল গতিকে আজিলৈকে কিয় ম্যাদি পট্টা দিব পৰা নাই জনাব নে?

* শ্ৰীমুকুট শৰ্ম্মা (ৰজহ মন্ত্ৰী) ঃ অধ্যক্ষ মহোদয়, এইটো আছিল দৰং জিলা সম্পৰ্কৰ প্ৰশ্ন, গোৱালপাৰাৰ বিষয়ে জানিব লাগিলে বেলেগ নোটিশ লাগিব। তথাপি মই কৈছো যে চৰ অঞ্চলত ইতিমধ্যে জৰীপ কাৰ্য্য আৰম্ভ কৰা হৈছে। জৰীপ কাৰ্য্য শেষ হ'লে পট্টা দিব পৰা যাব।

* শ্ৰীআলাউদ্দিন সৰকাৰ ঃ মন্ত্ৰী মহোদয় উপযুক্ত ৰায়তক ম্যাদী পট্টা দিয়াৰ কথা কৈছে উপযুক্ত ৰায়ত মানে কাক বুজাইছে, কি পদ্ধতিৰে তেওঁলোকক নিৰ্বাচিত কৰা হয়?

* শ্ৰীমুকুট শৰ্ম্মা (ৰাজহ মন্ত্ৰী) ঃ উপযুক্ত ৰায়ত মানে যিসকল ভূমিহীন লোক, যাৰ মাটি নাই আৰু যি সকলে মাটি দখল কৰি আছে তেওঁলোকক উপযুক্ত ৰায়ত বুলি কোৱা হৈছে।

**Mr. Speaker : Now Starred Question No. 42.**

Re : Fund Allocation for Goalpara.

Sri Parameswar Brahma asked :

*** 42. Will the Minister of Irrigation be pleased to state :**

a) What is the allocation of fund for Irrigation schemes to the Goalpara Division during 1991-92?

b) What steps have been taken to make servicible the Longa Irrigation project?

c) What steps have been taken to set-up new Irrigation project in Kokrajhar District?

Shri Zehirul Islam (Minister) replied :

---

* *Speech not corrected*

a) The allocation of fund for Irrigation scheme to Goalpara Division is Rs. 54.43 lakhs under Plan and Rs. 31.26 lakhs under Non-plan during 1991-92.

b) Longa is a completed scheme and no step could be taken for immediate repair to the demages cause by flood due to non receipt of any F.D.R. Fund.

c) 5 Nos. of new Irrigation scheme are being taken up in the Kokrajhar District.

* Shri Parameswar Brahma : Sir, there is only one irrigation project viz: Longa in the Kokrajhar District covering a large area comprising the areas predominantly populated by the tribal people. But this project has not been working since 1987 and non repairing work has been done to the damages as a result of which it is standing as a dead project. I want to know from the Minister whether there is any provision under FDR and whetherer there was an estimate submitted to the Department by the Civil Authority of Kokrajhar through the Irrigation Department. If so, whether it has been sanctioned?

* Shri Zehirul Islam (Minister) : Sir, an amount of Rs. 11 lakh 3 thousand has been approved by the Civil Authority and sent to the Revenue Department. But as we did not receive the fund no repair work could be undertaken.

* Shri Parameswar Brahma : Is it a fact that the Department does not want to do the repairing work because Bodo movement has not stopped?

* Shri Zehirul Islam (Minister) : No, Sir.

* শ্ৰীআলাউদ্দিন সৰকাৰ ঃ মাননীয় অধ্যক্ষ মহোদয়, মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো একোটা সংমণ্ডল বা উপ সংমণ্ডলত কিমান টকা ধাৰ্য্য কৰা থাকে ?

* শ্ৰীজেহিৰুল ইচলাম (জলসিঞ্চন মন্ত্ৰী ) ঃ অধ্যক্ষ মহোদয়, নিৰ্দিষ্ট কৰা থাকে আঁচনি বিলাকৰ বিপৰীতে।

* শ্ৰীআলাউদ্দিন সৰকাৰ ঃ একোটা সমষ্টিত য'ত জলসিঞ্চন কৰিব পৰা সুবিধা আছে তাত কমেও এটাকৈ আঁচনি মঞ্জুৰ কৰাৰ ব্যৱস্থা মন্ত্ৰী মহোদয়ে কৰিবনে ?

* শ্ৰীজেহিৰুল ইচলাম (মন্ত্ৰী) ঃ অধ্যক্ষ মহোদয়, ব্যৱস্থা কৰিবলৈ চেষ্টা কৰা হব।

---

* *Speech not corrected*

* Shri Parameswar Brahma : Mr. Speaker Sir, due to lack of fund the repairing work could not be done to Longa project, but on the other hand it is learnt that some lakhs of rupees have been spent for Champa Irrigation Scheme. Is there provision that FDR fund can be utilised for on going scheme?

* শ্ৰীজেহিৰুল ইচলাম (মন্ত্ৰী) ঃ অধ্যক্ষ মহোদয়, চম্পাৱতীত মেজৰ হেড ৱৰ্কৰ কাৰণে যথেষ্ঠ টকা আছে কিন্তু মেৰামতিৰ কাৰণে নাই, কাৰণ মেৰামতিৰ টকা পাব লাগে ৰাজহ বিভাগৰ পৰা, সেই বিভাগে টকা দিয়া নাই।

* শ্ৰীজীউৰাম বড়ো ঃ মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো জলসিঞ্চন আঁচনি এটা কাৰ্য্যকৰী কৰিবলৈ হ'লে বাৰে বাৰে নতুনকৈ টি এচ কৰিব লাগে। ১৯৮৫ চনতে আৰম্ভ হোৱা কটপুহা আঁচনিটো কৰা হৈছিল এতিয়া ও সম্পূৰ্ণ হোৱা নাই আনহাতে মঙ্গলদৈত যিটো ভোলানাথ বান্ধ আছে তেখেত আগৰবাৰ মন্ত্ৰী থাকোতেই উদ্বোধন কৰিছিল। সৌ সিদিনাখন গৈ সম্পূৰ্ণ কৰিছে গতিকে এটা আঁচনিৰ টি এচ বা দিজাইন একেবাৰতে কৰাৰ ব্যৱস্থা কৰিব নোৱাৰিনে?

* শ্ৰীজেহিৰুল ইচলাম (জলসিঞ্চন মন্ত্ৰী) ঃ অধ্যক্ষ মহোদয়, সেইটো কৰিব পৰা নাযায় কাৰণ দিজাইন বা টি এচ বছৰে বছৰে কৰিবই লাগিব সেইটো টেকনিকেল কথা।

**Mr. Speaker : Starrred Question No. 43.**

**বিষয়ঃ আই, টি, আই ট্ৰেনিং।**

শ্ৰীৰামেশ্বৰ ধানোৱাৰে সুধিছে ঃ

* ৪৩। মাননীয় নিয়োগ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমৰ আই, টি, আই সমূহত সৰ্বমুঠ ১৯৯০-৯১ চনত কিমানজনক ট্ৰেনিং দিয়া হৈছিল আৰু কিমাজ জন উত্তীৰ্ণ হ'ল?

(খ) Apprenticeship Act, 1961. অধীনত কিমানজনক ১৯৯০-৯১ চনত নিযুক্তি দিয়াৰ ব্যৱস্থা কৰা হৈছে আৰু এই আইনৰ অধীনত কিমান শিল্প উদ্যোগত সামৰা হৈছে?

শ্ৰীচিলভিউছ কন্দপান (মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) অসমৰ আই, টি, আই, সমূহত ১৯৯০-৯১ চনত মুঠ ৪৩০১ জন প্ৰশিক্ষাৰ্থীক প্ৰশিক্ষণ দিয়া হৈছিল। তাৰ ভিতৰত ১৮৪৬ জন প্ৰশিক্ষাৰ্থী উত্তীৰ্ণ হয়।

(খ) Apprenticeship Act, 1961ৰ অধীনত ১৯৯০-৯১ চনত ২১২ জন প্ৰশিক্ষাৰ্থীকে শিক্ষা নবীচনৰ (apprentice)ৰ অধীনত ৰাজ্যিক খণ্ডত মুঠ ২১৮ টা শিল্প প্ৰতিষ্ঠানক সামৰা হৈছে।

* শ্ৰীৰামেশ্বৰ ধানোৱাৰ ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে জনাবনে যে কি কি স্বৰ্ত পূৰণ কৰিলে এপ্ৰেনটিস্কচিফ এক্টৰ অধীনলৈ আনিব পাৰি?

---

* *Speech not corrected*

* শ্ৰীচিলভিউছ কন্দপান (মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, এপ্ৰেনটিস্কচিফ এক্টৰ ১৯৬১ চনত গোটেইখিনি কথা আছে। সেই বিলাক স্বৰ্ত তাতে আছে, মাননীয় সদস্যজনে চালে বুজিব পাৰিব।

* শ্ৰীৰামেশ্বৰ ধানোৱাৰ ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে কৈছে যে ২১৮ টা এপ্ৰেনটিস্কচিফ এক্টত সামৰি লোৱা হৈছে। অসমত ৪৬১৭ টা উদ্যোগ আছে। সেই কাৰণেই মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে এই ২১৮ টা উদ্যোগতেই এপ্ৰেনটিস্কচিফৰ বাবে সামৰি লোৱা হৈছে নেকি?

* শ্ৰীচিলভিউছ কন্দপান (মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, ২১৮ টা শিল্প প্ৰতিষ্ঠানৰ উপৰিও কেন্দ্ৰই ২৪ টা শিল্প প্ৰতিষ্ঠানৰ অধীনত সামৰি লৈছে।

* শ্ৰীৰামেশ্বৰ ধানোৱাৰ ঃ মাননীয় অধ্যক্ষ মহোদয়, ১৯৯০-৯১ চনত ২১২ জন ল'ৰাক ট্ৰেনিংৰ বাবে পঠিওৱা হৈছিল এই উদ্যোগৰ জৰিয়তে। তেওঁলোক কি কি ট্ৰেডৰ ল'ৰা আছিল।

* শ্ৰীচিলভিউছ কন্দপান (মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, কি কি ট্ৰেডৰ ল'ৰা আছিল সেই তালিকাখন বৰ্তমান মোৰ লগত নাই। মাননীয় সদস্যজনে পোনপটিয়া প্ৰশ্ন কৰিছিল বাবে ইয়াত উত্তৰটো দিয়া হৈছে। ১৯৯০-৯১ চনত মুঠ ২১২ জন প্ৰশিক্ষাৰ্থীক প্ৰশিক্ষণ দিয়া হৈছে। এই ৰাজ্যিক খণ্ডৰ প্ৰতিষ্ঠানবোৰৰ ভিতৰত ৭৮ টা প্ৰতিষ্ঠান অসম চৰকাৰৰ অধীনস্থ প্ৰতিষ্ঠান সমূহৰ আসনৰ সংখ্যা ৩৯৫ খন তাৰে ১১৭ খন আসনত প্ৰশিক্ষাৰ্থীক প্ৰশিক্ষণ দিয়া হৈছে। বেচৰকাৰী প্ৰতিষ্ঠানৰ সংখ্যা ১৪০ আৰু ইয়াত আসনৰ সংখ্যা ৪৬৬ খন। এই আসনৰ বিপৰীতে ৯৫ জনক প্ৰশিক্ষণ দিয়া হৈছে। ইয়াত উল্লেখ কৰিব পাৰি যে কেইবাটাও প্ৰতিষ্ঠানে নিৰ্দ্ধাৰিত সংখ্যাক শিক্ষা নবীচ মকৰল নকৰাৰ ফলত শিক্ষা নবীচ প্ৰশিক্ষণ যথেষ্ট প্ৰগতি লাভ কৰিব পৰা নাই। এই পৰিস্থিতিৰ উন্নতিকল্পে অলপতে সকলো ব্যক্তিক্ৰমী নিয়োগকৰ্তাক এপ্ৰেনটিস্কচিফ এক্ট ১৯৬১-ৰ ৩০(গ) ধাৰা অনুসৰি খালি থকা শিক্ষা নবীচ প্ৰশিক্ষণৰ পদ সমূহ অতিসোনকালে পূৰণ কৰিবলৈ নিৰ্দেশ দিয়া হৈছে। আশা কৰা যায় যে ১৯৯২-৯৩ চনত এই ব্যৱস্থাৰ সুফল দৃষ্টি গোচৰ হ'ব।

* শ্ৰীৰামেশ্বৰ ধানোৱাৰ ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদক সুধিব বিচাৰিছো যে এই ২১৮ উদ্যোগৰ বাহিৰেও আৰু বেচি সামৰি লব পৰা যায় নেকি, য'ত নেকি তেতিয়া আমাৰ ল'ৰা বিলাকে আই, টি, আই, বিলাকত ট্ৰেনিং লোৱাৰ সুবিধা হয়।

* শ্ৰীচিলভিউছ কন্দপান (মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্যজনৰ প্ৰশ্নটো বিবেচনা কৰি চোৱা হব।

* শ্ৰীহিতেন্দ্ৰ নাথ গোস্বামী ঃ মাননীয় অধ্যক্ষ মহোদয়, চলিত বছৰত যোৰহাট আই, টি, আই,ত এডভাৰটাইজমেন্ট দিয়া কোনো ব্যৱস্থা নহব। এই ক্ষেত্ৰত চৰকাৰৰ ফালৰ পৰা কি ব্যৱস্থা হৈছে?

* শ্ৰীচিলভিউছ কন্দপান (মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, এই বিষয়ে বেলেগে প্ৰশ্ন আহিলে ভাল হয়। তথাপিটো সদস্যজনে কৈছে যেতিয়া ইয়াৰ ব্যৱস্থা লোৱা হব।

* শ্ৰীআলাউদ্দিন সৰকাৰ ঃ মাননীয় অধ্যক্ষ মহোদয়, এই আই, টি, আই ট্ৰেনিং বিলাকত ল'ৰা আৰু ছোৱালী দুয়োটাকে ট্ৰেনিং দিয়াৰ ব্যৱস্থা আছে নেকি?

---

** Speech not corrected*

শ্ৰীচিলভিউছ কন্দপান (মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, ট্ৰেড অনুযায়ী ল'ৰা-ছোৱালী দুয়োকে ট্ৰেনিং দিয়াৰ ব্যৱস্থা আছে।

**Mr. Speaker : Now Starred Question No. 44.**

**বিষয়ঃ সমবায় সমিতিৰ বস্তু বিতৰণ।**

ডাঃ কমলা কলিতাই সুধিছে ঃ

* ৪৪। মাননীয় খাদ্য আৰু অসামৰিক যোগান বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ছয়গাঁও সমষ্টিৰ অন্তৰ্গত বনগাওঁ গাওঁ পঞ্চায়ত সমিতিৰ বিতৰণৰ ক্ষেত্ৰত নানা অভিযোগৰ বিষয়ে চৰকাৰে জানেনে ?

(খ) উক্ত সমবায় সমিতিৰ কৰ্তৃপক্ষই বোৰা ১৯৯১ চনৰ অক্টোবৰ মাহৰ ITDP. আঁচনিৰ অধীনত আবণ্টিত চাউল কলা বজাৰত বিক্ৰী কৰি ৰাইজক প্ৰৱঞ্চনা কৰা সঁচানে ?

(গ) এই সম্পৰ্কত উক্ত সমিতিৰ বিধায়ক ২৪/১১/৯১ ইং তাৰিখৰ চিঠি নং MLA/CH/F&CS/ 15 ৰ ওপৰত চৰকাৰে কি ব্যৱস্থা লোৱা হৈছে?

ডাঃ অৰ্দ্ধেন্দু কুমাৰ দে (মন্ত্ৰী )য়ে উত্তৰ দিছে ঃ

(ক) হয়, জানে।

(খ) সঁচা।

(গ) হয় মাননীয় বিধায়কৰ চিঠিৰ পৰিপ্ৰেক্ষিতত ব্যৱস্থা লোৱা হৈছে।

* ডাঃ কমলা কলিতা ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা ব্যৱস্থা লোৱা কথাটো জানিব পাৰি ধন্যবাদ জনাইছো। তেখেতক আৰু ধন্যবাদ জনাম যদিহে তেখেতে কি কি ব্যৱস্থা লৈছে, কাৰ কাৰ ওপৰত ব্যৱস্থা লৈছে সেইটো জানিব পাৰিলে।

* ডাঃ অৰ্দ্ধেন্দু কুমাৰ দে (মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, ডাঃ কমলা কলিতাৰ পৰা মই টেলিফোন পোৱাৰ লগে লগে এই বিষয়ে ডিৰেক্টৰক কৈছো আৰু তেখেতে বিভাগীয় বিষয়াৰ ওপৰত ব্যৱস্থা হৈছে।

......... on enquiry, it appears that the GPSS made some irregularities in regards to distribution of ITDP rice from the month of Oct/91 to January 92, 29.49 Qtls. of ITDP fine Rice and 4.73 qtls. of ITDP common rice was eliminated from the stock register of the GPSS during Oct/91 to January /92 without issuing any cash memo.

In this respect on last 29/1/92, the local Sub-Inspector, seized the records of the GPSS and submitted detail report. After

* *Speech not corrected*

going through the detail report, the E. C. was asked to submit offence report.

Strict instruction have been given to the Area Inspectors to detect such type of irregularity of the G.P.S.S. At present 5 (five) nos. of enforecement squads have been constituted. They have been instructed to detect irregularities in regards to distribution of commodities under Public Distribution System. During last 1 (one) week 25 (twenty five) nos. of cases have been registered against unscrupulous traders by the squads.

* ডাঃ কমলা কলিতা ঃ মাননীয় অধ্যক্ষ মহোদয়, বিষয়টো অতি গুৰুত্বপূৰ্ণ। উক্ত সমিতিয়ে আই, টি, ডি, পি-ৰ আঁচনিৰ অধীনত আবণ্টিত চাউল কলা বজাৰত বিক্ৰী কৰি ৰাইজক প্ৰবঞ্চনা কৰিছে। আৰু তাৰ প্ৰমাণ পাইছো। মই মন্ত্ৰী মহোদয়ৰ পৰা স্পষ্ট হব নোৱাৰিলো আৰু এই সমবায় সমিতিখনত চেক্ৰেটাৰী আৰু সম্পাদক জন জৰিত। মন্ত্ৰী মহোদয়ে কৈছে ব্যৱস্থা লোৱা হৈছে। কিন্তু এই চেক্ৰেটাৰী আৰু সম্পাদকজনৰ ওপৰত ব্যৱস্থা লোৱা হৈছে নেকি?

* ডাঃ অৰ্ধেন্দু কুমাৰ দে (মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, মই কৈছোৱেই যে E. C. was asked to submit offence report. ৰিপোৰ্টটো দিয়া হৈছে আৰু লগে লগে বিভাগীয় কৰ্ত্তৃপক্ষই ব্যৱস্থা গ্ৰহণ কৰিছে।

* শ্ৰীশশকমল সন্দিকৈ ঃ মাননীয় অধ্যক্ষ মহোদয়, সমগ্ৰ অসমতে আই, টি, ডি, পি, আঁচনিত যোগান ধৰা চাউল কলা বজাৰত বিক্ৰী হৈ আছে এই সম্পৰ্কত মাননীয় মন্ত্ৰী মহোদয়ৰ ওচৰত তথ্য আছে নেকি? এই বিষয়ে ব্যৱস্থা লোৱাৰ কাৰণে প্ৰতিশ্ৰুতি দিবনে?

* Dr. Ardhendu Kumar Dey (Minister, Food & Civil Supplies) : Mr. Speaker Sir, they have been instructed to detect irregularities in regard to distribution of commodities under Public Distribution System specially ITDP. During last one week, 25 nos. of cases have been registered against unscrupulous traders by this squad.

**Mr. Speaker : Now Starred Question No. 45 Hon'ble Member Shri Jatin Mali.**

বিষয়ঃ পলাশবাৰী ৰাজহ চক্ৰৰ গাওঁ।

শ্ৰীযতীন মালীয়ে সুধিছে ঃ

* ৪৫। মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) পলাশবাৰী ৰাজহ চক্ৰৰ ভিতৰত পাগলাদিয়া আৰু ভাতখোৱাদিয়া দুখন গাওঁ থকা কথাটো চৰকাৰে জানেনে?

---

** Speech not corrected*

(খ) উক্ত গাওঁ দুখনত বৰ্তমান মুঠ জনসংখ্যা কিমান?

(গ) নলবাৰী জিলাৰ মুকালমুৱা ৰাজহ চক্ৰৰ ভিতৰত কিছু সংখ্য লোকে উক্ত গাওঁ দুখনৰ লোকৰ নামত থকা মাটি জোৰ জবৰদস্তি বেদখল কৰি একে ৰাতিৰ ভিতৰতে তাত ঘৰ বান্ধি বসবাস কৰিবলৈ লোৱা কথাটো চৰকাৰে জানেনে?

(ঘ) পালশবাৰী ৰাজহ চক্ৰৰ ভিতৰত বাহিৰৰ লোকৰ দ্বাৰা যাতে এনেধৰণৰ বেদখল হব নোৱাৰে তাৰ বাবে চৰকাৰে ব্যৱস্থা ল'বনে?

শ্ৰীমুকুট শৰ্ম্মা (ৰাজহ মন্ত্ৰী)য়ে উত্তৰ দিছেঃ

(ক) হয় জানে।

(খ) মুঠ জনসংখ্যা ৩১০৮ জন।

(গ) হয় জানে।

(ঘ) ব্যৱস্থা গ্ৰহণ কৰা হৈছে।

* শ্ৰীযতীন মালী ঃ মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে তেখেতৰ উত্তৰত নলবাৰী জিলাৰ মুকালমুৱাৰ পৰা পলাশবাৰী ৰাজহ চক্ৰলৈ কিছুমান লোক আহি বসতি কৰা কথাটো স্বীকাৰ কৰিছে। গতিকে এই পৰিয়াল বিলাকক চিনাক্তকৰণ কৰি ঘূৰাই পঠোৱাৰ ব্যৱস্থা কৰিব নে?

* শ্ৰীমুকুট শৰ্ম্মা (ৰাজহ মন্ত্ৰী) ঃ অধ্যক্ষ মহোদয়, আমি ইতিমধ্যে যি অঞ্চলত এই ঘটনাটো হৈছে সেই ঠাই কোন চক্ৰত পৰে সেইটো জানিবৰ কাৰণে কামৰূপৰ অতিৰিক্ত উপায়ুক্ত (ৰাজহ) আৰু নলবাৰী জিলাৰ অতিৰিক্ত উপায়ুক্ত (ৰাজহ)ক তদন্ত কৰিবলৈ দিয়া হৈছে আৰু তেখেতসকলৰ পৰা তদন্তৰ ৰিপোৰ্ট পালেই ব্যৱস্থা গ্ৰহণ কৰিম।

* শ্ৰীযতীন মালী ঃ অধ্যক্ষ মহোদয়, মোৰ দ্বিতীয় পৰিপুৰক প্ৰশ্ন হৈছে যে এই অঞ্চলটো পলাশবাৰী ৰাজহ চক্ৰৰ ভিতৰত এই বুলিয়েই কোৱা হৈছে যে যি ঠাইত এই ঘটনাটো ঘটিছে সেই ঠাই জিলা চিহ্নিতকৰণ পিলাৰৰ পৰা দুই কিলোমিটাৰৰ ভিতৰত। এতিয়া কথা হৈছে যি ঠাইৰ পৰা এই লোকসকল আহি পলাশবাৰী বিধান সভা সমষ্টিৰ ভিতৰত একে ৰাতিৰ ভিতৰতে ঘৰ বান্ধি বসতি কৰিবলৈ লৈছে তাৰ দ্বাৰা পলাশবাৰী বিধান সভাৰ ৰাজনীতিত ক্ষতিসাধন কৰিছে। গতিকে এনে বেদখল ভৱিষ্যতে যাতে নহয় সেইটো বন্ধ কৰাৰ ব্যৱস্থা গ্ৰহণ কৰিবনে?

* শ্ৰীমুকুট শৰ্ম্মা (মন্ত্ৰী) ঃ অধ্যক্ষ মহোদয়, মই দুয়োজন উপায়ুক্তৰ পৰা প্ৰতিবেদন পোৱাৰ লগে লগেই ব্যৱস্থা লম আৰু ভৱিষ্যতে যাতে এনে নহয় সেইটো চাম।

* শ্ৰীযতীন মালী ঃ অধ্যক্ষ মহোদয়, মই ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিব পাৰোনে যে ভৱিষ্যতে যাতে কোনো অঞ্চলকে এনে বেদখল কৰা নহয়। পলাশবাৰী সমষ্টিত যিটো বেদখল হৈছে সেইটো মুকালমুৱাৰ অ, চি, আৰু এচ, ডি, চি-ৰ উদ্যোগত পলাশবাৰীত অধিক মাটি পৰি আছে বুলি একে ৰাতিৰ ভিতৰতে বেদখল কৰিছে। গতিকে এনে বেদখল বন্ধ ৰখাৰ ব্যৱস্থা কৰিবনে?

---

** Speech not corrected*

* শ্ৰীমুকুট শৰ্ম্মা ঃ অধ্যক্ষ মহোদয়, এই সম্পৰ্কত ব্যৱস্থা লম।

* শ্ৰীযতীন মালী ঃ অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয় এই গোটেই বিষয়টো সম্পৰ্কত তথ্য সম্বলিত এটি বিবৃতি এই সদনতে দিব নেকি?

* শ্ৰীমুকুট শৰ্ম্মা ঃ অধ্যক্ষ মহোদয়, আপুনি জানে যে গৰাখহনীয়াৰ ফলত এটা চক্ৰৰ পৰা আন এটা চক্ৰলৈ মানুহ গৈ মাটি দখল কৰে। সেই কাৰণে কেতিয়াবা এটা চক্ৰৰ পৰা আন এটা চক্ৰলৈ মানুহ গলে তাৰ ৰাইজৰ মাজত আপত্তি হয়। গতিকে এনে ঘটনা গোটেই অসমতে হৈছে বুলি মই নকও কিন্তু পলাশবাৰীত কি কাৰণত হৈছে গোটেই বিষয়টো তদন্ত কৰাৰ পিচতহে কব পাৰিব।

* শ্ৰীযতীন মালী ঃ অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে এটা কথা আশ্বাস দিব নেকি যে আমাৰ ৰাজহ মন্ত্ৰী গৰাকী যেতিয়া কোনো সমষ্টিলৈ যায় তেতিয়া তেখেত মনে মনে নগৈ ৰাজহুৱা ভাবে গ'লে ভাল পাম।

* শ্ৰীমুকুট শৰ্ম্মা ঃ অধ্যক্ষ মহোদয় বৰ্তমান নীতি অনুসৰি কোনো মন্ত্ৰী কোনো জিলা বা চক্ৰলৈ গ'লে তাৰ উপায়ুক্তক খবৰ দিয়া হয় আৰু তেখেতক বিশেষভাবে নিৰ্দেশ দিয়া হয় স্থানীয় বিধায়ক গৰাকীক জনোৱাৰ কাৰণে। গতিকে আমি খবৰ দি আছো আৰু ভৱিষ্যতেও দিম।

**Mr. Speaker : Now Starred Question No. 46. Hon'ble Member Shri Kamal Brahma.**

**Re. : Atta Chakki Mills of Assam**

Shri Kamal Brahma asked :

* 46. Will the Minister of Supply be pleased to state :

(a) How many Attta Chakki Mills are there in Assam?

(b) Whether the allotment of Wheat have been distributed properly to consumers in Assam?

(c) If not what measures will be taken to remove this problems?

Dr. Ardhendu Kumar Dey (Minister) replied :

(a) Therer are 902 number of Atta Chakki Mills in Assam.

(b) The distribution of wheat to the consumers is made in the form of wheat products like atta.

(c) Question does not arise.

* শ্ৰীকমল ব্ৰহ্ম ঃ অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে জনাবনে যে আটা চাকি মিলৰ দ্বাৰা বড়ো সম্প্ৰদায়ৰ কিমান লোক উপকৃত হৈছে? যদি হোৱা নাই তেনেহলে চৰকাৰে কিবা ব্যৱস্থা লবনে?

ডাঃ অৰ্দ্ধেন্দু কুমাৰ দে (যোগান মন্ত্ৰী) ঃ অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীয়ে যিটো প্ৰশ্ন কৰিছে

* *Speech not corrected*

সেইটো অলপ স্পেচিফিক হলে ভাল হয়। আমি আটা চাকিৰ পাৰ্মিট দিওঁতে কেৱল বড়ো সম্প্ৰদায়ৰ লোকক বুলিয়েই পাৰ্মিট নিদিও। গতিকে সদস্য গৰাকীয়ে কোনো স্পেচিফিক কেচ থাকিলে জনালে মই কব পাৰিম।

* শ্ৰীহিৰণ্য বৰা ঃ অধ্যক্ষ মহোদয়, এই আটা চাকি মিলবোৰত কি ভিত্তিত হুইট যোগান ধৰা হয়।

ডাঃ অৰ্দ্ধেন্দু কুমাৰ দে (যোগান মন্ত্ৰী) ঃ অধ্যক্ষ মহোদয়, চাকি মিল বিলাকলৈ ডি. চি/এচ, ডি, অ-ৰ জৰিয়তে হুইট বিতৰণ কৰা হয়।

* শ্ৰীমনচিং ৰংপী ঃ অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে গোটেই অসমতে ৯০২ টা চাকি মিল আছে বুলি কৈছে। আটা চাকি মিল হিলচত কিমান আছে।

ডাঃ অৰ্দ্ধেন্দু কুমাৰ দে (মন্ত্ৰী) ঃ অধ্যক্ষ মহোদয়। পাহাৰুৱা অঞ্চলত থকা চাকি মিলৰ সংখ্যা এনে ধৰণৰ ঃ–

ডিফু ঃ ৬ টা

হাফলং ঃ ১ টা

মাইবং ঃ নাই।

* দেৱান জয়নাল আবেদিন ঃ অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে কৈছে যে যিবোৰ হুইট বিতৰণ কৰা হয় সেইবোৰ ডি,চি/ এচ, ডি, অ-ৰ জৰিয়তে বিতৰণ কৰা হয়। এই ক্ষেত্ৰত মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাব নে যে এই বিলাক ৰাইজক নিদি কলা বজাৰত বিক্ৰী হয়? সেই সম্পৰ্কত কিবা তথ্য আছে নেকি?

ডাঃ অৰ্দ্ধেন্দু কুমাৰ দে (মন্ত্ৰী) ঃ অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীয়ে কোনো স্পেচিফিক্ কেচৰ বিষয়ে কলে অনুসন্ধান কৰি চাম।

* শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী ঃ অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে পি, ডি, এচ-ৰ বস্তুখিনি ডি,চি/ এচ,ডি,অ-ৰ জৰিয়তে দিয়া হয় বুলি এগ্ৰি কৰিছে। I can not compert not to give in to DCs' and SDOs' (Additional quata) এডিচনেল কোটা কি পলিচিৰ ভিত্তীত এলটমেণ্ট দিয়ে জনাবনে?

ডাঃ অৰ্দ্ধেন্দু কুমাৰ দে (মন্ত্ৰী) ঃ এডিচনেল কোটা আমাৰ নাই।

* শ্ৰীনজমুল হক ঃ অধ্যক্ষ মহোদয়, মই মন্ত্ৰী মহোদয়ৰ পৰা এটা কথা জানিব বিচাৰিছো যে তেখেতে ইয়াৰ আগতে কৈছে যে স্পেচিফিক কেচ হ'লে মই অনুসন্ধান কৰি চাম। এই ক্ষেত্ৰত মই কব খোজো যে গোৱালপাৰা জিলাত পি, ডি, এচ-ৰ কোনো বস্তুৱেই ৰাইজে পোৱা নাই। এই ক্ষেত্ৰত ডি, চি/এচ, ডি, অ-ৰ যোগেদি যোগান ধৰা বুলি কোৱা কথাটো গোৱালপাৰা জিলাৰ ক্ষেত্ৰত কি কৰা হৈছে সেইটো অনুসন্ধান কৰি জনাবনে? এইটো মই এটা স্পেচিফিক্ কেচ হিচাবে কৈছো।

ডাঃ অৰ্দ্ধেন্দু কুমাৰ দে (মন্ত্ৰী) ঃ অধ্যক্ষ মহোদয়, এই ক্ষেত্ৰত মই অনুসন্ধান কৰি ব্যৱস্থা লম।

**Mr. Speaker : Starred Question No. 47.**

---

** Speech not corrected*

বিষয়ঃ চাউল, দাইল ইত্যাদিৰ মূল্য বৃদ্ধি।

শ্ৰীনগেন শৰ্ম্মাই সুধিছে ঃ

* ৪৭। মাননীয় খাদ্য ও যোগান বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ১৯৯১ চনৰ চেপ্তেম্বৰ মাহৰ পৰা ১৯৯২ চনৰ ২৯ ফেব্ৰুৱাৰীলৈ চাউল, দাইল, মিঠাতেল, আটা, চেনীৰ দাম কিমান শতাংশ বৃদ্ধি পাইছে?

(খ) দুই টকা দামী চাউল প্ৰতি জিলাত কিমান লোকক যোগান ধৰা হৈছে? (প্ৰতি জিলাৰ সংখ্যা জনাব)

* ডাঃ অৰ্দ্ধেন্দু কুমাৰ দে (মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) ১৯৯১ চনৰ চেপ্তেম্বৰ মাহৰ পৰা ১৯৯২ চনৰ ২৯ ফেব্ৰুৱাৰী মাহলৈ চাউল, দাইল, মিঠাতেল, আটা, চেনীৰ দাম তলত দিয়া ধৰণে বৃদ্ধি পাইছে নাইবা কমিছে।

| সামগ্ৰী | পাইকাৰী দাম | খুছুৰা দাম |
|---|---|---|
| ১। মোটা চাউল | ১.৮ ৰ পৰা বৃদ্ধি ৩.৮ শতাংশ | ৬.৫০ ৰ পৰা ৭.১০ শতাংশ বৃদ্ধি। |
| ২। লাহি চাউল | ৭.৯ শতাংশৰ বৃদ্ধি | ৬.২ ৰ পৰা ৭.৩ শতাংশ বৃদ্ধি। |
| ৩। পৰিমল চাউল | ২০.৯ ৰ পৰা ২৩ শতাংশ বৃদ্ধি | ১৯.৬ৰ পৰা ২০ শতাংশ বৃদ্ধি। |
| ৪। মচুৰ দাইল | ১৬ৰ পৰা ২৬.৫ শতাংশ কমিছে | ১২.৫ শতাংশ কমিছে। |
| ৫। ৰহৰ দাইল | ১৬ ৰ পৰা ২৬.৫ শতাংশলৈ কমিছে | ৯.৩ শতাংশ ১১ শতাংশ কমিছে। |
| ৬। মুগ দাইল | ০.৮ ৰ পৰা ৫.১ শতাংশ বৃদ্ধি | ২.১ ৰ পৰা ৪.১ শতাংশ বৃদ্ধি। |
| ৭। মিঠাতেল | ৮.৫ ৰ পৰা ৯.৩ শতাংশ কমিছে | ৩.১ ৰ পৰা ৯ শতাংশ কমিছে। |
| ৮। আটা | ২৬.৫ৰ পৰা ২৬.৮ শতাংশ বৃদ্ধি | ৮.৩ ৰ পৰা ২৪ শতাংশ বৃদ্ধি। |
| ৯। চেনি | ৬.৭ ৰ পৰা ৭.৩ শতাংশ কমিছে | ০.৫ ৰ পৰা ১.৯ শতাংশ কমিছে। |

(খ) দুই টকা মূল্যৰ চাউল প্ৰতি জিলাত যোগান ধৰা লোকৰ তালিকা ইয়াৰ লগত গাঁঠি দিয়া হ'ল।

(See the Annexure-I)

* শ্ৰীনগেন শৰ্মা ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে তেখেতৰ (খ) প্ৰশ্নৰ উত্তৰত কৈছিলে ১৯৯১ চনৰ ডিচেম্বৰ মাহৰ পৰা ১৯৯২ চনৰ ফেব্ৰুৱাৰী মাহলৈ কিছুমান বস্তুৰ দাম কমিছে আৰু কিছুমানৰ বাঢ়িছে। মাননীয় মন্ত্ৰী মহোদয়ে যিবিলাক তথ্য দিছে এই তথ্য অনুযায়ী খুচুৰা বিক্ৰীৰ তথ্য শুদ্ধ নহয়। যোৱা কালি গুৱাহাটীত খুচুৰা দাম কমা বুলি কৈছে যদিও ৪,৫,৭ শতাংশ বৃদ্ধিহে পাইছে। যোৱা ডিচেম্বৰ মাহৰ পৰা ৪ শতাংশৰ পৰা ১১ শতাংশ বৃদ্ধিহে পাইছে। যোৱা কালি মই ৭ খন মান দোকানৰ পৰা ৰেট লৈছো তেওঁলোকে খুচুৰা দাম বৃদ্ধি কৰিছে। এই বেপাৰী সকলৰ বিৰুদ্ধে মন্ত্ৰী মহোদয়ে ব্যৱস্থা লৈছেনে বা লব নেকি? দ্বিতীয় কথা হল কংগ্ৰেছ আইৰ চৰকাৰে নিৰ্বাচনী ইস্তাহাৰত বস্তুৰ মূল্য কমাব বুলি কৈছিল, দুই চাৰি দিনতে কমিব বুলি কৈছিল। কিন্তু

* *Speech not corrected*

এতিয়া ৭ ৰ পৰা ১১ শতাংশ বৃদ্ধিহে হৈছে। গতিকে চৰকাৰে নিৰ্বাচনী প্ৰতিশ্ৰুতি ভংগ কৰিছে। আজি দুটকা মূল্যৰ চাউল যি দিয়া হৈছে কিমান জন লোকে পাইছে? মন্ত্ৰী মহোদয়ে মহকুমা ভিত্তিত নকৈ জিলা ভিত্তিত কওঁক। এই দুটকা মূল্যৰ চাউল কিমানটা পৰিয়ালক দিলে আৰু এই চাউল দিয়াৰ আগতে সেইবিলাক মানুহৰ খাদ্যৰ উপযোগী হয় নে নহয় পৰীক্ষা কৰা হৈছে নে নাই? এইটো সদনৰ মজিয়াত ৰাখিব নে?

ডাঃ অৰ্দ্ধেন্দু কুমাৰ দে (মন্ত্ৰী) ঃ অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীয়ে বস্তুৰ দাম কমা নাই বুলি কৈছে, কিন্তু আমাৰ বিভাগৰ অনুসন্ধান মতে এইটো দেখুউৱা হৈছে। যিসকলে বস্তুৰ দাম বেছি লৈছে তেওঁলোকৰ যদি স্পেচিফিক্ নাম দিয়ে তেতিয়া হ'লে মই লগে লগে ব্যৱস্থা লম।

* শ্ৰীহিৰণ্য বৰা ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে দৰিদ্ৰ সীমা ৰেখাৰ তলত যিসকল. মানুহক ধৰিছে, সেই লিষ্টখন কেনেকৈ কি ভিত্তিত প্ৰস্তুত কৰিছে জনাব নে?

ডাঃ অৰ্দ্ধেন্দু কুমাৰ দে (মন্ত্ৰী) ঃ অধ্যক্ষ মহোদয়, এই প্ৰশ্নটো কৰাৰ বাবে মই মাননীয় সদস্য গৰাকীক ধন্যবাদ জনাইছো। আমাৰ নৰ্মচ মতে কিছুমান পৰিয়ালক দৰিদ্ৰ সীমাৰেখাৰ তলত ধৰা হয়। ভাৰতবৰ্ষৰ যি নিয়ম আছে সেই নিয়ম মতে যি সকল পৰিয়ালৰ বছৰি আয় ছয় হেজাৰ চাৰিশ টকাৰ তলত তেওঁলোকক দৰিদ্ৰ সীমা ৰেখাৰ তলত ধৰা হয়।

* শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে ভাৰতবৰ্ষৰ যি নিয়ম বুলি কৈছে, সেইটো সংবিধান নে আইনত আছে এই কথাটো বিতং ভাবে জনাব লাগে।

ডাঃ অৰ্দ্ধেন্দু কুমাৰ দে (মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীয়ে যিটো প্ৰশ্ন কৰিছে তাৰ উত্তৰ দিবলৈ বিচাৰিছো– যিটো পৰিয়ালৰ বছৰি আয় ৬ হেজাৰ ৪০০ টকাৰ তলত তেওঁলোক দৰিদ্ৰসীমাৰেখাৰ তলত ধৰা হয়। এই বিভাগৰ কৰ্ম্মচাৰী আছে, তেখেতসকলক আমি নিৰ্দ্দেশ দিছো দৰিদ্ৰ সীমাৰেখাৰ তলৰ মানুহ বিলাকক উলিয়াবৰ বাবে। সেই মতে তেওঁলোকে এখন লিষ্ট তৈয়াৰ কৰিছে। এতিয়া মাননীয় সদস্যসকলে প্ৰশ্ন কৰিব পাৰে গোটেই মানুহ বিলাক দিলে নে নাই? মই তাৰ উত্তৰত কওঁ যে দিয়া নাই। তাৰ এটা ব্যাখ্যা দিব বিচাৰিছো। অন্ধ্ৰপ্ৰদেশ আৰু গুজৰাট ত এইটো লৈছে। গোটেই ভাৰতবৰ্ষতে মানুহ দৰিদ্ৰ সীমাৰেখাৰ তলত শতকৰা ২৩.৮ শতাংশ আছে। অন্ধ্ৰ প্ৰদেশত শতকৰা ৭০ ভাগ আছে তাত ২ টকাৰ পৰা ৩.৮০ পইচা কৰিছে।

* শ্ৰীহিৰণ্য কুমাৰ বৰা ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰীমহোদয়ে প্ৰশ্নটোৰ উত্তৰ ঠিকমতে দিয়া নাই, উত্তৰ ভালকৈ দিব লাগে।

ডাঃ অৰ্দ্ধেন্দু কুমাৰ দে (মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, মই প্ৰশ্নৰ উত্তৰ দি আছো। মই বহলাই এই কাৰণে কৈছো যাতে পৰিপূৰক প্ৰশ্ন আৰু থাকিব নোৱাৰে, সেয়ে লাহে লাহে কৈ আছো।

* শ্ৰীনগেন শৰ্মা ঃ অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ৰ পৰা মই জানিব বিচাৰিছো যে অসমৰ ৰাইজক যি দুটকা দামৰ চাউল দিছে সেই চাউল খাদ্যৰ উপযুক্ত হয় নে নহয় আৰু সেই চাউল খাদ্যৰ উপযোগীতাৰ পৰীক্ষা কৰা হৈছিল নে নাই তাৰ উত্তৰ লাগে।

ডাঃ অৰ্দ্ধেন্দু কুমাৰ দে (মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, মই এইটো সদনৰ মজিয়াত ৰাখিম। তেখেতে

---

* *Speech not corrected*

যি চাউল উপযুক্ত নহয় বুলি কৈছে এই ক্ষেত্ৰত মই কও যে যি চাউল দিয়া হৈছে চুপাৰ ফাইন চাউল দিয়া হৈছে।

* শ্ৰীনগেন শৰ্মা ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে স্পষ্ট কৰি কৈছে যে চাউল বিলাক পৰীক্ষা কৰা নাই। গতিকে মন্ত্ৰী মহোদয়ে এই চাউল বিলাক পৰীক্ষা কৰিব লাগে। এই চাউলৰ স্কেণ্ডেল চলি আছে এফ, চি, আইত। এই দুটকা দামৰ চাউল খোৱাই মানুহ বেমাৰী কৰিছে। ইয়াৰ এটা তদন্ত হব লাগে আৰু সেই তদন্তৰ ৰিপোৰ্ট সদনৰ মজিয়াত দাখিল কৰিব লাগে।

ডাঃ অৰ্দ্ধেন্দু কুমাৰ দে (মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীয়ে সদনক ভুল পথে পৰিচালিত কৰিছে। তেখেতে নিৰ্দিষ্টভাবে নাম কলেহে পৰীক্ষা কৰি একশ্যন ল'ব পৰা হব।

* শ্ৰীমনচিং ৰংপী ঃ মাননীয় অধ্যক্ষ মহোদয়, ডিফুত ১ হেজাৰ ৮১ টা পৰিয়াল বলি ইয়াত কৈছে। কিন্তু দৰিদ্ৰ সীমাৰেখাৰ তলৰ মানুহ ওলিয়াবলৈ এতিয়াহে চিঠি গৈছে। ১ হেজাৰ ৮১ ক'ত পালে।

* শ্ৰীৰমেন্দ্ৰ নাৰায়ণ কলিতা ঃ অধ্যক্ষ মহোদয়, এই গোটেই বস্তুটোৰ ওপৰত সন্দেহ হৈছে। সেই কাৰণে হাউচ কমিটি এখন কৰিব লাগে।

* শ্ৰীহিৰণ্য বৰা ঃ মাননীয় অধ্যক্ষ মহোদয় মন্ত্ৰী মহোদয়ে, বৰ্তমানে দুটকা মূল্যৰ চাউল যোগান ধৰাৰ সম্পৰ্কত কৈছে যে অসমৰ দৰিদ্ৰ সীমাৰেখাৰ তলত বসবাস কৰা লোকসকলক সুবিধা দিয়া হৈছে আৰু মাননীয় সদস্য গৰাকীয়ে কোৱাৰ দৰে ডিফুত যেনেকৈ টাউন কমিটি মিউনিচিপালিটিক দৰিদ্ৰ সীমাৰেখাৰ তলত বসবাস কৰা লোক সকলক বাচিবলৈ দায়িত্ব দিছে তেনেকৈ অলপতে হৈ যোৱা পঞ্চায়ত নিৰ্বাচনত নিৰ্বাচিত হোৱা সকলকো দৰিদ্ৰ সীমাৰেখাৰ চিহ্নিত কৰিবলৈ দায়িত্ব দিয়া হব নেকি? (সদনত হুলস্থূল)

* শ্ৰীৰমেন্দ্ৰ নাৰায়ণ কলিতা ঃ মাননীয় অধ্যক্ষ মহোদয় মাননীয় যোগান বিভাগৰ মন্ত্ৰী মহোদয়ে দুটকীয়া চাউল দিয়া সম্পৰ্কত যি কথা কৈ গৈছে তাৰ সম্পূৰ্ণ তথ্য এই সদনত ডাঙি ধৰিবনে? (আকৌ সদনত হুলস্থূল)

মাননীয় অধ্যক্ষ ঃ সদনত পৰিপূৰক প্ৰশ্ন উত্থাপন কৰিবলৈ কেৱল এজনকহে অনুমতি দিয়া হয়। আপোনালোকে একেলগে পাচ ছয়জন উঠিলে কাক কবলৈ অনুমতি দিয়া হব আৰু কোনটো প্ৰশ্নৰ উত্তৰ দিয়া হব। গতিকে আপোনালোকে এজনে কওঁক।

* শ্ৰীৰমেন্দ্ৰ নাৰায়ণ কলিতা ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় যোগান বিভাগৰ মন্ত্ৰী মহোদয়ে যিখিনি তথ্য আজিৰ সদনত দাঙি ধৰিছে এই গোটেই কথাখিনি একেবাৰে সত্য নহয়। গতিকে এইখিনি প্ৰমাণ কৰাৰ কাৰণে এটা হাউচ কমিটি কৰি দিব লাগে আৰু এই কমিটিৰ ৰিপৰ্টৰ ওপৰতহে মন্ত্ৰী মহোদয়ৰ তথ্য পাতিৰ প্ৰমাণ হব।

ডাঃ অৰ্দ্ধেন্দু কুমাৰ দে (মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীয়ে যি পৰামৰ্শ দিছে সেইটো কৰা হব যদিহে মাননীয় সদস্য গৰাকীয়ে মই ডাঙি ধৰা তথ্যৰ মিছা প্ৰমাণ ক'ত ক'ত পাইছে তাৰ যদি তথ্য দাখিল কৰিব পাৰে আৰু সেইটো স্পষ্টভাবে দিব লাগিব। (সদনত আকৌ হুলস্থূল)

---

* *Speech not corrected*

* শ্ৰীভৃগুকুমাৰ ফুকন ঃ মাননীয় অধ্যক্ষ মহোদয়, এই হাউচ কমিটি গঠন কৰা সম্পৰ্কত সকলো বিৰোধী পক্ষই যেতিয়া একমত হৈছে এই হাউচ কমিটি গঠন কৰা সম্পৰ্কত অধ্যক্ষ মহোদয়ে ৰুলিং দিব নেকি ?

মাননীয় অধ্যক্ষ ঃ কাৰ্য্যক্ৰমনিকা হিচাবে যাব। এই প্ৰশ্নোত্তৰ কালত এনে ধৰণৰ হাউচ কমিটিৰ গঠনৰ সম্পৰ্কত ৰুলিং দিয়াৰ ব্যৱস্থা কৰা নহয়।

* শ্ৰীনগেন শৰ্মা ঃ মাননীয় অধ্যক্ষ মহোদয়, এনে ধৰণৰ ৰুলিং আগতে দিয়া হৈছে।

* শ্ৰীজয়নাথ শৰ্মা ঃ মাননীয় অধ্যক্ষ মহোদয়, আগতে চৰকাৰৰ দিনত শ্ৰীচন্দ্ৰমোহন পাটোৱাৰীয়ে হেলথ্ মিনিষ্টাৰ হৈ থাকোতে প্ৰশ্নত্তোৰ কালত এনে ধৰণৰ এটা ৰুলিং দিয়া হৈছিল। আজিৰ দৈনিক কাকতত তিনি কেজি কৈ জেন মানুহক চাউল দিয়াৰ বাতৰি ওলাইছে আৰু (আজিৰ বাতৰি)ত প্ৰকাশ পোৱা এটা বাতৰি মতে দুটকা দৰত চাউল কিনি নি ৪.৫০ পইচা দৰত বিক্ৰি কৰা প্ৰকাশ পাইছে। গতিকে এটা হাউচ কমিটি পাতি এই কথা সঁচানে মিচা তদন্ত কৰাত কি আপত্তি থাকিব পাৰে। দৰং জিলাত কিমান ভূমিহীন মানুহক মাটিৰ পট্টা দিয়া হৈছে বিভিাগীয় মন্ত্ৰী মহোদয়ে কৈছে কিন্তু ১৯৮৩ চনতেই ৫০০০ জন মানুহক ভূমিহীনৰ পট্টা দিয়া হৈছে। মাননীয় মন্ত্ৰী মহোদয়ে এই কথাটো জানেনে ? দৰং জিলাৰ উপায়ুক্তৰ কাৰ্য্যালয়ত এতিয়াও ৫০০০ জন ভূমিহীন মানুহক ভূমিহীনৰ পট্টা দিয়াৰ নথি-পত্ৰ নাই। গতিকে মন্ত্ৰী মহোদয়ে এই সম্পৰ্কত ৰুলিং দিব লাগে।

মাননীয় অধ্যক্ষ ঃ মন্ত্ৰীয়ে এই সম্পৰ্কত পিচত সিদ্ধান্ত জনাম বুলি কৈছে যেতিয়া ৰুলিং দিয়া নহয়। This is Question Hour and so there cannot be any question of Ruling (বিৰোধী পক্ষৰ সদন ত্যাগ)।

Dewan Joynal Abedin : Sir, I want to raise a Point of Order. according to Rule 49 we can make a half-an-hour discussion on a specific question. I would request the Chair that under the provision of this rule your honour may allow half an hour discussion since this relates to a matter of sufficient public importance.

Mr. Speaker : If you go according to the procedure then I may allow. But during the Question Hour nothing can be considered. Now Starred Question No 48.

বিষয়ঃ ম্যাদি পট্টা।

শ্ৰীহিতেশ্বৰ ডেকায়ে সুধিছে ঃ

* ৪৮। মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) দীৰ্ঘদিন ধৰি 'চিলিং এক্টৰ' অধীনস্থ মাটি বিলাকৰ গৰাকী হৈ থকা ব্যক্তিসকলক উক্ত মাটিৰ 'ম্যাদি পট্টা' দিবলৈ চৰকাৰে সিদ্ধান্ত লৈছে নেকি ?

---

* *Speech not corrected*

(খ) যদি লৈছে এই প্ৰক্ৰিয়া কেতিয়া আৰম্ভ কৰা হৈছে আৰু কেতিয়া শেষ হব?

(গ) কমলপুৰ ৰাজহ চক্ৰত মুঠতে কিমানটা পৰিয়ালক এনেকুৰা মাটিৰ 'ম্যাদিপট্টা' দিয়া হব?

(ঘ) উক্ত চক্ৰত তেনে ম্যাদিকৰণৰ প্ৰক্ৰিয়া কেতিয়া আৰম্ভ কৰা হব আৰু কেতিয়া সমাপ্ত হব?

শ্ৰীমুকুট শৰ্মাই (মন্ত্ৰী)য়ে উত্তৰ দিছেঃ

(ক) } প্ৰশ্ন নুঠে, কিন্তু চিলিং উদ্বৃত মাটিত দখল কৰা উপযুক্ত ৰায়ত সকলক পট্টা
(খ) } দিয়াৰ ব্যৱস্থা লোৱা হৈছে।

(গ) ২১৯০ টা পৰিয়ালক।

(ঘ) ২/১০/৯১ তাৰিখৰ পৰা ম্যাদিকৰণ প্ৰক্ৰিয়া আৰম্ভ কৰা হৈছে আৰু ৩১/৩/৯২ তাৰিখৰ ভিতৰত সম্পূৰ্ণ কৰাৰ বাবে প্ৰস্তুতি চলোৱা হৈছে।

Mr. Speaker : Now Starred Question No. 49.

বিষয়ঃ মাটি অধিগ্ৰহণৰ মূল্য।

শ্ৰীচন্দন কুমাৰ চৰকাৰে সুধিছে ঃ

* ৪৯। মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) উত্তৰ শালমাৰা মহকুমাৰ যোগীঘোপাত ব্ৰহ্মপুত্ৰ নদীৰ ওপৰত নতুন দলং আৰু ৰেল লাইন বহুৱাৰ কামত স্থানীয় মাটিৰ পট্টাদাৰ সকলৰ অধিগ্ৰহণ কৰা মাটিৰ মূল্য কিমান টকা বিঘা হিচাবে দিয়া হৈছে আৰু কিমান জন মাটিৰ মালিকে টকা পাইছে?

(খ) যোগীঘোপাৰ নতুন ৰেললাইন আৰু দলং নিৰ্ম্মাণৰ বাবে ভাটিপাৰা গাওঁৰ কিমান বিঘা মাটি চৰকাৰে অধিগ্ৰহণ কৰি ৰেল বিভাগত দিছে আৰু উক্ত গাওঁৰ ক্ষতি গ্ৰস্থ ৰাইজক কিমান টকা চৰকাৰে ১৯৮৫ চনৰ পৰা আজিলৈকে দিছে?

(গ) কিমানজন খেতিয়কৰ শস্যৰ ক্ষতি সাধন হৈছে?

(ঘ) শস্যৰ ক্ষতিৰ বাবে ক্ষতি পূৰণ দিয়া হৈছে নেকি? আৰু যদি হৈছে তাৰ পৰিমাণ কিমান?

শ্ৰীমুকুট শৰ্ম্মা (মন্ত্ৰী)য়ে উত্তৰ দিছেঃ

(ক) উত্তৰ শালমাৰা মহকুমাৰ যোগীঘোপাৰ ব্ৰহ্মপুত্ৰ নদীৰ ওপৰত নতুন দলং, ৰেল লাইন বহুৱাৰ বাবে মাটি অধিগ্ৰহণ কৰা ভেটি মাটিৰ মূল্য ৩০,০০০ টকা আৰু খেতি মাটিৰ মূল্য ১৮,০০০ টকা বিঘা প্ৰতি দিয়া হৈছে। ৫৭ জন মাটিৰ মালিকে টকা পাইছে।

(খ) যোগীঘোপা নতুন ৰেল লাইন আৰু দলং নিৰ্মাণৰ বাবে ভাটিপাৰা গাওঁৰ ১২৫ বিঘা —০ কঠা--২ লেছা মাটি অধিগ্ৰহণ কৰি ৰেল বিভাগক দিয়া হৈছে। আৰু ২৭,৩৭,৪০৮.৬৯ টকা চৰকাৰে ক্ষতিগ্ৰস্থ ৰাইজক দিছে।

(গ) যিহেতু উক্ত অধিগ্ৰহণ কৰা মাটিত কোনো শস্য নাছিল শস্যৰ বাবদ কোনো ক্ষতিপূৰণ দিয়া হোৱা নাই।

(ঘ) নাই। কিন্তু জীৱাটৰ বাবদ ক্ষতিপূৰণ দিয়া ধনৰ পৰিমাণ ২,৪৯,৪০৫ টকা।

শ্ৰীচন্দন কুমাৰ সৰকাৰঃ মাননীয় অধ্যক্ষ মহোদয়, ১৯৮৫ চনৰ পৰা আজিলৈকে কিমান টকা বিতৰণ কৰা হৈছে সেই বিষয়ে উল্লেখ কৰা নাই। ম্যাদী মাটিৰ মূল্য ৩০,০০০ টকা দেখুৱাইছে। সেই টকা ১৯৮৫ চনতে বিতৰণ কৰা হৈছে। কিন্তু খেতিয়কসকলে ১৮,০০০ টকা পোৱা নাই। গতিকে মই মাননীয় মুখ্য মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো ১৯৮৫ চনত অভয়াপুৰি দক্ষিণ সমষ্টিৰ যিখিনি মানুহক ক্ষতিপূৰণ দিয়া হৈছিল গোটেইখিনি তদন্ত কৰিলে ওলাই যাব।

Mr. Speaker : The Question Hour is over. (Starred Question No 50 and 52 to 60 could not be disposed of as the Question Hour was over. However, the written replies of the Question deemed to have been laid as follows :)

**বিষয়ঃ দৈনিক যুগশংখ আৰু শংখ প্ৰেচ।**

শ্ৰীশশকমল সন্দিকৈয়ে সুধিছে ঃ

* ৫০। মাননীয় শ্ৰম বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) দৈনিক যুগ শংখ আৰু শংখ প্ৰেচৰ মালিকে প্ৰতিষ্ঠানটো বে আইনী ঘোষণা কৰাৰ পাচত শ্ৰমিক কৰ্ম্মচাৰীসকলৰ অনুকুলে মালিক পক্ষৰ বিৰুদ্ধে চৰকাৰে কি ব্যৱস্থা লৈছে?

(খ) লক আউট বে-আইনী ঘোষণা কৰাৰ পাচতো প্ৰতিষ্ঠানটোৱে শিলচৰৰ পৰা, দৈনিক যুগশংখ কাগজখন প্ৰকাশ কৰি চৰকাৰৰ পৰা বিজ্ঞাপন সংগ্ৰহ কৰি আছে এই কথা সত্য নে?

শ্ৰীদীলেশ্বৰ তাঁতী (মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) দৈনিক যুগ শংখ আৰু শংখ প্ৰেচৰ মালিক পক্ষই নিজৰ প্ৰতিষ্ঠান বে-আইনী ঘোষণা কৰিব পৰা কোনো আইন সংগত ব্যৱস্থা নাই।

মালিক পক্ষই ১৮/১০/৮৯ ইং তাৰিখৰ পৰা ১৫/২/৯০ তাৰিখলৈ শ্ৰমিক কৰ্ম্মচাৰীৰ দৰমহা নিদিয়া আৰু প্ৰতিষ্ঠানটো কৰ্ম্মচাৰী সহ গুৱাহাটীৰ পৰা শিলচৰৰ ৰংপুৰলৈ স্থানান্তৰিত কৰাৰ সংক্ৰান্তত শ্ৰমিক কৰ্ম্মচাৰীসকলে উত্থাপন কৰা বিবাদ উদ্যোগিক ন্যায়াধিকৰণলৈ প্ৰেৰণ কৰা হয়।

(খ) শিলচৰৰ পৰা দৈনিক যুগ শংখ কাকতখন প্ৰকাশ কৰি চৰকাৰৰ পৰা বিজ্ঞাপন সংগ্ৰহ কৰা বিষয়টো শ্ৰম বিভাগৰ অৱগত নহয়।

(Starred Question No. 51 was deferred)

**বিষয়ঃ পোপৰাগাওঁ এল, আই, এচ।**

শ্ৰীফণীভূষণ চৌধুৰীয়ে সুধিছে ঃ

* ৫২। মাননীয় জলসিঞ্চন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) বঙ্গাইগাওঁ সমষ্টিৰ অন্তৰ্গত পোপৰাগাওঁ এল, আই, এচ, আঁচনিটোৰ জৰিয়তে পোপৰাগাওঁ অঞ্চলৰ খেতি পথাৰ বিলাকত পানী যোগান ধৰি আছেনে?

(খ) যদি নাই, কি কাৰণত পানী যোগান ধৰিব পৰা নাই?

(গ) এই বছৰৰ ভিতৰতে উক্ত আঁচনিটোৰ জৰিয়তে পানী যোগান ধৰাৰ ব্যৱস্থা কৰিবনে ?

শ্ৰীজেহিৰুল ইচলাম (মন্ত্ৰী)য়ে উত্তৰ দিছেঃ

(ক) বৰ্তমান পানী যোগান ধৰা হোৱা নাই।

(খ) ১৯৮৯-৯০ চনত দুষ্কৃতিকাৰীৰ দ্বাৰা আঁচনিটোৰ বিস্তৰ ক্ষতি সাধন কৰাত আৰু পাম্প, মটৰ আদি চুৰি হোৱাত পানী যোগান ধৰিব পৰা হোৱা নাই।

(গ) বৰ্তমান বিত্তীয় বছৰত ধনৰ নাটনীৰ বাবে পানীৰ যোগান ধৰা সম্ভৱ নহব।

**বিষয়ঃ নিম্নতম চাহিদা আঁচনিত সাহাৰ্য্য।**

শ্ৰীজয়নাথ শৰ্মায়ে সুধিছেঃ

* ৫৩। মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) দৰং জিলাত নিম্নতম চাহিদা আঁচনিত ১৯৯০-৯১ আৰু ১৯৯১-৯২ চনত কিমান জন লোকক সাহাৰ্য্য আগবঢ়োৱা হৈছে?

শ্ৰীমুকুট শৰ্মা (মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) দৰং জিলাত নিম্নতম চাহিদা আঁচনিত ১৯৯০-৯১ চনত ২৩৩ জন লোকক সাহাৰ্য্য আগবঢ়োৱা হৈছে। ১৯৯১-৯২ চনত নিম্নতম চাহিদা আঁচনিত ১,০২০ লোকক সাহাৰ্য্য আগবঢ়োৱাৰ কাম চলাই থকা হৈছে।

**বিষয়ঃ গভীৰ নলী-নাদ।**

শ্ৰীৰমেন্দ্ৰ নাৰায়ণ কলিতায়ে সুধিছেঃ

* ৫৪। মাননীয় জলসিঞ্চন বিভাগৰ মন্ত্ৰী মহোদয় অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ধাৰাপুৰ, মাজিৰ গাওঁ আৰু পাচনীয়া পাৰাৰ জলসিঞ্চনৰ বাবে গভীৰ নলীনাদৰ কাম কোন চনত আৰম্ভ কৰা হৈছিল ?

(খ) উক্ত আঁচনি কেইটাৰ কাম কিমান শতাংশ সম্পূৰ্ণ কৰা হ'ল ?

(গ) উক্ত আচনি কেইটাৰ কাম কেতিয়া সম্পূৰ্ণ কৰা হ'ব ?

শ্ৰীজেহিৰুল ইছলাম (মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) ১৯৮৯ চনত আৰম্ভ কৰা হয়।

(খ) ধাৰাপুৰ, পাচনী গাওঁ গভীৰ নলীনাদ আঁচনি খনৰ কাম শতকৰা ৪০ ভাগ আৰু মাজিৰ গাওঁ গভীৰ নলীনাদ আঁচনিখনৰ কাম প্ৰায় শতকৰা ৩০ ভাগ সম্পূৰ্ণ হৈছে।

(গ) আৰশ্যকীয় ধনৰ আৱণ্টন পালে ১৯৯২-৯৩ চনত অঁচনি কেইটাৰ কাম সম্পূৰ্ণ হোৱাৰ সম্ভাৱনা আছে।

বিষয়ঃ লীলা বাৰী এয়াৰ পোৰ্ট।

শ্ৰীভৰত চন্দ্ৰ নৰহে সুধিছেঃ

* ৫৫। মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) লীলাবাৰী এয়াৰ পোৰ্ট সম্প্ৰসাৰণ কৰিবলৈ প্ৰয়োজন হোৱা মাটি বিচাৰি নেচনেল এয়াৰ পোৰ্ট অথৰিটিয়ে লক্ষীমপুৰ জিলাৰ প্ৰশাসনৰ ওচৰত চিঠিৰ যোগেদি আবেদন কৰা কথাটো চৰকাৰে জনেনে?

(খ) যদি জানে, উক্ত এয়াৰ পোৰ্ট সম্প্ৰসাৰণৰ কাৰণে প্ৰয়োজন হোৱা মাটি নেচনেল এয়াৰ পোৰ্ট অথৰিটিক হস্তান্তৰ কৰিবলৈ চৰকাৰে কি ব্যৱস্থা হাতত লৈছে?

শ্ৰীমুকুট শৰ্মা (ৰাজহ মন্ত্ৰী)য়ে উত্তৰ দিছেঃ

(ক) হয়, চৰকাৰে জানে।

(খ) উক্ত এয়াৰ পোৰ্ট সম্প্ৰসাৰণৰ বাবে মুঠ ৫৭ বিঘা ৩ কঠা ১ লেছা পট্টাৰ মাটি অধিগ্ৰহণ কৰাৰ ব্যৱস্থা কৰা হৈছে। ইতিমধ্যে অধিগ্ৰহণৰ জাননী ৰাজপত্ৰত প্ৰকাশৰ বাবে পঠোৱা হৈছে।

**Re : Case against S.D.C. Bagribari Circle.**

Shri Giasuddin Ahmed asked :

* 56. Will the Minister of Revenue be pleased to State :

(a) Whether it is a fact that a criminal case against the S.D.C. of Bagribari Circle of the Bilasipara Sub-Division for aleged forgery, impersonation and corruption in connection with disbursement of rehabilitation grant to the flood victims of 1988 is pending for investigation in the Bagribari Police Staten?

(b) If so, whether Government has made any departmental enquiry into the matters?

(c) If so, the result thereof?

Shri Mukut Sarma (Minister) replied :

(a) Yes, A Case under Bagribari Police Station Case No. 41/91 U/S. 468/420 has been registered against the S.D.C. of Bagribari Circle for mulpractices in disbursement of rehabilitation grant in 1988 which is pending at Bagribari Police Station for further investingation.

(b) The matter is also being enquired into by Addl. D.C., Dhubri on a public petition on the subject.

(c) Necessary action shall be initiated on receipt of the enquiry report from the A.D.C., Dhubri.

**Re : Erroded family**

Shri Dewan Joynal Abedin asked :

* 57. Will the Minister, Revenue be pleased to state :

(a) How many families have been rendered completely homeless and Landless by the erosion of the Brahmaputra in South Salmara Circle of Dhubri District?

(b) How many of there families have so far been provided with physical rehabilitation?

(c) What measures are being contemplated by the Government for the economic rehabilitation of there people?

Shri Mukut Sarma (Minister) replied :

(a) Total 3674 families have been completely rendered Homeless and Landless in South Salmara Circle.

(b) 23 Nos. of families have been alloted land at Aironjongle Char. Ramaining families are yet to be rehabilitated due to non availability or Suitable Sarkari Khas land in the district.

(c) Rehabilitation grant to 1960 families rupees One thousand each is contemplated by the Govt. and a sum of Rs. 75 Lakhs have been released to D.C. Dhubri vide No. RGR. 33/91/328 dt. 5-3-92.

বিষয়ঃ ভূমিহীন পৰিয়ালক ভূমি পট্টন।

শ্ৰীলিয়াকৎ আলীখানে সুধিছে ঃ

* ৫৮। মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) বৰ্তমান চৰকাৰৰ দিনত কিমানজন ভূমিহীন পৰিয়ালক ভূমি পট্টন দিয়াৰ ব্যৱস্থা কৰা হৈছে?

(খ) বৰপেটা জিলাত কিমানজন আৰু চেঙা বিধান সভা সমষ্টিত কিমানজন ভূমিহীন পৰিয়ালক ভূমি পট্টন দিয়া হৈছে?

(গ) যদি দিয়া নাই, দিয়াৰ বাবে ব্যৱস্থা ল'বনে ?

শ্ৰীমুকুট শৰ্মা (ৰাজহ মন্ত্ৰী)য়ে উত্তৰ দিছেঃ

(ক) ভূমিহীন পৰিয়ালক বৰ্তমান চৰকাৰৰ দিনত ভূমি পট্টন দিয়াৰ ব্যৱস্থা লোৱা হৈছে। অসমৰ প্ৰত্যেক জিলাত মুঠ কিমানজনক ভূমিহীন লোকক মাটি পট্টন দিয়া হব তাৰ বিতং তথ্য অহা ৩১/৩/৯২ তাৰিখৰ পিছতহে সংগ্ৰহ কৰি দিব পৰা হব।

(খ) চেঙা বিধান সভা সমষ্টিত ৬৯ টা পৰিয়ালক ভূমি পট্টন দিয়া হৈছে। বৰপেটা জিলাৰ বাকী অংশত ৫০৩ টা পৰিয়ালক ভূমি পট্টন দিয়া হৈছে।

(গ) প্ৰশ্ন নুঠে।

**বিষয়ঃ গৰা খহনীয়া লোকৰ পুনঃসংস্থাপন।**

শ্ৰীনিজামুদ্দিন খানে সুধিছেঃ

* ৫৯। মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) বৰ্তমানলৈ ৰাজ্যখনত গৰাখহনীয়াত উদ্বাস্তু হোৱা কিমান লোকক সংস্থাপন দিয়া হৈছে (যোৱা ১৯৯১ চনৰ জুন মাহৰ পৰা)।

(খ) কিমান গৰাখহনীয়াত উদ্বাস্তু হোৱা লোকক সংস্থাপন দিবলৈ বাকী আছে?

(জিলা ভিত্তিত জনাব।)

(গ) বাকী থকা গৰাখহনীয়া লোকক পুনৰ সংস্থাপন কৰা হবনে?

(ঘ) যদি হয়, কিমান লোকক আৰু কেতিয়া লৈ কৰা হব?

(ঙ) সংস্থাপন দিয়া লোকক কেনেধৰণে সংস্থাপিত কৰা হৈছে?

শ্ৰীমুকুট শৰ্মা (মন্ত্ৰী)য়ে উত্তৰ দিছেঃ

(ক) এতিয়ালৈকে পোৱা তথ্যৰ ভিত্তিত ১৫৪১টা পৰিয়ালক পুনসংস্থাপন দিয়া হৈছে।

আৰু

(খ) এই তথ্য অনুযায়ী বিতং বিৱৰণী সদনৰ মজিয়াত ৰখা হৈছে। কিছুমান জিলা আৰু মহকুমাৰ পৰা তথ্য-পাতি এতিয়াও পোৱা হোৱা নাই।

(See the Annexure II)

(গ) মাটিৰ প্ৰচুৰ্য্যতা সাপেক্ষে পুনৰসংস্থাপন ব্যৱস্থা লোৱা হব।

(ঘ) (ক) প্ৰশ্নৰ উত্তৰত উল্লেখ কৰা বিৱৰণীত এই সম্পৰ্কে এতিয়ালৈকে পোৱা তথ্য

আৰু দেখুৱা হৈছে। লগতে বৰ্তমান বছৰত পুনৰ সংস্থাপনৰ ধন মঞ্জুৰী দিয়া তালিকা

(ঙ) এখন সদনৰ মজিয়াত ৰখা হ'ল।

(See the Annexure III)

**বিষয়ঃ কেৰাচিন তেলৰ আবন্টন।**

শ্ৰীজীউৰাম বড়োয়ে সুধিছেঃ

* ৬০। মাননীয় খাদ্য আৰু অসামৰিক যোগান বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) গাওঁবোৰত প্ৰতিটো লোকক প্ৰতিটো সপ্তাহত কিমান লিটাৰকৈ কেৰাচিন তেল আৱন্টন কৰা হয়।

(খ) ইতিমধ্যে চৰকাৰে ঘোষণা কৰা দুই টকীয়া চাউল ক'ত ক'ত আৰু কিমানজনক বিতৰণ কৰা

হৈছে?

(গ) ২ টকীয়া চাউল কেনে লোকক বিতৰণ কৰা হৈছে?

ডাঃ অৰ্দ্ধেন্দু কুমাৰ দে (মন্ত্ৰী)য়ে উত্তৰ দিছেঃ

(ক) গাওঁবোৰত প্ৰতিজন লোকক প্ৰতিটো সপ্তাহত কেৰাচিত তেলৰ আৱণ্টন কৰা নহয়। গাওঁ ও নগৰাঞ্চলৰ পৰিয়ালে প্ৰতি মাহিলি ৫.৫০০ লিটাৰকৈ কেৰাচিন তেল আৱণ্টন দিয়া হৈছে।

(খ) ১৯৯১ চনৰ ২ অক্টোবৰৰ পৰা প্ৰৱৰ্ত্তিত দুই টকা মূল্যৰ চাউল যোগান আঁচনিৰ জৰিয়তে নগৰাঞ্চলৰ ৫১৫৯ টা পৰিয়ালক উক্ত ৰেহাই মূল্যৰ চাউল যোগান ধৰা হৈছে। তাৰোপৰি ১৯৯২ চনৰ ফেব্ৰুৱাৰী মাহত গ্ৰামাঞ্চলৰ ১,২৬,০০০ টা দৰিদ্ৰ সীমাৰেখাৰ তলত বসবাস কৰা অতি দুখীয়া পৰিয়ালক উক্ত আঁচনিৰ অধীনত দুই টকা মূল্যৰ চাউল যোগান ধৰাৰ ব্যৱস্থা লোৱা হৈছে।

(মহকুমা ভিত্তিক পৰিয়ালৰ তালিকা গাঠি দিয়া হ'ল)

(See the Annexure IV)

(গ) বছৰি ৬,৪০০/- টকা আয়ৰ তলত বসবাস কৰা পৰিয়ালসমূহ দুই টকা মূল্যৰ চাউল যোগানৰ আঁচনিত অন্তৰ্ভূক্ত হোৱাৰ বাবে যোগ্য।

## Unstarred Questions & Answers

**বিষয়ঃ পঞ্জিয়ণভূক্ত নিবনুৱাৰ সংখ্যা।**

শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্তই সুধিছেঃ

৭৮। মাননীয় শ্ৰম ও নিয়োগ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) অসমৰ নিয়োগ বিনিময় কেন্দ্ৰসমূহত নাম পঞ্জীয়ন কৰা নিৰনুৱা ৰকৰ সংখ্যা ১ জানুৱাৰী ১৯৯২ তাৰিখলৈ কিমানজন?

(খ) ১৯৯১-৯২ চনৰ ভিতৰত নিয়োগ বিনিময় কেন্দ্ৰসমূহৰ জৰিয়তে কিমান সংখ্যক যুৱক যুৱতীয়ে সংস্থাপন লাভ কৰিলে?

(গ) চৰকাৰী চাকৰি লাভ কৰিবৰ বাবে যুৱক-যুৱতীসকলে নিজৰ নিজৰ নাম পঞ্জীয়নভুক্ত কৰাতো বাধ্যতামূলকনে?

শ্ৰীচিলভিউছ কন্দপান (মন্ত্ৰী)য়ে উত্তৰ দিছেঃ

(ক) অসমৰ নিয়োগ বিনিময় কেন্দ্ৰসমূহত নাম পঞ্জীয়ণ কৰা নিবণুৱা যুৱক-যুৱতীৰ সংখ্যা ৩১-১২-৯১ তাৰিখলৈকে মুঠ ১৩৫৬০৫৭ জন।

(খ) ১৯৯১-৯২ চনৰ ভিতৰত নিয়োগ বিনিময় কেন্দ্ৰসমূহৰ জৰিয়তে সংস্থাপন লাভ কৰা যুৱক-যুৱতীৰ সংখ্যা মুঠ ১২১৩ জন।

(গ) চৰকাৰী চাকৰি লাভ কৰিবৰ বাবে যুৱক-যুৱতীসকলে নিয়োগ বিনিময় কেন্দ্ৰত নাম পঞ্জীয়নভূক্ত কৰাটো বাধ্যতামূলক নহয়।

**Re : Allotment for Irrigation.**

Smti Pramila Rani Brahma asked :

**79. Will the Minister of Irrigation be pleased to state :**

(a) The amount of money have been allotted to the western circle for Irrigation purpose for the year 1991-92?

(b) The amount of money earmarked for Kokrajhar Sub-division for Minor Irrigation?

Shri Zehirul Islam (Minister) replied :

(a) At present there is no circle called western circle in this department.

(b) The allocation earmarked for Kokrajhar civil Sub-Division during 1991-92 for Minor Irrigation scheme is Rs. 107.69 lakhs under plan schemes and Rs. 70.12 lakhs under non-plan schemes.

**বিষয়ঃ শিশু শ্ৰমিক।**

শ্ৰীহিতেশ্বৰ ডেকায়ে সুধিছেঃ

৮০। মাননীয় শ্ৰম বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) গুৱাহাটী মহানগৰীত চৈধ্য বছৰৰ তলৰ "শিশু শ্ৰমিকৰ" পৰিসংখ্যা চৰকাৰৰ হাতত আছে নেকি আৰু যদি আছে কিমান ?

(খ) চৰকাৰী আৰু বেচৰকাৰী খণ্ডত এনে শিশু শ্ৰমিকে কাম কৰি আছেনে ?

(গ) শিশু শ্ৰমিকক কামত নলগোৱাৰ বাবে চৰকাৰৰ কোনো কাৰ্য্যকৰী ব্যৱস্থা বা আইন আছে নেকি ?

শ্ৰীদিলেশ্বৰ তাঁতী (মন্ত্ৰী) য়ে উত্তৰ দিছেঃ

(ক) গুৱাহাটী মহানগৰীত থকা চৈধ্য বছৰৰ তলৰ শিশু শ্ৰমিকৰ পৰিসংখ্যা সংগ্ৰহ কৰা হোৱা নাই।

(খ) চৰকাৰী খণ্ডত কাম কৰা শিশু শ্ৰমিকৰ তথ্য শ্ৰম বিভাগত নাই। বেচৰকাৰী খণ্ডত কোনো কোনো প্ৰতিস্থানত শিশু শ্ৰমিকে কাম কৰা পৰিলক্ষিত হয়।

(গ) ১৯৮৬ চনত কেন্দ্ৰীয় চৰকাৰে প্ৰণয়ন কৰা "শিশু শ্ৰমিক (নিবাৰণ আৰু নিয়মিত কৰণ) আইন" এখন আছে। এই আইন মতে কোনো কোনো প্ৰতিস্থানত শিশু শ্ৰমিক নিয়োগ কৰা বাৰন কৰা হৈছে আৰু অন্য কোনো কোনো প্ৰতিস্থানত নিয়োগৰ স্বত্ব আৰোপ কৰা হৈছে।

বিষয়ঃ পুখুৰী মেৰামতি।

শ্ৰীহিতেশ্বৰ ডেকায়ে সুধিছেঃ

৮১। মাননীয় মীন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) কৰৱা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ চৌহদত থকা পুখুৰীটোৰ পুনৰ মেৰামতি আৰু উন্নয়নৰ নামত আজিলৈকে চৰকাৰী অনুদান আগবঢ়োৱা হৈছে নেকি ?

(খ) যদি হৈছে, কেতিয়া আগবঢ়োৱা হৈছে আৰু ইয়াৰ পৰিমাণ কিমান?

(গ) চৰকাৰী অনুদান সম্পূৰ্ণভাবে ব্যৱহাৰ কৰা হৈছে নে নাই?

(ঘ) বৰ্তমান পুখুৰীটো কাৰ তত্বাৱধানত আছে?

শ্ৰীচিলভিউছ্ কন্দপান (মন্ত্ৰী)য়ে উত্তৰ দিছেঃ

(ক) মীন বিভাগৰ পৰা কোনো মঞ্জুৰী আগবঢ়োৱা হোৱা নাই।

(খ) প্ৰশ্ন নুঠে।

(গ) প্ৰশ্ন নুঠে।

(ঘ) তথ্য নাই।

Re : Total Employees in Assam.

Shri Parameswar Brahma asked :

82. Will the Minister of Employment be pleased to state :

(a) What is the total number of employees of the State of Assam including Public Sector enterprises?

Shri Silvius Condpan (Minister) replied :

(a) According to Census carried out by the Directorate of Economics and Statistics as on 31.03.89, there were 2,42,878 State Govt. employees and 37,699 employees in State Public Sector Undertakings. The census figures is based on returns received from 96.30% of State Govt. offices and 87.71% of State Public Sector Undertakings.

বিষয়ঃ জলসিঞ্চন আঁচনি।

শ্ৰীনিজামুদ্দিন খানে সুধিছেঃ

৮৩। মাননীয় জলসিঞ্চন বিভাগৰ মন্ত্ৰী মহোদয় অনুগ্ৰহ কৰি জনাবনেঃ

(ক) বৰপেটা জিলাত এতিয়ালৈ কিমান জলসিঞ্চন আঁচনি সম্পূৰ্ণ কৰা হৈছে?

(খ) কিমান আঁচনি অসম্পূৰ্ণ হৈ আছে?

(গ) সম্পূৰ্ণ হোৱা আঁচনিৰ পৰা খেতিয়কে পানী পাই আছেনে?

(ঘ) অসম্পূৰ্ণ আঁচনিসমূহ কেতিয়ালৈ সম্পূৰ্ণ হ'ব?

(ঙ) জিলাখনত নতুনকৈ কোনো জলসিঞ্চন আঁচনি লোৱা হৈছেনে?

শ্ৰীজেহিৰুল ইচলাম (মন্ত্ৰী)য়ে উত্তৰ দিছেঃ

(ক) বৰপেটা জিলাত এতিয়ালৈকে ৩৭ খন আঁচনি সম্পূৰ্ণ কৰা হৈছে।

(খ) ৪১ খন আঁচনি অসম্পূর্ণ হৈ আছে।

(গ) সম্পূৰ্ণ হোৱা ৩৭ খন আঁচনিৰ ভিতৰত তাৰে ৯ টা আংচনিৰ বাহিৰে বাকীবোৰ আঁচনিৰ পৰা খেতিয়কক পানীৰ যোগান ধৰি থকা হৈছে।

(ঘ) আৱশ্যকীয় ধনৰ আবন্টন পালে ১৯৯২-৯৩ চনত আঁচনিসমূহ সম্পূৰ্ণ হোৱাৰ যথেষ্ঠ আশা আছে।

(ঙ) হয়, ১২ খন আঁচনি নতুনকৈ লবৰ বাবে বাছনি কৰা হৈছে।

(Unstarred Question No. 84 was deferred)

**বিষয়ঃ ভবিষ্যনিধি আৰু বৃত্তিনিধি আঁচনিৰ কাৰ্য্যালয়।**

শ্ৰীৰামেশ্বৰ ধানোৱাৰে সুধিছে ঃ

৮৫। মাননীয় শ্ৰম বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) তিনিচুকীয়া জিলাত অসম চাহ বাগিচা ভবিষ্যনিধি আৰু বৃত্তিনিধি আঁচনিৰ কাৰ্য্যালয়ৰ বাবে চৰকাৰে কিমান মাটি আবণ্টন দিছিল?

(খ) যদি দিছিল, কি কাৰণত মাটি ডোখৰ দখল লব পৰা নগল?

(গ) মাটি ডোখৰৰ পৰিবৰ্তে বৰ্তমান ব্যৱস্থাপক মণ্ডলীয়ে কাৰ্য্যালয়ৰ বাবে কি ব্যৱস্থা লৈছে?

শ্ৰীদীলেশ্বৰ তাঁতী (মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) আৰু (খ) অসম চাহ বাগিচা ভবিষ্যনিধি আৰু বৃত্তিনিধি আঁচনিৰ তিনিচুকীয়া সংমণ্ডল কাৰ্য্যালয়ৰ বাবে ১৯৮৩ চনত তিনিচুকীয়া অসামৰিক কৰ্তৃপক্ষলৈ এডোখৰ চৰকাৰী মাটি আৱণ্টনৰ বাবে আবেদন কৰা হৈছিল। তিনিচুকীয়াৰ উপায়ুক্তই জনাইছিল যে তিনিচুকীয়া ক'ৰ্ট কমপ্লেক্চ্ৰ ভিতৰত ১ কঠা ১৮/ ১৯ লেছা পৰিমাণৰ এডোখৰ মাটি ভবিষ্যনিধি আঁচনিৰ বাবে আৱণ্টন দিয়া হৈছে। কিন্তু মাটিডোখৰৰ মূল্য নিৰ্ধাৰণৰ বিষয়ে আনুসঙ্গিক কাম-কাজ সম্পূৰ্ণ কৰিব নোৱাৰা বাবে মাটিডোখৰ ভবিষ্যনিধি আঁচনিলৈ হস্তান্তৰ কৰিব পৰা নগ'ল।

(গ) কোনো চৰকাৰী মাটি প্ৰকৃততে নোপোৱাৰ পৰিপ্ৰেক্ষিতত ১৯৯০ চনৰ অক্টোবৰ মাহত ভবিষ্যনিধি আঁচনিৰ ন্যাসৰক্ষক মণ্ডলীয়ে তিনিচুকীয়া কাৰ্য্যালয়ৰ বাবে নিজাববীয়াকৈ মাটি/ ভবন ক্ৰয় কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰে। সেই সিদ্ধান্তমৰ্মে তিনিচুকীয়া চহৰৰ ৰঙ্গাগড়া ৰ'ডত ২ কঠা মাটিৰ ওপৰত এটি চাৰিমহলীয়া ভৱন ক্ৰয় কৰিছে।

**বিষয়ঃ দুই টকা হাৰৰ চাউল।**

শ্ৰীযতীন মালীয়ে সুধিছে ঃ

৮৬ মাননীয় খাদ্য আৰু অসামৰিক যোগান বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) চৰকাৰী আঁচনিমতে প্ৰতি কেঃ জিত দুটকা হাৰৰ চাউল বৰ্তমান অসমৰ কোন কোন ঠাইত বিতৰণ কৰিলে আৰু কিমান জনসংখ্যাৰ মাজত কৰিলে?

(তথ্য আৰু তালিকা সদনৰ মজিয়াত দাখিল কৰিব।)

(খ) এনে দুই টকা মূল্যৰ চাউল পলাশবাৰীৰ সমষ্টিৰ কিমানজন লোকৰ মাজত বিতৰণ কৰিলে আৰু

কোন কোন অঞ্চলত কৰিলে?

(গ) দুই টকা কেজি চাউল বিতৰণৰ প্ৰক্ৰিয়া কি?

ডাঃ অৰ্ধেন্দু কুমাৰ দে (মন্ত্ৰী)য়ে উত্তৰ দিছেঃ

(ক) প্ৰতি কেজি দুটকা হাৰৰ চাউল বিতৰণ আঁচনি কাৰ্য্যকৰী কৰণাৰ্থে ১৯৯১ চনৰ ২ অক্টোবৰৰ পৰা অসমৰ নগৰাঞ্চলৰ ৫১৫৯ টা পৰিয়ালক উক্ত ৰেহাই মূল্যৰ চাউল যোগান ধৰা হৈছে। তাৰোপৰি ১৯৯১ চনৰ ফেব্ৰুৱাৰী মাহত গ্ৰাম্যঞ্চলৰ ১,২৬,০০০ টা দৰিদ্ৰ সীমাৰেখাৰ তলত বসবাস কৰা অতি দুখীয়া পৰিয়ালক দুই টকা মূল্যৰ চাউলৰ যোগান ধৰিবলৈ উক্ত আঁচনিত অন্তৰ্ভূক্ত কৰা হৈছে। মহকুমা ভিত্তিক তালিকা লগত দিয়া হ'ল। (See the Annexure V)

(খ) পলাশবাৰী সমষ্টিৰ ৬৮ খন গাঁৱত দাৰিদ্ৰ সীমাৰেখাৰ তলত বাস কৰা মুঠ ১১৬৭ টা পৰিয়ালক মুঠ ২৯১.৭৫ কুইন্টল চাউল প্ৰতি কিলোত দুই টকা দামত বিতৰণ কৰা হৈছে। (উক্ত ৬৮ খন গাঁৱৰ তালিকা এখন লগত দিয়া হ'ল)

(See the Annexure VI)

(গ) এই চাউল চহৰ অঞ্চলত সুলভ মূল্যৰ দোকানৰ জৰিয়তে আৰু গাওঁ অঞ্চলত গাওঁ পঞ্চায়ত সমবায় সমিতিৰ জৰিয়তে বিতৰণ কৰা হয়।

যি পৰিয়ালৰ বছৰি আয় ৬৪০০ টকাৰ তলত তেনে পৰিয়ালকহে কেজি দুই টকা মূল্যৰ চাউল যোগান ধৰা হয়।

**বিষয়ঃ জলসিঞ্চন আঁচনি।**

শ্ৰীচন্দন কুমাৰ সৰকাৰে সুধিছেঃ

৮৭ মাননীয় খাদ্য আৰু অসামৰিক যোগান বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) অসমত বৰ্তমান কিমান খন জিলাত জলসিঞ্চনৰ আঁচনি ৰূপায়ণ কৰা হৈছে আৰু আঁচনি সক্ৰিয় হৈ আছে?

(খ) অসমত সৰ্বমুঠ কিমানটা জলসিঞ্চনৰ আঁচনি আধৰুৱা কাম হৈ বন্ধ আছে আৰু কেতিয়া উক্ত আঁচনিবোৰৰ কাম শেষ হব?

(গ) বঙ্গাইগাওঁ জিলাত সৰ্বমুঠ কিমানটা জলসিঞ্চন আঁচনিৰ কাম শেষ হৈ চালু হৈছে আৰু কিমানটা সক্ৰিয় হোৱা নাই?

(ঘ) যদি হোৱা নাই কেতিয়া কাম শেষ হৈ চালু কৰিব?

শ্ৰীজেহিৰুল ইচলাম (মন্ত্ৰী)য়ে উত্তৰ দিছেঃ

(ক) অসমৰ সকলো জিলাতে জলসিঞ্চনৰ আঁচনি ৰূপায়ণ কৰা হৈছে আৰু বৰ্তমানে সকলো জিলাতে প্ৰায়বোৰ জলসিঞ্চন আঁচনি সক্ৰিয় হৈ আছে।

(খ) অসমত সৰ্বমুঠ ২২ খন জলসিঞ্চন আঁচনিৰ আধৰুৱা কাম হৈ স্থগিত হৈ আছে। স্থগিত হোৱা বিবিধ কাৰণ সমূহ দূৰীকৰণ হোৱাৰ পাচত পৰ্যায়ক্ৰমে সমাপ্ত হোৱাৰ আশা আছে।

(গ) বঙ্গাইগাওঁ জিলাত সৰ্বমুঠ ১৯ খন আঁচনিৰ কাম সম্পূৰ্ণ হৈছে, তাৰ ভিতৰত ১৪ খন আঁচনি সক্ৰিয় হৈ আছে।

(ঘ) সক্ৰিয় হৈ থকা চাৰিখন আঁচনিৰ পাম্পচেট, বৈদ্যুতিক তাঁৰ, মটৰ ইত্যাদি চুৰি হোৱাৰ কাৰণে আংচনিবোৰ চালু কৰিব পৰা নাই। এখন আঁচনি নদীয়ে গতি সলনি কৰাৰ বাবে চালু কৰিব পৰা নাই। আৱশ্যকীয় ধনৰ আবন্টন পালে এই চাৰিখন আঁচনি সক্ৰিয় কৰাৰ ব্যৱস্থা লব পৰা যাব।

(Unstarred Question No. 88 was deferred)

**Re : Fishery Project in Pahugarh.**

Shri Promode Gogoi asked :

89. Will the Minister, Fisheries be pleased to state :

(a) Whether the Government sanctioned funds for construction and development of Fishery Projects in Pahugarh in the Sibsagar District?

(b) If so, the funds sanctioned from 1982-91 and its progress?

(c) Whether the public have brought any allegations against the functioning of Fishery Deptt. in the Sibsagar District?

Shri Silvius Condpan (Minister) replied :

(a) Government sanctioned fund from time to time for taking up various schemes and works in the Pahugarh Fish Farm.

(b) Fund sanctioned during 1985-91 is Rs. 4,85,100/- out of which Rs. 4,58,090/- already spent in completing 100% of all works reports relating to the period 1982-1985 being called for since not readily available.

(c) No record available.

**বিষয়ঃ ভূমি উপদেষ্টা পৰিষদ গঠন।**

শ্ৰীজয়নাথ শৰ্মায়ে সুধিছেঃ

৯০। মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) মঙ্গলদৈ আৰু ওদালগুৰি মহকুমাত ভূমি উপদেষ্টা পৰিষদ গঠন কৰা হ'ল নে আৰু যদি হৈছে তেন্তে তাত কোন কোন সদস্য আছে?

(খ) উক্ত পৰিষদ দুখনৰ সভা অনুষ্ঠিত হৈছে নে আৰু যদি হৈছে বিতং কাৰ্য্য বিৱৰণী সদনৰ মেজত দাখিল কৰে যেন?

(গ) মঙ্গলদৈ ভূমি উপদেষ্টা পৰিষদত মৌজাদাৰ এজনকো সদস্য কৰি দিয়াটো সঁচানে?

শ্ৰীমুকুট শৰ্মা (মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) গঠন কৰা হৈছে। সদস্যৰ নামৰ তালিকা লগত দিয়া হ'ল।
(See the Annexure VII)

(খ) মঙ্গলদৈ আৰু ওদালগুৰি ভূমি উপদেষ্টা পৰিষদৰ সভাখন এতিয়ালৈ অনুষ্ঠিত হোৱা নাই।

(গ) সঁচা।

বিষয়ঃ নিবনুৱা ভাট্টা।

শ্ৰীজয়নাথ শৰ্মায়ে সুধিছেঃ

৯১। মাননীয় নিয়োগ বিভাগৰ মন্ত্ৰী অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমত নিবনুৱা ভাট্টা কিমান লোকক দিয়া হৈছে?
(উক্ত প্ৰথা আৰম্ভ কৰা দিনৰ পৰা)

(খ) অসমত কিমানজন বিজ্ঞান স্নাতক, কলা স্নাতক, ইঞ্জিনিয়াৰিং স্নাতক, ইঞ্জিনিয়াৰিং ডিগ্ৰীধাৰী, মেডিকেল স্নাতক, স্নাতকোত্তৰ ডিগ্ৰীধাৰী আৰু অন্যান্য কাৰিকৰী ডিগ্ৰীধাৰী নিবনুৱা হৈ আছে?

(গ) কাৰিকৰী ডিপ্লোমাধাৰী বা চাৰ্টিফিকেট হল্‌দাৰ নিবনুৱা কিমান আছে?

শ্ৰীচিলভিউছ কন্দপান (মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) ১৯৮৩ চনৰ আগষ্ট মাহৰ ১৫ তাৰিখৰ পৰা ১৯৯১ চনৰ চেপ্তেম্বৰ মাহলৈকে পৰ্য্যায়ক্ৰমে মুঠ ৮৬,৩৩৪ জন নিবনুৱা স্নাতকক নিবনুৱা ভাট্টা দিয়া হৈছে।

(খ) নিয়োগ বিনিময় কেন্দ্ৰ সমূহত পঞ্জীভূক্ত কৰা নিবনুৱা স্নাতক, ইঞ্জিনিয়াৰিং ডিগ্ৰীধাৰী আদিৰ সংখ্যা ১৯৯১ চনৰ ডিচেম্বৰ মাহলৈকে এনে ধৰণৰ ঃ—

১। বিজ্ঞান স্নাতক ২৪২১৩ জন
২। কলা স্নাতক · ৪৭২৮০ জন
৩। বাণিজ্য স্নাতক ৮১৩১ জন
৪। ইঞ্জিনিয়াৰিং স্নাতক ১৯৮০ জন
৫। মেডিকেল স্নাতক ১১৮ জন
৬। স্নাতকোত্তৰ ডিগ্ৰীধাৰী ৪২২২ জন
৭। মেডিকেল স্নাতকোত্তৰ ৯ জন

(গ) কাৰিকৰী ডিপ্লোমাধাৰী বা চাৰ্টিফিকেট হল্ডাৰ নিবনুৱাৰ সংখ্যা ১৯৯১ চনৰ ডিচেম্বৰ মাহলৈকে এনেধৰণৰ ঃ—

১। ডিপ্লোমাধাৰী ৬৫৭২ জন
২। চাৰ্টিফিকেট হল্ডাৰ ১৫১৭৪ জন

Mr. Speaker : I have received 4 Zero Hour Notices, out of which I have selected 3. Now, I call upon Shri Dilip Kumar Saikia to raise the

matter.

* শ্ৰীদিলীপ কুমাৰ শইকীয়া ঃ মাননীয় অধ্যক্ষ মহোদয়, মই এটা বিষয়ত দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো— বিষয়টো হৈছে ১১ মাৰ্চ তাৰিখৰ "অগ্ৰদূত" বাতৰি কাকতত এটা বাতৰি ওলাইছে "বল পূৰ্বক ধন সংগ্ৰহ অভিযান"। ৰাজ্যখনত শেহতীয়াভাৱে আলফাৰ দ্বাৰা সংঘটিত সকলো ধৰণৰ হিংসা কাৰ্য্য বন্ধ হোৱাৰ পিচত বিভিন্ন অঞ্চলত কেতবোৰ নতুনকৈ জন্ম লাভ কৰা সশস্ত্ৰ গোটে বলপূৰ্বক ধন সংগ্ৰহত লিপ্ত হৈ পৰা বুলি ৰাজ্য চৰকাৰৰ সূত্ৰৰ পৰা জানিব পৰা গৈছে।

সূত্ৰটোৰ মতে শেহতীয়াভাৱে নগাওঁ চহৰত গণদাবী পৰিষদ নামৰ এক নতুন সশস্ত্ৰ গোটৰ জন্ম হৈছে। মঃ ৰাজু নামৰ লোক এজনৰ নেতৃত্বত গঠিত এই সংগঠনটোৱে ৰিভলভাৰ আৰু পিষ্টল দেখুৱাই নগাওঁ, হোজাই, মৰিগাওঁ আৰু তেজপুৰৰ পৰা বলপূৰ্বকভাৱে ইতিমধ্যে চাৰি লাখৰো অধিক পৰিমাণৰ টকা সংগ্ৰহ কৰা বুলি প্ৰতিবেদনত প্ৰকাশ। মাননীয় মুখ্য মন্ত্ৰী মহোদয়ৰ পৰা মই জানিব বিচাৰিছো এই গণদাবী পৰিষদ সংগঠনটো কেনে ধৰণৰ। ইয়াৰ পৰিসৰ কিমান। সেই ৰাজু নামৰ মানুহজনক গ্ৰেপ্তাৰ কৰা হৈছে নে নাই। ইয়াৰ এটা স্পষ্টীকৰণ দিব লাগে।

* শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্য মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, এই বিষয়টো তদন্ত কৰিবলৈ দিয়া হৈছে কিন্তু ৰিপোৰ্ট এতিয়াও আহি পোৱা নাই। আহিলে সদনত পেচ কৰা হ'ব।

* শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মুখ্য মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো আজি কিছুদিন ধৰি পইচা সংগ্ৰহৰ অভিযান চলি আছে। মাননীয় মন্ত্ৰী মহোদয় এই বিষয়ে অবগত নেকি?

* শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্য মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, তেনেকুৱা দুই এটা ৰিপোৰ্ট পোৱা হৈছে আৰু এই বিষয়ে অনুসন্ধান কৰিবলৈ দিয়া হৈছে।

Mr. Speaker : I have received another Zero Hour Notice from Shri Sasha Kamal Handique. I call upon Shri Sasha Kamal Handique to raise the matter.

* শ্ৰীশশ কমল সন্দিকৈ ঃ মাননীয় অধ্যক্ষ মহোদয়, যোৱা কালি ১১ তাৰিখৰ দৈনিক কাকতত এটা খবৰ ওলাইছে চাব-চেন্টাৰত থকা চিকিৎসকসকলৰ কাৰণে দৰমহা বৃদ্ধিৰ ক্ষেত্ৰত এটা ফাইল ১৬ মাহ ধৰি ঘূৰি আছে। প্ৰথমে ৪০০,০০ টকাৰ পৰা বৃদ্ধি কৰিবলৈ লৈছিল। পিচত ১৯৮৮ চনৰ পৰা ১৬০০,০০ টকাৰ পৰা বৃদ্ধি কৰিবলৈ সচিবক জনাইছিল। ৪০০,০০ টকা দৰমহা পোৱা সকলক অসম চৰকাৰে এইটো প্ৰমাণ কৰি দেখুৱাইছে। কেৱল আয়ুৰ্বেদিক বিভাগে নহয় বাইজৰ গুৰুত্বপূৰ্ণ কাম-কাজ কৰিবলৈ ১৬ ৰ পৰা ২০ বছৰ পৰ্য্যন্ত লাগে। সেইকাৰণে মই মুখ্য মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো যে ৰাজ্যখনৰ কোনো ধৰণৰ কামতে মেৰপাক থাকিব নালাগে। এই ফাইলেই নহয় অন্য কাম-কাজৰ ক্ষেত্ৰতো আসোৱাহবিলাক আঁতৰাবলৈ প্ৰশাসনে কিবা ব্যৱস্থা ল'ব নেকি?

** Speech not corrected*

* শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্য মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, ফাইলটোৰ বিষয়ে মই নাজানো। তথাপি মাননীয় সদস্য গৰাকীয়ে উত্থাপন কৰা বিষয়টো সোনকালে নিষ্পত্তি কৰিবলৈ বিভাগক নিৰ্দেশ দিয়া হব।

Mr. Speaker : I have received another Zero Hour Notice jointly from the Hon'ble Members, Sarvashri Hitendra Nath Goswami, Gohin Chandra Das and Binod Gowala on 11.3.92 on a news item published in 'Dainik Janambhumi' dated 8.3.92 under the caption. 'সাক্ষাৎকাৰ পূৰ্বেই নিযুক্তি পালে।'

Now Shri Hitendra Nath Goswami.

* শ্ৰীহিতেন্দ্ৰ নাথ গোস্বামী ঃ মাননীয় অধ্যক্ষ মহোদয়, মই চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো যে চৰকাৰে ৫৩ হাজাৰ দুশ জনক চাকৰি দিয়াৰ যি নীতি লৈছিল তাৰে এহেজাৰ জন লোকক নিযুক্তি দিয়াৰ কথা আমি ডিচেম্বৰ মাহত শুনিছিলো। দৈনিক জনমভূমি কাকতত প্ৰকাশিত শীৰ্ষক বাতৰি 'সাক্ষাৎকাৰৰ পূৰ্বে ই নিযুক্তি পালে 'বাতৰিত উল্লেখ কৰা বন বিভাগৰ ফৰেষ্টৰ গ্ৰেড ওৱান পদৰ বাবে অলপতে ৰাজ্যখনৰ বিভিন্ন ঠাইত অনুষ্ঠিত শাৰীৰিক পৰীক্ষাৰ নামত যে আচলতে এক ভেকো ভাওনাহে অনুস্থিত হ'ল এই বিষয়ে এই কাকতত ইতিমধ্যে প্ৰকাশিত বাতৰিৰ সন্দৰ্ভত বন বিভাগৰ সংশ্লিষ্ট কৰ্তৃপক্ষ বা কৰ্ত্তৃত্বশীল বিষয়াই আজি পৰ্য্যন্ত কোনো স্পষ্টীকৰণ দিয়া নাই। শাৰীৰিক পৰীক্ষা বা আন কোনো ধৰণৰ সাক্ষাৎকাৰ নিদিয়াকৈ কিছুমান যুৱকে ইতিমধ্যে উক্ত পদত পিছ দুৱাৰেদি নিযুক্তি পোৱা বুলি আমালৈ অভিযোগ আহিছে। তেনে এটা অভিযোগ মতে শাৰিৰীক পৰীক্ষা নিদিয়াকৈ এজন যুৱকক যোৰা তিনি মাৰ্চত আমগুৰি ২ নং ৰেঞ্জাৰ গৰাকীয়ে ন-কছাৰীত উল্লেখিত পদত নিযুক্তি দিয়ে। যুৱকজনৰ মতে তেওঁৰ এডমিট কাৰ্ডৰ নম্বৰ আছিল ১০০১২ । কিন্তু আজি দিনৰ ১১ বজাৰ পৰা হব লগা লিখিত পৰীক্ষাত বহিবলৈ যোগ্য বুলি শিৱসাগৰৰ বনসংমণ্ডলৰ 'যোৰহাট' সংমণ্ডলক বিষয়া জনে ২৯ ফেব্ৰুৱাৰীত যি বিজ্ঞাপন দিছে তাত উক্ত নম্বৰটো নাই। প্ৰাপ্ত অভিযোগ মতে যুৱক জনক থাকিবৰ বাবে কোৱাটাৰো দিয়া হৈছে। তেওঁ পূৰ্বৰে পৰা কাম কৰি থকা বন বিভাগৰ দৰে এটা গুৰুত্বপূৰ্ণ বিভাগত এনেদৰে অযোগ্য প্ৰাৰ্থীক নিযুক্তি দি উক্ত বিভাগৰ বিষয়াই বন বিভাগৰ কি উন্নতি সাধন কৰিব বুলি অভিযোগকাৰীসকলে দেখুৱাইছে। মাননীয় মন্ত্ৰী মহোদয়ে এই বিষয়টো অনুসন্ধান কৰি যদি সেই প্ৰাৰ্থীজন উপযুক্ত নহয় তেতিয়াহ'লে নিয়োগকাৰীক শাস্তি দিয়াৰ লগতে প্ৰাৰ্থী গৰাকীৰ নিযুক্তিৰ পৰা বাতি ল কৰা হব নে?

* শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্য মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীয়ে উল্লেখ কৰা বিষয়টো চাব লাগিব। সঁচাকৈ যদি অনিয়ম হৈছে বাতিল কৰা হব।

* শ্ৰীহিতেন্দ্ৰ নাথ গোস্বামী ঃ অধ্যক্ষ মহোদয়ে যদি নিয়োগ হৈছে তেওঁ বাতিল হব নে মই জানিব বিচাৰো।

---

* *Speech not corrected*

* শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্য মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয় নিয়োগ বাতিল হব যদি অনিয়ম ভাবে দিয়া হৈছে।

## Adjournment Motion

Mr. Speaker : I have received a notice of adjournment motion tabled by Hon'ble Members, Shri Samarendra Nath Sen, Shri Mission Ranjan Das and Shri Kaliranjan Deb about derecognition of Silchar Medical College.

Shri Samarendra Nath Sen : Sir, I move this motion on a very painful circumstances, reason is this that the Silchar Medical College is going to be de-recognished by I.M.C. for deficiency of the various norms. Silchar Medical College was established in 1966 and after its establishment the signboard was at Guwahati and it functions from Guwahati and thought it was shifted to Silchar. But till today, it is surprising that in this Medical College there is no college building, no lecture hall, no auditorium. Sir, your honour would be astonished to hear as because there is no lecture hall and auditorium Classes are taken in College Hostel. There are 162 sanctioned teaching post and only out of this 112 teaching staff are there. Previously there was 50 students admitted and atpresent 65 students are admitted and this teaching posts are below the norms of the Medical Council of India. And more over Sir, one Assistant Metron against 16 sanctioned post, 26 Ward Sisters out of 117 sanctioned post. And again, out of 92 sanctioned posts, 82 are working. Another point Sir, there is no Secretary in this Medical College for last four years. One Secretary is there, he stays at Guwahati Medical College. What is more surprising Sir, there is no permanent Principal in Silchar Medical College. One acting Principal is there and whenever any appointment is made for Principal there, he or she does not go there and want to stay at Guwahati. Another thing in Cachar prone area Barak Valley but there is no concern detection mechinery for diagnosis of Cachar which is absolutely necessary for the patients in Cachar.

* *Speech not corrected*

There is no blood bank. And more over Sir, teaching staff so appointed or transferred here from Guwahati they do not go to Silchar Medical College with one plea or the other. IMC has suggested that unless these are improved within six months, Silchar Medical College would be derecognised. Sir, I heard the Hon'ble Chief Minister had convened a meeting on last 29th February here with the teaching staff of Silchar Medical College and the Students. Government has got no machinery or anything to solve this problem within this six months and so Sir, SMC would be derecognised within six months. This is very regretable that students started movement when they do not get seat in the Silchar Medical College. Our Hon'ble Chief Minister had assured that the seats would be increased what is surprising seats are increased in SMC and GMC by 20 but in fact the seat could bot be increased in Silchar so Sir, this motion is of very much of public importance and therefore Sir, today there is no other motion and as the motion is very important and hearttouching, I request you to adjourn the house and discuss the matter.

Mr. Speaker : Hon'ble Member Shri Mission Ranjan Das.

Shri Mission Ranjan Das : Hon'ble Speaker Sir, that one of the three Medical Colleges in Assam, like Silchar Medical College is going to be derecognised. Sir, why this house is not adjourned to discuss on this matter which is a very urgent matter because students in Assam are not getting seats in Medical Colleges due to shortage of seats. This house must discuss this serious matter and find out who is responsible for this derecognisation of this Medical College. Sir, this Medical College was established in 1968 and in 1992 why this established college is going to be derecognised by the Indian Medical Council. There is no any adjourment motion in this House today, it is the only motion in this House, Sir, regarding this motion, there should not be any other motion for discussion today in this House. This is a specific matter, definite matter and of urgent public importance. The people of our valley are expecting something from us that our representative from

that area are speaking in favour of this medical college. It is a very important matteer, I urge the Hon'ble Speaker to allow our motion and this House to be adjourn for discussion on this urgent, important public matter.

* শ্ৰীচন্দ্ৰ মোহন পাটোৱাৰীঃ মাননীয় অধ্যক্ষ মহোদয়, আজি এই সদনত যিটো সভাস্থগিত প্ৰস্তাৱৰ বিষয়ে আলোচনা কৰা হৈছে, এই বিষয়টো সাধাৰণ বিষয় নহয়, ই এটা সাংঘাটিক গুৰুত্বপূৰ্ণ বিষয় কিয়নো যিসকল ছাত্ৰ-ছাত্ৰীয়ে এই শিলচৰ মেডিকেল কলেজত ফাৰ্ষ্ট এম, বি, বি, এচৰ পৰা পঞ্চম এম, বি, বি, এচলৈ পঢ়ি আছে সেইসকল ছাত্ৰ-ছাত্ৰী দিচকোৱালিফাই হৈ যাব যদিহে আই, এম, চিয়ে শিলচৰ মেডিকেল কলেজ ডিৰিকোগনাইজ কৰে। ইয়াত এটা ইন্টাৰেষ্টিং ব্যৱস্থা হৈছে সেইটো হ'ল শিলচৰ মেডিকেল কলেজৰ শিক্ষকৰ ট্ৰেন্সফাৰৰ প্ৰশ্ন যেতিয়া আহে তেতিয়া শিক্ষক জনক ট্ৰেন্সফাৰ কৰাৰ ঠাইত পোষ্টটোকে লৈ আনে । এই বিষয়ে চৰকাৰে নিশ্চয় জানে কিন্তু এই ক্ষেত্ৰত চৰকাৰৰ ফালৰ পৰা যি খিনি গুৰুত্ব দিব লাগিছিল সেইখিনি দিয়া নাই। শিলচৰ মেডিকেল কলেজত শিক্ষক আৰু ছাত্ৰৰ যিটো ৰেচিও হব লাগে সেইমতে হোৱা নাই। সেই কাৰণেই এই বিষয়টোৰ প্ৰতি মই চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো। মই নিজে দেখিছো শিলচৰ মেডিকেল কলেজত এনাটমী ডিপাৰ্টমেন্টৰ তলত ফাৰ্ষ্ট ফ্ল'ৰত আছে সেইটো ছাত্ৰবাস হিচাবে ব্যৱহাৰ কৰা হৈছে, মই যেতিয়া স্বাস্থ্য বিভাগৰ মন্ত্ৰী আছিলো তাত গৈ মই নিজে দেখিছো আৰু তেতিয়াৰ সময়ত তাত তিনি কৌটি টকা অনুমোদন জনোৱাও হৈছিল।

মুখ্য মন্ত্ৰী ডাঙৰীয়াই প্ৰতি দিনে কেন্সাৰ ৰোগৰ সাহাস্যৰ কাৰণে কিমান লাখ টকা দিব লগা হয় তাৰ হিচাব নাই। কেন্সাৰ চিকিৎসাৰ কাৰণে দীপ এক্স-ৰে মেচিন ১৫ বছৰ আগতে বহাইছিল আৰু বহুৱাৰ দিনৰ পৰা বন্ধ ৰখা হৈ আছে। তাৰোপৰি জনাওঁ যে শিলচৰ মেডিকেল কলেজৰ প্ৰতি অমনোযোগীতা দেখুৱাইছে। প্ৰমাণ হিচাপে জনাইছো যে এই কেন্সাৰ ৰোগৰ প্ৰাথমিক চিকিৎসাৰ বাবে কবাল্ট থেৰাপি মেচিনৰ বাবদ ৪ কোটি টকা পৰি আছে। মেচিনটো কিয় নিকিনে নাজানো। যোৱা বাৰ ডাঃ কমলা কলিতাক লাগি লাগি তিনিটা মেচিনৰ পইচা ঠিক কৰি ডিব্ৰুগড়ত অনা হ'ল। এই বিষয়টোৰ প্ৰতি দৃষ্টি আকৰ্ষণ কৰিলো। শিলচৰ মেডিকেল কলেজৰ বাবে কবাল্ট মেচিনৰ ৪ কোটি টকা দিল্লীত পৰি আছে। এই মেচিন নিকিনাৰ বাবে এটা পাৰ্টচৰ অভাৱ হয় আৰু বেলেন্স হোৱা নাই। তাৰোপৰি শিলচৰ মেডিকেল কলেজৰ সহকাৰী অধ্যাপক এ. কে. শৰ্ম্মা ই এন টি বিভাগ, গুৱাহাটীত থাকি চিকিৎসা চলাই থাকে। তেওঁৰ ১৯৮৯-১৯৯০ চনৰ প্ৰেচক্ৰিপচন লাগিলে মই দিব পাৰো। তেওঁ গণেশগুৰীত প্ৰাইভেট প্ৰেকটিচ কৰি আছে। এই চৰকাৰে তেওঁক এতিয়া ইয়ালৈ আনি দিছে। সমালোচনা কৰি লাগে কাৰণে সমালোচনা কৰিছো এই কথাটো নহয়। আচল কথা বিলাক উপলব্ধি কৰিব লাগে। চৰকাৰে এটা অৰ্ডাৰত দি -ৰিকগনিচন ৰোধ কৰিব পাৰে তাক চাব লাগে। অসমৰ ৰাইজৰ স্বাৰ্থত, ছাত্ৰ-ছাত্ৰীৰ স্বাৰ্থত, বৰাকতেলীৰ ৰাইজৰ স্বাৰ্থত এই সভাস্থগিত প্ৰস্তাৱটো আলোচনা কৰিব দিব লাগে। ডি-ৰিকগনিচন হ'লে মান সন্মান যাব চাব, খাতিৰত সভাস্থগিত প্ৰস্তাৱো আলোচনাত সন্মতি প্ৰদান কৰিব লাগে।

---

** Speech not corrected*

* শ্রীজয় নাথ শৰ্ম্মা ঃ মাননীয় অধ্যক্ষ মহোদয়, মই দুটা পইন্ট কব খুজিছো। সংসদী পৰিক্ৰমা মন্ত্ৰীয়ে হেমেন দাসৰ প্ৰস্তাৱত বহু দিন কৈছে। গোটেই বিষটো আলোচনা হলে চৰকাৰক সহায়হে কৰিব। বিষয়টো পাব্লিক ইম্পৰটেন্স, এদমিচিবিলিটি আছে। অল ইণ্ডিয়া মেডিকেল কাউন্সিলে দ্বি-ৰিকগনিচন কৰিব বিচাৰিছে। এই ভাবুকি সন্দৰ্ভত আলোচনা কৰিলে চৰকাৰক সহায় কৰা হব। আমি বিৰোধী পক্ষই প্ৰস্তাৱটো আনিছো কাৰণে ৰুল আউট কৰিব নালাগে। বিষয়টো চিৰিয়াচ। দ্বি-ৰিকগনিচন সম্পৰ্কত ৰাজ্য চৰকাৰে লিখাৰ বাহিৰে অন্য কৰিব নোৱাৰে। যি যি কাৰণত দি-ৰিকগনিচনৰ প্ৰস্তাৱ আহিছে, এই কণ্ডিচন কেইটা ফুলফিল কৰিলে দি-ৰিকগনিচন নকৰিব পাৰে। দি-ৰিকগনিচন হোৱাৰ লগে লগে যিটো স্পিৰিটত মেডিকেল কলেজখন কৰা হৈছিল, সেই স্পিৰিটটো নাইকীয়া হৈ যাব। লগে লগে ৰাজ্যখনৰ সন্মানৰ কথা আহিব। গতিকে চৰকাৰৰ প্ৰেচটিচ হিচাবে ধৰি নলৈ ৰাইজৰ স্বাৰ্থৰ কাৰণে, বিষয়টোৰ গুৰুত্ব উপলব্ধি কৰি চৰকাৰে পজিচন ভাল কৰাৰ কাৰণে এই প্ৰস্তাৱটো আলোচনা কৰিব লাগে। একেটা দলৰ চৰকাৰ ইয়াত আছে আৰু চেণ্ট্ৰেলত আছে। গতিকে নীতিগতভাৱে কিছু অসুবিধা আছে। গতিকে এই আলোচনাৰ দ্বাৰা আপোনালোকক সহায় কৰা হব। এই সুবিধা আমাৰ পৰা লওক। সভাস্থগিত প্ৰস্তাৱৰ আলোচনাৰ কাৰ্য্য বিৱৰণী অল ইণ্ডিয়া মেডিকেল কাউন্সিললৈ অসমীয়া খিনি ইংৰাজীলৈ অনুবাদ কৰি পঠাই দিয়ক।

This will be threat to the All India Medical Council. Sentiments of the people of Assam will be reflected in procedings of the House let us have a discussion in details.

...সেই কাৰণে মই ভাবো বিষয়টোৰ গুৰুত্ব উপলব্ধি কৰি ৰাজ্যখনৰ স্বাৰ্থৰ হকে আৰু চৰকাৰৰ হাত সবল কৰাৰ কাৰণে সভা স্থগিত প্ৰস্তাৱটো আলোচনা কৰা ভাল। ইয়াৰ লগত সমূহীয়া স্বাৰ্থ জড়িত হৈ আছে। সমূহ ৰাইজৰ স্বাৰ্থৰ প্ৰতি লক্ষ্য ৰাখি বিষয়টো এদিন আলোচনা কৰিলে একো বেয়া নহয়। মই আশা কৰো বিষয়টো এদিন আলোচনা কৰিলে একো বেয়া নহয়। মই আশা কৰো বিষয়টোত সভা স্থগিত প্ৰস্তাৱ গ্ৰহণ কৰি আমাক আলোচনাৰ সুবিধা দিয়ক। ইয়াৰ লগে লগে দি-ৰিকগনিচনৰ যি থ্ৰেট দি আছে সেইটো দিব নোৱাৰিব। দি-ৰিকগনিচন হলে ৰাজ্যখনৰ বাবে লজ্জাজনক কথা হব। দি-ৰিকগনিচন হলে বিৰোধী পক্ষৰ কোনো সন্মান হানি নহয়। শাসক দলৰ স্বাৰ্থ ৰক্ষাৰ কাৰণে সন্মান ৰক্ষাৰ কাৰণে সভাস্থগিত প্ৰস্তাৱ আলোচনা কৰিবলৈ অনুৰোধ জনালো।

* শ্ৰীবদন বৰুৱা ঃ অধ্যক্ষ মহোদয়, শিলচৰ মেডিকেল কলেজক অৱহেলা কৰি আছে। পেথলজিৰ এজনক চৰকাৰৰ লগত ভালবাসা থকাৰ কাৰণে ডিব্ৰুগড়লৈ পঠাইছে। এতিয়া শিলচৰ মেডিকেল কলেজত পেথলজিৰ মানুহ নাই। মই এইখিনি জানি কৈছো।

* দেৱান জয়নাল আবেদিন ঃ অধ্যক্ষ মহোদয়, এই প্ৰস্তাৱটো গ্ৰহণ কৰাৰ কথা মাননীয় সদস্যসকলে কৈছে। আজি এনেকুৱা এটা পৰিস্থিতি আহিছে যাৰ কাৰণে শিলচৰ মেডিকেল কলেজখন দি-ৰিকগনিচন কৰিব লগা হৈছে। এইটো কথা আজি কিছু দিনৰ পৰা নিশ্চয় আহিব লাগিব। অসম

---

* *Speech not corrected*

চৰকাৰে বৰাকভেলীৰ জনসাধাৰণৰ প্ৰতি কল্যাণমূলক মানসিকতো পোষণ কৰাটো উপলব্ধি কৰিবলৈ পাইছো। আগৰ কংগ্ৰেছ চৰকাৰ হওক, এজিপি চৰকাৰ হওক, আজিৰ কংগ্ৰেছ চৰকাৰ হওক, একে দিনাই এই অৱস্থা হোৱা নাই। অসমখনত এনেকুৱা জটিল সমস্যা আছে যাৰ কাৰণে খণ্ড বিখণ্ড কৰাৰ সম্ভাৱনাই দেখা দিছে। গতিকে আমি তেনে ধৰণৰ কাম কৰিব নালাগে। Barak Valley is a very much integral part of Assam. বৰাক ভেলীক এই কথাটো বুজিবলৈ দিব লাগিব। বৈমাতৃক আচৰণৰ পৰা বৰাকভেলীত এচামৰ এই অৱস্থাৰ সৃষ্টি হৈছে। ছাত্ৰ সংখ্য বাঢ়ি আছে, পশ্চিম অসমত মেডিকেল কলেজৰ দাবী আছে, এনে অৱস্থাত মেডিকেল কলেজ দি-ৰিকগনিচন কৰিবলৈ লোৱাটো দুখৰ কথা। গতিকে সভাস্থগিত প্ৰস্তাৱটো গ্ৰহণ কৰিবলৈ অনুৰোধ জনাইছো। মুখ্যমন্ত্ৰী মহোদয়ে আশ্বাস দিছে। আশ্বাস দিয়াতোই যথেষ্ট নহয়। মেডিকেল কলেজৰ প্ৰতি সুবিচাৰ কৰিব লাগে যাতে সম্পূৰ্ণ বৰাকভেলীৰ মানুহৰ মনত আস্থা আহে। অসম চৰকাৰৰ শুভেচ্ছাৰ ওপৰত এইটো নিৰ্ভৰ কৰিছে।

Shri Parameswar Brahma : Mr. Speaker Sir, the news of derecognition of Silchar Medical College that has come before the House in the form of an Adjourment Motion is shocking to the people of Assam. It is not secret that for every medical college and such other things the people of Assam has to do 1aunch a relentless fight with the Centre. Actually it is curse to the suffering people of Assam and, therefore, I would endorse this Adjournment Motion and request you, Sir, to allow a full debate on it as it is a matter of urgent public importance.

Mr. Speaker : Mr. Kali Ranjan Dev, please.

* শ্ৰীকালিৰঞ্জন দেৱ ঃ অধ্যক্ষ মহোদয় এই শিলচৰ মেডিকেলৰ জন্ম পঙ্গু শিশুৰ দৰে হৈছে। এই কলেজৰ বাবে কোনো চৰকাৰে যত্ন লোৱা নাই। সেই কাৰণে এইটো পঙ্গু হৈয়ে আছে। কৰাণ্ট থেৰাপিৰ মেচিনটো আজি অৱহেলাৰ বাবে কিনা হোৱা নাই। যিটো এক্সৰে মেচিন আছে, সেইটোও বেয়া হৈছে। বৰাক ভেলি কেনচাৰাচ এৰিয়া। গতিকে প্ৰাইমেৰী দিটেকচন কৰিব পৰা নাযায়, যেতিয়া কেনচাৰ দিটেক্ট হয় তেতিয়া চিকিৎসাৰ অভাৱত মানুহৰ মৃত্যু হয়। তাৰোপৰি তাত ২৫২ জন এচিচটেন্ট প্ৰফেচাৰ থকা স্বত্বেও মাত্ৰ ১১২ জন মানহে আছে। সেই ডাক্তৰ সকল ইয়াত বহি প্ৰেক্টিছ কৰিছে। গতিকে এই বিষয়টো যদি বিতংভাবে আলোচনা নহয় তেনেহ'লে কোনো একচন লোৱা নহব। বৰাক ভেলিৰ ভৱিষ্যত যাতে নষ্ট নহয় তাৰ কাৰণে চাব লাগে। কাৰণ ইয়াত অকল যে বৰাক ভেলিৰ ল'ৰা-ছোৱালীয়েই পঢ়ি আছে সেইটো নহয়, সমগ্ৰ অসমৰ ল'ৰা-ছোৱালী আছে। যদি বিতং ভাবে আচোলনা কৰা নহয় তেনেহ'লে কনচাৰনিং অফিচাৰ বিলাক এলাৰ্ট নহব। সেইকাৰণে মই অনুৰোধ কৰিছো যে, এই এড্‌জনমেন্ট মোচনটো একচেপ্ত কৰিব লাগে।

---

** Speech not corrected*

* শ্ৰীনিজামুদ্দিন খান ঃ অধ্যক্ষ মহোদয়, শিলচৰ মেডিকেল কলেজ সম্পৰ্কত যিটো প্ৰস্তাৱ উত্থাপন কৰা হৈছে সেই প্ৰস্তাৱটো আলোচনাৰ বাবে গ্ৰহণ কৰিব লাগে। কিয়নো নহলে শিলচৰ মেডিকেল কলেজ দিৰিকগনাইজ কৰাৰ সম্ভাৱনা আছে। তাৰ প্ৰতিৰোধৰ কাৰণে এই সভাস্থগিত প্ৰস্তাৱটো আলোচনা কৰিবলৈ দিব লাগে। অসমত তিনিখন মেডিকেল কলেজ আছে। তাৰ পৰা যিসকল ডক্তৰ ওলাই আহিছে তেওঁলোকে অসমৰ জনসাধাৰণৰ সেৱা কৰিছে। এই তিনিখন মেডিকেল কলেজৰ ভিতৰত এখন নাইকীয়া হ'লে অসমৰ জনসাধাৰণৰ কাৰণে এক অন্ধকাৰ মাতি অনা হব। গতিকে আজিৰ এই সভাস্থগিত প্ৰস্তাৱটো আলোচনাৰ বাবে গ্ৰহণ কৰিব লাগিব। বৰাক ভেলি অসমৰ অন্তৰ্গত এটা অঞ্চল। এই অঞ্চলৰ পৰা মেডিকেল কলেজ নোহোৱা হৈ গলে বিভিন্ন দাবীৰ ভিত্তিত বিভিন্ন জনগোষ্ঠীৰ মাজত ক্ষোভে দেখা দিব। শিলচৰ মেডিকেল কলেজৰ ৰিকগনিচন কাটি দিলে জনসাধাৰণৰ মাজত বিভিন্ন মনোভাবে দেখা দিব। গতিকে এই সভাস্থগিত প্ৰস্তাৱটো গ্ৰহণ কৰি বিতংভাবে আলোচনা কৰাৰ বাবে সুবিধা দিবলৈ অনুৰোধ কৰিলো।

* শ্ৰীহিতেন্দ্ৰ নাথ গোস্বামী ঃ অধ্যক্ষ মহোদয়, যিটো সভাস্থগিত প্ৰস্তাৱ আজি মোভ কৰা হৈছে এইটো গ্ৰহণযোগ্য হব। মই মাত্ৰ এটা পইন্ট দৃষ্টি গোচৰ কৰিবলৈ বিচাৰিছো। Under Rule 57 it must be specific matter of recent occurrence ... গতিকে এই সভাস্থগিত প্ৰস্তাৱটো গ্ৰহণ কৰি বিতংভাবে আলোচনা কৰিবলৈ ৰুলিং দিব লাগে।

* শ্ৰীকৰেন্দ্ৰ বসুমতাৰী ঃ অধ্যক্ষ মহোদয়, বিভিন্ন সময়ত বিভিন্ন সংগঠনে ব্ৰহ্মপুত্ৰৰ উত্তৰপাৰে আন এখন মেডিকেল কলেজ কৰাৰ বাবে দাবী কৰি আহিছে। অসম চৰকাৰ আৰু ভাৰত চৰকাৰৰ ওচৰত। আমাৰ ওদালগুৰিতো এখন মেডিকেল কলেজ লাগে। আজিৰ এই সভাস্থগিত প্ৰস্তাৱটো যদি আলোচনাৰ বাবে গ্ৰহণ কৰা নহয় তেনেহলে এইটো জনবিৰোধী কাম হব। মই ভাবো অসম চৰকাৰে এটা ষ্ট্ৰং পদক্ষেপ লৈ শিলচৰ মেডিকেল কলেজখন বাহাল ৰাখিব লাগে আৰু সভাস্থগিত প্ৰস্তাৱটো গ্ৰহণ কৰি আলোচনাৰ বাবে দিব লাগে।

* শ্ৰীৰামেন্দ্ৰ নাৰায়ণ কলিতা ঃ অধ্যক্ষ মহোদয়, আজিৰ এই সভাস্থগিত প্ৰস্তাৱটো যি কেইগৰাকী মাননীয় সদস্যই উত্থাপন কৰিলে, সেই প্ৰস্তাৱৰ প্ৰতি পূৰ্ণ সমৰ্থন আগবঢ়াইছো। মই অনুৰোধ কৰিছো যে, কাচাৰৰ জনসাধাৰণৰ প্ৰতি লক্ষ্য ৰাখি, অসমৰ জনসাধাৰণৰ প্ৰতি লক্ষ্য ৰাখি আজি উত্থাপিত হোৱা এই সভাস্থগিত প্ৰস্তাৱটো গ্ৰহণ কৰি আলোচনাৰ মাধ্যমেৰে যাতে কংগ্ৰেছ আই দলে এটা সুস্থিৰ সিদ্ধান্ত লব পাৰে তাৰ কাৰণে অনুৰোধ জনালো। কাচাৰ আৰু ব্ৰহ্মপুত্ৰ ভেলিৰ মাজত এক মতানৈক্য আছে। গতিকে শিলচৰ মেডিকেল কলেজ দিৰিকগনাইজ কৰিবলৈ হ'লে এটা ডাঙৰ ঘটনা হব। কাচাৰৰ ৰাইজৰ মাজত এটা বিচিন্নতাবাদী মনোভাব গঢ়ি উঠিব। গতিকে এই প্ৰস্তাৱতো গ্ৰহণ কৰি আলোচনা কৰিবলৈ দিয়াৰ বাবে অনুৰোধ জনালো।

Mr. Speaker : Now Minister for Parliamentary Affairs, please.

* শ্ৰীগোলোক ৰাজবংশী (মন্ত্ৰী, সংসদী পৰিক্ৰমা) ঃ মাননীয় অধ্যক্ষ মহোদয়, মোচনটো আনিছে, এতিয়া আলোচনাৰ অনুমতি দিব লাগে— কিন্তু ইয়াৰ ওপৰত ইতিমধ্যে ভালেমান আলোচনা হ'লেই।

---

** Speech not corrected*

অনুমতিৰনো কি বাকী থাকিল ? মাননীয় অধ্যক্ষ মহোদয়, অনুমতি দিবৰ কাৰণে কিছুমান নিয়ম আছে, যুক্তি সবল হব লাগে নহলে বিৰোধিতা কৰিব। এতিয়া কথা হৈছে আই,এম,চিৰ লগত এই বিষয়টো আলোচনা কৰি সুবিধা আদায় কৰা হব নে শিলচৰ মেডিকেল কলেজৰ অসুবিধা সমূহ আলোচনা কৰিম। আই,এম, চিয়ে ৰিকগনিচন বাটিল কৰিব বুলি চিঠি দিছে। (গণ্ডগোল)

Shri Zoii Nath Sarma : The letter is issued to whom.

* শ্ৰীগোলোক ৰাজবংশী (মন্ত্ৰী, সংসদী পৰিক্ৰমা) ঃ The letter has been issued by a notification which is not under the state Government, recording this matter our Chief Minister had a discussion at Silchar with the students and staffs.

চেকেণ্ডুলি লেটাৰ এখন দিছে দ্বি-ৰিকগনাইজ কৰিব। ... আমাৰ কিবা ভয়াবহ অৱস্থা হব। চৰকাৰলৈ অভা ৰ ড্ৰাফটৰ নোচিচ ৰিজাৰ্ভ বেংকে সদায়েই দি থাকে। That does not mean that Government is going to be defunct. This is a warning. আই, এম, চিৰ পৰাও এনে ধৰণৰ চিঠি আহি থাকে। এইটো এডমিনিচবিলিটিৰ কুৰেচন হয়, কিন্তু আৰজেন্ট নহয়। লেটাৰ এখন দিছে বুলি কৈছে কিন্তু তাৰ তাৰিখটো কোৱা নাই। বিষয়োত চৰকাৰ কনচাৰ্ণ হৈছে, আলোচনা চলি আছে। So far as I know it is not a recent matter. Government is concerned and Government is thinking to ameliorate the Grievances of Students under the circumstances..........

* শ্ৰীনগেন শৰ্ম্মা ঃ মাননীয় অধ্যক্ষ মহোদয়, আমাৰ প্ৰশ্নটো হৈছে ডি-ৰিকগনিচন নোহোৱা কৰাটো।

* শ্ৰীগোলোক ৰাজবংশী (মন্ত্ৰী, সংসদী পৰিক্ৰমা) ঃ মাননীয় অধ্যক্ষ মহোদয়, আই, এম, চিৰ পৰা যিখন লেটাৰ আহিছে সেইখনত যদি এইখিনি কৰা নেযায়— There is no fact, there is no urgency and if there is no urgency it is not a fit case to be discussed.

* শ্ৰীজয় নাথ শৰ্ম্মা ঃ মাননীয় অধ্যক্ষ মহোদয়, সংসদী পৰিক্ৰমা মন্ত্ৰীয়ে হাউচত কৈছে যে আলোচনা হৈছে। আলোচনা কৰিছে শিলচৰ মেডিকেল কলেজৰ ছাত্ৰ আৰু শিক্ষকৰ লগত। কিন্তু কলেজখন দি-ৰিকগনিচন কৰিম বুলি কৈছে— অল ইণ্ডিয়া মেডিকেল কাউন্সিলে, বিষয়টো আলোচনা কৰিব লাগিব মেডিকেল কাউন্সিৰ লগতহে। চিঠিখনত কি কি কণ্ডিচন দিছে ফুলফিল কৰা নাই বুলি এইটো ইয়াত আলোচনা কৰিব লাগে। দি-ৰিকগনাইজ কিয় কৰিছে? যদি আই, এম, চিৰ পৰা দিয়া ওৱানিং লেটাৰখন পায়ো চৰকাৰে লজ্জাবোধ নকৰে বা চৰকাৰে লাজ নেপায় তেন্তে কিহত লজ্জিত হব ? এই বিষয়ে কবলৈ গ'লে আনপাৰ্লিয়ামেন্টৈৰী শব্দ ওলাব- গতিকে নকও। (গণ্ডগোল)

এতিয়া চিঠি এখন পাইছে বুলি কৈছে, এনে চিঠি আহিয়েই থাকে। তাৰমানে চৰকাৰে এনে

* *Speech not corrected*

চিঠিবোৰ থেং কুচ দিয়া চিঠি বুলি ভাবিছে নেকি?

* শ্ৰীগোলোক ৰাজবংশী (মন্ত্ৰী, সংসদী পৰিক্ৰমা) ঃ We should come to the question of admissibility if the conditions are not fulfilled..........

* শ্ৰীজয় নাথ শৰ্ম্মা ঃ মাননীয় অধ্যক্ষ মহোদয়, চিঠিখনত কি কি কণ্ডিচন লিখা আছে আমাক কব লাগে। চিঠিখন পঢ়ি দিব লাগে। ফেক্টচ নাই বুলি কৈছে — যদি চৰকাৰে চিঠিখনত থকা ফেক্টচ কনচিল কৰে তেন্তে 'ব্ৰিচ আৰু প্ৰিভিলেজ' কৰা হব। যদি সাহস আছে তেন্তে চিঠিখন পঢ়ি দিয়ক। (গণ্ডগোল)

* শ্ৰীমিশ্বন রঞ্জন দাস ঃ মাননীয় অধ্যক্ষ মহোদয়, শিলচর মেডিকেল কলেজ তার জন্মলগ্ন থেকেই ডিফেক্ট নিয়ে চলছে। মাননীয় সংসদীয় পৰিক্ৰমা মন্ত্ৰী মহোদয় বলেছেন যে এই ব্যাপারটি সরকার গুরুত্ব সহকারে বিবেচনা করছেন এই সমস্ত ডিফেক্ট যাতে দূর হয় এবং শিলচর মেডিকেল কলেজ যাতে ইণ্ডিয়ান মেডিকেল কাউন্সিল কর্তৃপক্ষ ডি-রিকগনাইস্টন হয় সেজন্য বিস্তারিত আলোচনার জন্য যে সভাস্থগিত প্রস্তাব এই সদনে এসেছে তা গ্রহণ করার জন্য অনুরোধ জানিয়ে আমার বক্তব্য শেষ করছি।

Mr. Speaker : I have heard the mover of the motion and other hon'ble members. I have also heard the Hon'ble Minister for Parliamentry's reply. Now I reserve my ruling.

I have received a notice of complaint of breach of privilege submitted by the Hon'ble Member Shri Abdul Jalil Regibi against the Editor, Printer and Publisher of the Daily newspaper "Samay Prabaha." I now call upon Shri Ragibi to speak on the complaint of breach of privilege.

## Notice of Breach of Privilege

* মৌলানা আব্দুল জলিল ৰাগিবী ঃ মাননীয় অধ্যক্ষ মহোদয়, 'সময় প্ৰবাহ' নামৰ দৈনিক পত্ৰিকা খনৰ ১০ আৰু ১১ মাৰ্চৰ সংখ্যাত এই বিধান সভাৰ উপাধ্যক্ষ মহোদয়ৰ সম্পৰ্কত কিছুমান বক্তব্য পৰিবেশন কৰা হৈছে। ইয়াৰ দ্বাৰা মাননীয় উপাধ্যক্ষ মহোদয়ৰ সন্মান, আত্ম মৰ্য্যাদা ক্ষুন্ন হৈছে। সেই ক্ষেত্ৰত মই নিশ্চিত। ইয়াৰ জৰিয়তে জনমানসত আৰু সাধাৰণ মানুহৰ চকুত আমাৰ মাননীয় উপাধ্যক্ষ মহোদয়ৰ মান মৰ্য্যদা আৰু কৃতিত্ব ক্ষুন্ন কৰাৰ অপচেষ্টা কৰা হৈছে। ইয়াত যিবোৰ কথা আলোচনা কৰা হৈছে তাৰ সাৰাংশ হৈছে— উপাধ্যক্ষ মহোদয় কামৰ মানুহ নহয়, নামৰ মানুহহে।

মাননীয় অধ্যক্ষ মহোদয়, সম্পাদকীয়ত লিখা হৈছে যে মাননীয় উপাধ্যক্ষ কেৱল 'মানেৰ জন্য'। মই সম্পাদকীয়ৰ সকলোখিনি পঢ়িব নোখোজো। তাৰে এঠাইত লিখিছে ঃ

'লামডিঙেৰ নিৰ্বাচিত বিধায়ক হিচেবে ঐ শহরের যাৰতীয় দুষ্কাৰ্যের অৱসানে আপনার কোনা দায়িত্ব নাই এবং জনগণ তাহাদে র গুরুত্বপূর্ণ সংবাদের পরিবর্তে খবরের কাগজ আপনার নাম ঘন ঘন প্রকাশেই বেছি আগ্রহী। তাহা হইলেই আপনি যে কোন স্বর্গে বাস করিতেছেনে সে

* *Speech not corrected*

কথা পাঠক সাধাৰণ অচিরেই লোকচক্ষুর গোচরে আনিবেন। আর শেষের দিকে লিখেছে ঃ

শুধু নামেৰ জন্য কাঁদিয়া তখন বৈতৰণী পার হওয়া যাবে কি'।

অধ্যক্ষ মহোদয়, সংবাদ জগতৰ লগত মোৰ ব্যক্তিগত সম্পৰ্ক আছে, কিন্তু ব্যক্তিগত চৰিত্ৰ মানুহৰ হানি কৰাৰ বা ক্ষুন্ন কৰা বা মৰ্য্যদা হানি কৰা এই কথাটো কোনোপধ্যেই উচিত নহয় আৰু মই যিখন নোটিচ প্ৰেৰণ কৰিছিলো তাত গোটেই কথাটো উল্লেখ কৰিছো। এই 'সময় প্ৰবাহ' কাগজৰ সম্পাদকীয়ৰ দ্বাৰা মাননীয় উপাধ্যক্ষ মহোদয়ৰ সন্মান হানি কৰিছে আৰু সাধাৰণ মানুহৰ চকুত অলপ হে প্ৰতিপন্ন কৰাৰ চেষ্টা কৰা হৈছে আৰু এইটোকে সৰ্বসাধাৰণ মানুহক বুজাবলৈ চেষ্টা কৰা হৈছে যে উপাধ্যক্ষ মহোদয়ে কামৰ কাৰণে একো যত্ন নকৰে কেৱল যশ আৰু নামৰ কাৰণে সকলো কৰিব বিচাৰে। পত্ৰ-পত্ৰিকাত তেখেতৰ বিষয়ে এনে দৰে লিখাত ব্যক্তিগত চৰিত্ৰ আৰু মানৱতা বোধৰ ওপৰত আঘাট হনা হৈছে আৰু স্বাধিকাৰ ভাগ কৰা হৈছে বুলি মই ভাবো। সেই কাৰণে মই আশা কৰিছো গোটেই বিষয়টো বিশেষাধিকাৰ কমিটিলৈ প্ৰেৰণ কৰিবলৈ ব্যৱস্থা লব লাগে।

* শ্ৰীচামচুল হুদা ঃ মাননীয় অধ্যক্ষ মহোদয়, এই 'সময় প্ৰবাহ' কাকতখনে অকল মাননীয় উপাধ্যক্ষ মহোদয়ৰ ক্ষেত্ৰতে এনে কৰিছে এনে নহয় অন্যান্য বিধায়ক সকলৰ ক্ষেত্ৰতো তেনে ধৰণৰ বাতৰি পৰিবেশন কৰি আছে যি বিলাকৰ দ্বাৰা বিধায়কসকলৰ সন্মান লোকচক্ষুত হেয় হয়। ১৯৭৫ চনত ফেমিলি প্লেনিঙৰ বিজ্ঞাপন হিচাবে লিখিছে 'সুনীল কোন দিন বাবা হবে না' আৰু এ-জি-পি চৰকাৰৰ দিনত লিখিছে 'নৰক দেখতে চান তো হাইলাকান্দি চিভিল হস্পিটালে আসুন' এনেধৰণৰ কথা আগতে এ-জি-পিৰ দিনত লিখিছিল লিখক কিন্তু এতিয়া আকৌ মোৰ বিষয়ে লিখিছে 'ওনাৰ ঘুম ভাঙে সারে দশটায়'।

শ্ৰীজয়নাথ শৰ্ম্মা ঃ অধ্যক্ষ মহোদয়, কি কৈছে আমি ভালদৰে শুনা নাই আকৌ কব লাগে।

* শ্ৰীচামচুল হুদা ঃ অধ্যক্ষ মহোদয়, কাকতখনে লিখিছে ওনাৰ ঘুম ভাঙে সাড়ে দশটায়।

(সদনত হাঁহিৰ ৰোল উঠে।)

অথচ অধ্যক্ষ মহোদয়, মই সদায় ৰাতিপুৱা ৪-৪৫ বজাত উঠো আৰু পাচবাৰ নামাজ পঢ়ো তাকো আকৌ সময় মতে। অথচ মোৰ ক্ষেত্ৰত লিখিছে 'উনাৰ ঘুম ভাঙে সাড়ে দশটায়'।

(সদনত আকৌ হাঁহিৰ ৰোল উঠে।)

বিধংসী বানপানীৰ সময়ত স্পৰ্শকাতৰ লাহৰিমাট সমষ্টিত য'ত একষ্ট্ৰিমিষ্ট আদি আছেই তেতিয়াও মই অঞ্চলটোৰ বাইজৰ কাৰণে চৰকাৰে পঠোৱা এক কোটি টকাৰ বয় বস্তু বিতৰণৰ কাম কৰিছিলো। এই লিখা জন নগাওঁৰ কোনো জানা মে উৰিষ্যাৰ পৰা অহা জানা নামৰ লোক। মই মৰিগাওঁ আৱৰ্ত ভৱনত ৰাতি আঢ়ৈ বজালৈ গাড়ী আদি বৈ, দিনে নিশাই ষ্ট্ৰীম বোট আদি লৈ সাহায্যৰ কাম কৰিছো। অথচ মোৰ বিষয়ত 'ওনাৰ ঘুম ভাঙে সাড়ে দশটায় লিখিছে। এই কথা বিলাক অত্যন্ত দোষনীয়। সেই কাৰণে বিষয়টো বিশেষাধিকাৰ সমিতিলৈ প্ৰেৰণ কৰিব লাগে। ইয়াৰ উপযুক্ততা আছে বুলি মই ভাবো। মই এজন আইনজ্ঞ আৰু এজন বিধায়ক হিচাবেও

---

** Speech not corrected*

এইটো ভাবিছো আৰু সমিতিৰ দ্বাৰা শাস্তি পাবৰ যোগ্য কাৰণে বিহিত ব্যৱস্থা ল'বলৈ আপোনাৰ ওচৰত অনুৰোধ জনালো।

* শ্ৰীচন্দন চৰকাৰ ঃ মাননীয় অধ্যক্ষ মহোদয়, এইটো বৰ লাজৰ কথা। অধ্যক্ষ মহোদয়, আমি সংবাদ সেৱীক শ্ৰদ্ধা কৰো, বাতৰি কাকতক শ্ৰদ্ধা কৰো, সংবাদ মাধ্যমক শ্ৰদ্ধা কৰো আৰু পেপাৰৰ মালিককো শ্ৰদ্ধা কৰো।

(সদনত হাঁহিৰ ৰোল উঠে।)

মই নতুন। নতুনকৈ বিধায়ক হৈছো। সৰু ল'ৰা। কিন্তু পেপাৰত কেৱল যে মাননীয় উপাধ্যক্ষ মহোদয়ৰ বিৰুদ্ধেই লিখিছে এনে নহয় সকলোৰে বিৰুদ্ধে লিখে। শিৰোনামা দিয়ে এনে ধৰণে 'চন্দনেৰ উস্কানিতে গোলোকেৰ প্ৰতিবাদ'। ইয়াৰ মানে হৈছে মই হেনো উস্কানি দিছো আৰু ৰাজবংশী ডাঙৰীয়াই তাৰ প্ৰতিবাদ কৰিছে। মই নতুন বিধায়ক এজনে কেবিনেট মন্ত্ৰী এজনক উস্কান দিম?

শ্ৰীজয় নাথ শৰ্ম্মা ঃ পেপাৰত যে চন্দন সৰকাৰে বাৰ জনী বিয়া কৰোৱা বুলি লিখিছে।

শ্ৰীচন্দন চৰকাৰ ঃ অধ্যক্ষ মহোদয়, 'আজিৰ অসম'ত লিখিছে এক ডজন পত্নী হেনো মোৰ। মোৰ বিৰুদ্ধে নিৰ্বাচনত নমা সকলো বিলাক এ-জি-পি, বি-জে-পি প্ৰাৰ্থীৰ ভনীয়েকসকলক মই হেনো বিয়া কৰাইছো। যি সকলো এনে বাতৰি পৰিবেশন কৰিছে সেই সকলে গণতান্ত্ৰিকভাবে নিৰ্বাচিত বিধায়ক এজনৰ সন্মান আদি যে জনসাধাৰণৰ মাজত বহুখিনি নিৰ্ভৰ কৰে সেই বিলাক কথা নাচায়। আমি বিধায়কসকলেই ইয়াত বিধান সভাৰ মজিয়াত আইন কানুন ইত্যাদি তৈয়াৰ কৰো আৰু ৰাজ্যখন সেই আইন কানুনৰ দ্বাৰা পৰিচালিত হয়। বিষয়াসকলে সেই মতে ৰাজ্য পৰিচালনা কৰে অথচ সেই নিৰ্বাচিত প্ৰতনিধিসকলক এনেকৈ ৰাইজৰ মাজত হেয় প্ৰতিপন্ন কৰিবলৈ কৰা প্ৰচাৰ নিন্দনীয়। কিয়নো ইয়াত অকল বিধায়কৰ মান মৰ্য্যদাই নিহিত নাই আমাক যি সকলে ভোট দি নিৰ্বাচিত কৰি পঠিয়াইছে সেই জনসাধাৰণৰ মান মৰ্য্যদাও সংশ্লিষ্ট আছে। সেই কাৰণে মই আবেদন কৰিছো এনেধৰণে যি বিলাক পেপাৰে বিধায়ক বা মন্ত্ৰীসকলৰ বিৰুদ্ধে অসত্য কথা প্ৰকাশ কৰি প্ৰচাৰ কৰিছে সেইসকলক বিশেষাধিকাৰ কমিটিলৈ আনি যদি আমি দোষী বুলি প্ৰমাণ কৰিব পাৰো তেন্তে শাস্তি দিয়ক আৰু যদি প্ৰচাৰ কৰা বাতৰি অসত্য বুলি প্ৰমাণিত হয় তেতিয়া হলে সেই সেই পেপাৰৰ বিৰুদ্ধে শাস্তিমূলক ব্যৱস্থা লব লাগে।

* শ্ৰীলিয়াকৎ আলী খান ঃ অধ্যক্ষ মহোদয়, অসমৰ জনসাধাৰণে জানে যে মই এজন নিৰ্দলীয় সদস্য। বাতৰি কাকত দূৰৰ কথা টিভি ৰেডিঅ' আদিয়েও মই দল লোৱা বুলি প্ৰকাশ কৰে যিটো কৰা উচিত নহয়। গতিকে বিষটো অতি গুৰুত্বপূৰ্ণ। গতিকে বিষয়টো বিশেধিকাৰ সমিতিলৈ প্ৰেৰণ কৰিব লাগে।

* শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী ঃ মাননীয় অধ্যক্ষ মহোদয়, সদনৰ মজিয়াত মানৰ অধিকাৰ আৰু প্ৰেছৰ অধিকাৰৰ সন্মান কৰি ময়ে বোধকৰো বেছি বক্তৃতা দি আছো। এই ক্ষেত্ৰত মই তেখেতসকলৰ উদ্দেশ্যে এটা কথা কব বিচাৰিছো যে সদনৰ যিটো ডেকোৰাম সদনত অধ্যক্ষ বা উপাধ্যক্ষৰ

---

* *Speech not corrected*

যিটো সন্মান সেইখিনিক যাতে প্ৰেছমেন সকলো শ্ৰদ্ধা জনায় তাৰ কাৰণে অনুৰোধ জনাইছো। অন্ততঃ মিনিমাম যিটো ডেকোৰাম তাৰ মেইনটেইন কৰা উচিত। সংবাদদাতাসকলে সংবাদ পৰিবেশন কৰোতে এই কথাটো সদায় মনত ৰাখিব লাগে। এই বাতৰিটোৰ সন্দৰ্ভত নিশ্চয় কিবা ৰহস্যও থাকিব পাৰে। এই যিটো উলিয়াইছে মই শুনিছো অৱশ্যে চাৰ টুডি কাৰেকশ্যন মই শুনাকথাহে যদি নহয় লাগিলে মই উদ্ৰ কৰিম। মই মুখ্য মন্ত্ৰীক জনাব বিচাৰিছো শুনা মতে মন্ত্ৰী সভাৰ কোনোবা এজন কেবিনেট মন্ত্ৰীয়ে এই সংবাদটো ফিটিং কৰাইছে। উদ্দেশ্য নিশ্চয় মাননীয় উপাধ্যক্ষৰ ইমেজটো নস্ত কৰা। গতিকে বিষয়টো পৰীক্ষা কৰিবলৈ বিশেষাধিকাৰ কমিটিলৈ প্ৰেৰণ কৰিব লাগে।

* শ্ৰীনজমুল হক ঃ মাননীয় অধ্যক্ষ মহোদয়, আমি সংবাদসেবী বা সংবাদপত্ৰক সন্মান কৰো। আমাৰ উপাধ্যক্ষ এজন সন্মানীয় লোক। সত্যা-সত্য নিৰূপণ নকৰাকৈ তেখেতৰ বিৰুদ্ধে এনে এটি বাতৰি পৰিবেশন কৰাটো বৰ দুখৰ কথা। আমি দেখিছো এই কংগ্ৰেছ দলৰ ৰাজ্যিক বা মহকুমাৰ উপৰিও মণ্ডল পৰ্য্যন্ত কংগ্ৰেছ কমিটি আছে। কিন্তু তেওঁলোকৰ মাজত খাম খেয়ালি কৰিও বহুত ধৰণৰ বাতৰি পৰিবেশন কৰে মোৰ ওচৰলৈ কংগ্ৰেছ দলৰে কিছুমান লোকে আহি কৈছে যে অমুক কংগ্ৰেছ মানুহৰ বিৰুদ্ধে আপুনি বিধান সভাত উলিয়াই দিয়ক। এইটো বৰ স্পৰ্শকাতৰ বিষয় গতিকে পৰীক্ষা নিৰীক্ষা কৰিবৰ কাৰণে বিশেধিকাৰ সমিতিলৈ পঠিয়াব লাগে।

* শ্ৰীহিতেন্দ্ৰ নাথ গোস্বামী ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য আব্দুল জলিল ৰাগিবীয়ে আমি নাজানো বুলি আমাক অধ্যয়ন কৰিবলৈ কৈছে। তেখেতে অধ্যয়ন কৰেনে নে নাজানো। এই বিধান সভাৰ মজিয়াতে তেখেতে ৪/৩/৮৭ তাৰিখে তিনিটা বিষয়ে উত্থাপন কৰিছিল তেতিয়া তেখেত বিৰোধীপক্ষত আছিল। তেখেতে কৈছিল আৰু আমিও জানো যে জনসাধাৰণক জনোৱাৰ মাধ্যম হৈছে প্ৰচাৰ পত্ৰিকা। তাত আমি বিছাৰো যে সত্য কথা পৰিবেশন কৰিব লাগে। সমালোচনা কৰক কিন্তু সৃষ্টিমূলক সমালোচনা হব লাগে। মাননীয় উপাধ্যক্ষৰ বিৰুদ্ধে তেনে বাতৰি পৰিবেশন কৰাত আমি দুখ পাইছো। বিষয়টো ভালকৈ পৰীক্ষা কৰাৰ কাৰণে বিশেষধিকাৰ কমিটিলৈ প্ৰেৰণ কৰিব লাগে।

* শ্ৰীজয় নাথ শৰ্ম্মা ঃ অধ্যক্ষ মহোদয়, আজি যিটো প্ৰস্তাৱ বিধান সভাত আনিছে — Breach of Previlege...............

মাননীয় অধ্যক্ষ ঃ আৰু বেছি কব নালাগে, সময় কম।

* শ্ৰীজয়নাথ শৰ্ম্মা ঃ অধ্যক্ষ মহোদয় মই মাত্ৰ দুই মিনিট কম। যিটো বাতৰি পৰিবেশন কৰিছে তাত কিবা সত্যতা আছে নে নাই? Whether there is breach of privilege or not, this will be decided by the Privilege Committee. There is plus and minus point.

প্ৰশ্ন হ'ল যি কোনো বাতৰিৰ পক্ষে বা বিপক্ষে কিবা কথা থাকিব পাৰে। সেইটো বৰ ডাঙৰ কথা নহয়। কিন্তু আমাৰ মাননীয় সদস্য শ্ৰীচন্দ্ৰমোহন পাটোৱাৰীয়ে কোৱা কথাটোহে

* *Speech not corrected*

আচল — যদি এই বাতৰিটোৰ পাছত কোনোবা কেবিনেট মন্ত্ৰী জড়িত আছে তেনেহলে সেইটো বৰ ডাঙৰ কথা। সেইটোহে বিছাৰি উলিয়াব লাগে। কিন্তু সেইটো বিছাৰি উলিয়াবৰ কাৰণে পুঙ্খানুপুঙ্খৰূপে বিছাৰ কৰিবৰ কাৰণে আমাৰ বিশেধিকাৰ সমিতি আছে গতিকে অগ্ৰদূতে তেনে বাতৰি পৰিবেশন কৰাত বিশেধিকাৰ সমিতিলৈ প্ৰেৰণ কৰা হৈছিল। বাতৰিটো পঢ়ি চোৱা নাই বা মোচনটোও পঢ়া নাই। গতিকে অধ্যক্ষ মহোদয় আপুনি ৰুলিং দিয়াৰ আগতে মই এটা কথা কব বিচাৰিছো এই বাতৰিটোৰ সত্য সত্যা নিৰূপণ কৰিবলৈ য'ত মাননীয় উপাধ্যক্ষ জড়িত আছে।

বিষয়টো প্ৰিভিলেজ কমিটিলৈ প্ৰেৰণ কৰিব লাগে। অধ্যক্ষ বা উপাধ্যক্ষ হৈছে সদনৰ অথোৰিটি। উপাধ্যক্ষ হ'লে যে বেয়া কাম নকৰিব তেনে কথা আমি কোৱা নাই। কিন্তু বাতৰি পৰিবেশন কৰোতে মিনিমাম যিটো দেকোৰাম তাক ৰক্ষা কৰা দৰ্কাৰ। গতিকে এই প্ৰস্তাৱটো বিশেষাধিকাৰ সমিতিলৈ প্ৰেৰণ কৰি তাত যদি কোনোবা মন্ত্ৰী জড়িত আছে বিছাৰি উলিয়াব লাগে।

Mr. Speaker : Now Hon'ble Minister, Shri Golok Rajbangshi.

* শ্ৰীগোলোক ৰাজবংশী (সংসদী পৰিক্ৰমা মন্ত্ৰী) ঃ অধ্যক্ষ মহোদয়, সদনত যিটো বিশেষাধিকাৰ ভঙ্গৰ প্ৰস্তাৱ আনিছে সেই সম্পৰ্কত মই কব বিছাৰিছো সম্পাদকীয় যিটো লিখিছো তাত ভাল ভাব আছে নে নাই নে কিবা বেয়া মনোভাৱ লৈ সম্পাদকীয় লিখিছে সেইটোহে চাবলগীয়া। মাননীয় উপাধ্যক্ষ সদনৰ এজন সন্মানীয় ব্যক্তি তথা সদনক ৰিপ্ৰেজেন কৰিছে। উপাধ্যক্ষ বা ব্যক্তি হিচাবে সমালোচনা কৰা দুটা বেলেগ বেলেগ কথা। গতিকে গোটেই বিষয়টো চালিজাৰি চাবৰ কাৰণে বিষয়টো বিশেধিকাৰ সমিতিত প্ৰেৰণ কৰিব লাগে বুলি মতামত দিলো।

* Shri Promode Gogoi : Point of Order. As the alleged allegation is against the Hon'ble Deputy Speker is the Chairman of the privilege Committee, therefore, this matter legally should go before the Privilege Committee. When the Deputy Speaker is the Chairman of the Privilege Committee, it will not be proper to refer it to the Privilege Committee.

* শ্ৰীগোলোক ৰাজবংশী (সংসদী পৰিক্ৰমা মন্ত্ৰী) ঃ আমাৰ চেয়াৰমেন ভূতপূৰ্ব শিক্ষামন্ত্ৰী হৰেন্দ্ৰ নাথ তালুকদাৰৰ বিৰুদ্ধে দুলাল বৰুৱাদেৱে আনিছিল। It should be sent to privilege committee for breach of privilege

Mr. Speaker : I have noted the proceedings of the meeting. I have heard the Hon'ble Shri Abdul Jalil Ragibi. Also I have heard valuable suggestions made by Hon'ble members and the replies made by Hon'ble Minister for parliamentary Affairs. To be it appears to be a fit case of breach of privilege. So I refer this matter to

---

* *Speech not corrected*

Privilege Committee to examine judicioasly and report. Naturally when the Deputy Speaker of the Assembly is involved he will not preside over the meeting and some other member will preside. So with your permission I would like to proceede to Item No. 2. But before going to item No. 2, I would like to inform the Hon'ble members, because to-day is the last day for debate on Governor's address and for reply Hon'ble Chief Minister will take about 45 minites you time is limited. We have already spent so much time. Time is also limited calling attention under Rule 54 and Rule 301. It should be raised only and it should not be discussed in details so that so many members can take part in the discussion.

* শ্ৰীজয়নাথ শৰ্ম্মা ঃ মাননীয় অধ্যক্ষ মহোদয়, এই গোটেই কথাখিনি কোৱাৰ কাৰণে মুখ্যমন্ত্ৰীয়ে আবেলি চেচন কৰক। আমি মাত্ৰ ২০ মিনিট কৈছো। এঘণ্টা কৰলৈ দিব লাগে।

## Calling Attention Notice

Mr. Speaker : Now Item No. 2. Shri Allauddin Sarkar as authorised to call the attention under Rule 54.

* শ্ৰীআলাউদ্দিন সৰকাৰ ঃ মই শ্ৰীআলাউদ্দিন সৰকাৰ, শ্ৰীগিয়াচুদ্দিন আহমেদে কৰ্ত্তৃত্ব দিয়াত অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্য পৰিচালনাৰ নিয়মাৱলীৰ ৫৪ নম্বৰ নিয়মৰ অধীনত; ১৯৯২ চনৰ ১১ ফেব্ৰুৱাৰী তাৰিখৰ 'আজিৰ বাতৰি' কাকতত প্ৰকাশিত অভিযান স্থগিত কৰণৰ পাছতো ডেকাৰ গাওঁত সেনাৰ দ্বাৰা নাৰী ধৰ্ষণ।" শীৰ্ষক বাতৰিটোৰ প্ৰতি মুখ্যমন্ত্ৰী মহোদয়ৰ মনোযোগ আকৰ্ষণ কৰিলো।

মাননীয় অধ্যক্ষ মহোদয়, আজি অভিযান স্থগিতকৰণৰ পাচতো দেশত অশান্তিৰ সৃষ্টি হৈছে। এখন দেশৰ শান্তিৰ অবিহনে কোনো বহুমুখী কাম সম্ভৱপৰ হব নোৱাৰে। আজি মুখ্যমন্ত্ৰী এই ক্ষেত্ৰত একেবাৰে নিজস্ব ব্যক্তি কেন্দ্ৰীক হৈ পৰিছে। আমি নেজানো কেনেকৈ তেওঁ এই বিলাক কাম কৰিব পাৰিছে। (সদনত গণ্ডগোল)

Mr. Speaker : Now Hon'ble Chief Minister is to reply.

(Statement made by Hon'ble Chief Minister on the floor of the House regarding the calling attention under the caption" অভিযান স্থগিতকৰণৰ পাছতো ডেকাৰ গাওঁত সেনাৰ দ্বাৰা নাৰীধৰ্ষণ".)

Shri Hiteswar Saikia (Chief Minister) : Mr. Speaker Sir, a complaint has been lodged on 20.1.92 by Shri Lalit Barua son of Shri Lakhi

---

* *Speech not corrected*

Ram Barua of Dekargaon, P.S. Tezpur at Salonibari Out Post that on the night of 19.1.92 at 2230 hours one army personnel with arms went to his house on the Protest of searching his house. The army personnel took him to the backside of his house and enquired whether two boys were taking shelter in his house. While he replied in negative, the army personnel became angry and rebuked him. At that moment his wife Smti. Lili Barua came out with her baby. The army personnel caught hold of his wife's hand and dragged her to nearby jungle by gagging her mouth. The accused also threw away her baby from her hands. It was further alleged that after dragging her to the jungle the said army personnel committed rape on her. Police registered a case under Tezpur P. S. case No. 44/92/u/s 448/376 IPC. The alleged victim of rape was sent for medical examination and treatment at Civil Hospital, Tezpur. Wearing appeal were seized and sent for examination at Forensic Science Laboratory. The victim was also examined by doctor. Dr. M. Mirdha who examined her opined that no definit opinion could be given as to the repe. Police investigation is proceeding.

The District Magistrate has also ordered a magisterial enquiry into this incident. Report of Magistrate is awaited.

## MATTER UNDER RULE 301

Mr. Speaker : Now item No. 3.

* শ্ৰীহিতেশ্বৰ ডেকা ঃ অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্য পৰিচালনাৰ নিয়মাৱলীৰ ৩০১ নম্বৰ নিয়মৰ অধীনত "অস্ত্ৰ প্ৰশিক্ষণৰ উদ্দেশ্যে ৫০ জনীয়া সংখ্যালঘু দলৰ বাংলাদেশ যাত্ৰা' সম্পৰ্কে বিষয় এটি উত্থাপনৰ জৰিয়তে মুখ্য মন্ত্ৰীৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো।

মাননীয় অধ্যক্ষ মহোদয়, এই বিষয়টো অতি গুৰুত্বপূৰ্ণ বিষয় কিয়নো এইটো এটা জাতিৰ লগত, দেশৰ নিৰাপত্তাৰ লগত জৰিত আছে। যোৱা ৫ ফেব্ৰুৱাৰী তাৰিখৰ অগ্ৰদূত কাকতৰ প্ৰথম পৃষ্ঠাতেই ৫০ জনীয়া সংখ্যালঘু দলৰ বাংলাদেশ যাত্ৰা কথাখিনি লিখা আছে আৰু ৩১ জানুৱাৰী চেন্টিনেল কাগজতো প্ৰকাশ পাইছে। কোনোবাই পিচফালৰ পৰা কথাখিনি ইতিকিং কৰিছে কিন্তু এইটো ইতিকিং কৰা কথা নহয়। ইয়াৰ বাহিৰেও এল, টি টিৰ অধিনত হাইদৰাবাদলৈ প্ৰশিক্ষণ লবলৈ যোৱা বুলি বাতৰিত প্ৰকাশ পাইছে। এইটো কথা অসমৰ লগতে দেশৰ বাবে এটা নিৰাপত্তাৰ কাৰণ হৈ পৰিছে। এই গোটেই বিষয়টো ৰাজ্যখনৰ লগতে দেশৰ শান্তিৰ লগত জৰিত আৰু যিহেতু এনে উগ্ৰপন্থী সন্থাই বাংলা দেশৰ লগত জৰিত হৈ পৰিছে গতিকে এইটো

---

* *Speech not corrected*

এটা আন্তঃৰাষ্ট্ৰীয় বিষয় হৈ পৰিছে। সেয়েহে মুখ্যমন্ত্ৰী মহোদয়ে যাৱতীয় ব্যৱস্থাৰ জৰিয়তে নিৰাপত্তা ব্যৱস্থাত ভাবুকি সৃষ্টি হব পৰা বিষয়টোত ব্যৱস্থা গ্ৰহণ কৰিবনে ?

Mr. Speaker : Now Hon'ble Chief Minister is to reply.

* শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ ডাঙৰীয়া, বালাংদেশত সামৰিক প্ৰশিক্ষণ লোৱাৰ অৰ্থে সংখ্যালঘু সম্প্ৰদায়ৰ ৫০ (পঞ্চাশ) সদস্যৰ এটা দল বাংলাদেশলৈ যোৱা বুলি একাশ বাতৰি চৰকাৰৰ দৃষ্টিগোচৰ হৈছে। এই তথ্য সন্দৰ্ভত চৰকাৰৰ ফালৰ পৰা অনুসন্ধান কৰি থকা হৈছে যদিও এতিয়াও বিতং তথ্য চৰকাৰৰ হাতত পৰা নাই। সদৌ অসম সংখ্যালঘু ছাত্ৰ সন্থাক সন্ত্ৰাসবাদী সংগঠনৰ ৰূপ দিয়াৰ অৰ্থে অসম সংখ্যালঘু মুক্তি বাহিনী আৰু মাইনৰিটি পিপোলছ একচন কমিটি নামৰ দুটা সংগঠন খোলাৰ বাতৰি চৰকাৰৰ হাতত পৰিছেহি। অসম সংযুক্ত মুক্তিবাহিনীৰ তৰফৰ পৰাও বৰাক উপত্যকাৰ ত্ৰিশজন যুৱকক সদস্য ভূক্ত কৰি প্ৰশিক্ষণৰ বাবে পঠিওৱা বুলি জনা গৈছে। এই সন্দৰ্ভত চৰকাৰৰ ফালৰ পৰাও চোকা দৃষ্টি ৰখা হৈছে। এই বিষয়ে তদন্ত কৰি থকা হৈছে।

* শ্ৰীহিতেশ্বৰ ডেকা ঃ অধ্যক্ষ মহোদয়, মুখ্যমন্ত্ৰী মহোদয় যি তিনিটা সংগঠনৰ কথা কৈছে তাৰ বাহিৰেও আমলা নামৰ আন এটা সংগঠনৰ জন্ম হৈছে। এই সংগঠনটোৱে অলপতে দৰং জিলাৰ কুৰুৱাৰ এজন যুৱকক হত্যা কৰিছে আৰু তেওঁলোকে এই হত্যা স্বীকাৰ কৰিছে। এই সন্দৰ্ভত মুখ্য মন্ত্ৰী মহোদয়ে কিবা জানে নেকি ?

* শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্য মন্ত্ৰী) ঃ এই বিষয়ত চৰকাৰৰ হাতত কোনো খবৰ নাই।

* শ্ৰীহেতশ্বৰ ডেকা ঃ কিন্তু আম্‌লাই এই হত্যা স্বীকাৰ কৰিছে।

## Debates on the Governor's Address.

Mr Speaker : Now I pass on to item No 4. Debates on Governor's Address and I request Honourable member Shri Mujibur Rahman to complete his speech.

* শ্ৰীমুজিবুৰ ৰহমান ঃ অধ্যক্ষ মহোদয়, মই ইয়াৰ আগতে এটা কথা উল্লেখ কৰিছিলো সেইটো হৈছে অসমৰ আইন শৃংখলাৰ পৰিস্থিতি। এই ক্ষেত্ৰত প্ৰাথমিকভাবে আমি সফলতা লাভ কৰিছো। আলফাৰ লগত আলোচনাৰ প্ৰস্তুতি চলিছে। এই ক্ষেত্ৰত আমি আশা ৰাখিছো যে এই আলোচনা ফলপ্ৰসু হব। যি সকল যুৱকে হাতত অস্ত্ৰ তুলি লৈছিল, অসমক স্বাধীন কৰিম বুলি দাবী কৰিছিল তেওঁলোকৰ লগত এই চৰকাৰৰ এটা বুজা পৰা হব ধৰিছে। তেওঁলোকৰ যি কাৰ্য্য কলাপ, বা আজি কিছুদিন আগতে অসমত যিটো বাতাবৰণ আছিল সেইটো আজি আমি অতীতৰ বিষয় বুলি ধৰি লৈছো আৰু তেওঁলোকৰ লগত আলোচনা হৈ অসমলৈ স্থায়ী শান্তি ঘূৰি আহিব বুলি আমি আশা ৰাখিছো। এই ক্ষেত্ৰত কিছুমান মাননীয় সদস্যই ক্ষোভ প্ৰকাশ কৰিছে যে এই আলোচনা গোপনে হৈছে আৰু আলোচনাত কি হৈছে তাত সন্দেহ প্ৰকাশ কৰিছে। কিন্তু মোৰ বোধেৰে আলোচনা গোপনেই হওক বা মুকলি ভাবেই হওক ইয়াৰ দ্বাৰা যাতে অসমৰ স্থায়ী শান্তিৰ বাতবৰণ

---

** Speech not corrected*

ঘূৰি আহে আৰু অসমৰ উন্নয়ণমূলক কামবোৰ বাস্তৱত ৰূপায়িত কৰাৰ কাৰণে ব্যৱস্থা লব পৰা যায় সেইটোহে আচল কথা। এই খিনিতে মই আৰু এটা কথা কব খুজিছো যে কেইজনমান মাননীয় সদস্যই চৰকাৰৰ কিছুমান দুৰ্নীতিৰ অভিযোগৰ কথা উল্লেখ কৰিছে। এই দুৰ্নীতিৰ ক্ষেত্ৰত আমাৰ চৰকাৰ সজাগ থাকিব লাগিব। আজি আমাৰ যিটো গণতান্ত্ৰিক পদ্ধতি তাত কোনেও ফুল প্ৰুভ কৰাপচ্ন নাইকীয়া কৰিব নোৱাৰে। তথাপিতো এই ক্ষেত্ৰত আমি সজাগ থাকিব লাগিব যাতে এনেবোৰ সুৰুঙা লৈ আমাক কোনেও বিপদত পেলাব নোৱাৰে। বিগত চৰকাৰৰ দিনত আলুৰ বিধান যোগান ধৰাকে ধৰি চাউলৰ যোগান, চিৰিয়াখানাত জন্তুবোৰলৈ দিয়া মাংসৰ যোগান, ৰেলৱেৰ শ্লীপাৰ যোগান আদিকে ধৰি যিবোৰ কেলেংকাৰী সৃষ্টি হৈছিল তেনে কেলেংকাৰী যাতে এই চৰকাৰৰ দিনত নহয় তালৈ আমি চোকা নজৰ দিব লাগিব।

অধ্যক্ষ মহোদয়, নিয়োগৰ ক্ষেত্ৰতো আমি সফলতা লাভ কৰিছো। এই চৰকাৰৰ দিনতে কেনেকৈ ৫০ হাজাৰ লোকক চাকৰি দিয়া হল সেই বিষয়ত কিছুমানে কিছু কথা উল্লেখ কৰিছে। কিন্তু আমাৰ আচল কথা হ্ল নিয়োগৰ ক্ষেত্ৰত আমি ৰাইজক যি প্ৰতিশ্ৰুতি দিছিলো সেই প্ৰতিশ্ৰুতি আমি ৰক্ষা কৰিবলৈ সক্ষম হৈছো আৰু ভৱিষ্যতেও আমাৰ প্ৰতিশ্ৰুতি ৰক্ষা কৰিম বুলি আমি ৰাইজৰ ওচৰত দায়বদ্ধ। এইখিনিতে আৰু এটা কথা হল যে এই চৰকাৰেই যোৱা বিধান সভাত নিয়োগৰ ক্ষেত্ৰত সংখ্যালঘু জনসাধাৰণৰ জনসংখ্যা প্ৰতিফলিত হব বুলি আশ্বাস দিছিল আৰু সেই আশ্বাস চৰকাৰে পুৰণ কৰিব পাৰিছে বুলি আমি পতিয়ন যাব পাৰিছো। সেই কাৰণে এইটো শইকীয়া চৰকাৰৰ নীতি হিচাবে উল্লেখ নকৰি শইকীয়া চৰকাৰৰ ঘোষণা বুলি কব লাগে আৰু এইটো মোৰ বোধেৰে কেৱল অসমতে প্ৰয়োগ নকৰি সমগ্ৰ ভাৰতবৰ্ষতে প্ৰয়োগ কৰাৰ ব্যৱস্থা কৰিব লাগে। মণ্ডল কমিশ্যনৰ জৰিয়তে কেন্দ্ৰীয় চৰকাৰেও সংখ্যালঘু জনসাধাৰণৰ জনসংখ্যা প্ৰতিফলন কৰাৰ কাৰণে ব্যৱস্থা হাতত লৈছিল যদিও নানাবোৰ কাৰণত সেইটো সম্পূৰ্ণৰূপে ৰূপায়িত নহল। কিন্তু অসমত শইকীয়া চৰকাৰৰ নেতৃত্বত এইটো ৰূপায়িত হব ধৰিছে। এইটো আমাৰ বাবে গৌৰৱৰ বিষয়।

ইয়াৰ বাহিৰেও বিশেষকৈ বানপানীৰ সমস্যাৰ বিষয়ে ৰাজ্যপালৰ ভাষণত উল্লেখ কৰা হৈছে। এইটো সমগ্ৰ অসমৰ কাৰণে এটা ডাঙৰ সমস্যা। এই ক্ষেত্ৰত চৰকাৰে স্থায়ী ব্যৱস্থা কিছুমান হাতত লব লাগে। এই ক্ষেত্ৰত চৰকাৰে মুকালমুৱা, ভুৰাগাওঁ আৰু মৰিগাওঁত কিছুমান ব্যৱস্থা হাতত লৈছে আৰু ব্যৱস্থাত চৰকাৰ কৃতকাৰ্য্যও হৈছে। তাৰ কাৰণে আমি সুখী হৈছো আৰু চৰকাৰক পৰামৰ্শ দিব খোজো যে বানপানীয়ে প্ৰতি বছৰে অসমৰ ৰাইজক যি ধৰণে জুৰুলা কৰি থৈ যায় তাৰ প্ৰতিৰোধৰ ব্যৱস্থা কৰিব পাৰিলেহে অসমৰ সামগ্ৰীক উন্নতি সাধন হব। অধ্যক্ষ মহোদয়, মই অসম চুক্তি ৰূপায়ণৰ কথা কবলৈ বিচাৰিছো। অসম চুক্তি ৰূপায়ণ কৰিম বুলি অসম গণ পৰিষদ চৰকাৰ ক্ষমতালৈ অহাৰ পিচতো আই, এম,ডি,টি এক্টখন বাতিল কৰিলে। দুবছৰ পিচত তেওঁলোকে ক'লে যে এইখন সংশোধন কৰিব লাগে। কিন্তু তেখেতসকলে চুক্তি কৰাৰ সময়ত ভবা নাছিল কি হব। সিদিনা ৰূপহী অঞ্চলৰ এজনী তিৰোতা খিৰছিদা বেগম নামৰ মোৰ ওচৰলৈ আহিছিল। তেওঁ কৈছে যে আই,এম,ডি,টি এক্টৰ অধীনত তেওঁক বহিষ্কাৰ কৰিব

* *Speech not corrected*

লাগে বুলি তেওঁলৈ নোটিছ গৈছে। কিন্তু তেওঁ লোকেল মানুহ। যিহেতু তেওঁ দুখীয়া মানুহ কোৰ্টৰ ওচৰ চাপিব নোৱাৰে। আইনৰ মেৰপাকৰ কাৰণে এনেকুৱা হব লগা হয়। এই আইনত বহুত আশোৱাহ আছে। প্ৰকৃত বিদেশীক বিচাৰি নুলিয়াই স্বদেশীক হাৰাশাস্তি কৰে। এইটো চৰকাৰে চাব লাগে। এই ক্ষেত্ৰত চোৱাটো প্ৰয়োজন হৈ পৰিছে। সকলো চালি জাৰি চাই এই আইন সংশোধন কৰিব লাগে।

অধ্যক্ষ মহোদয়, বৰ্ড়ো সমস্যাৰ কথাটোও উল্লেখ কৰা হৈছে। এই সমস্যা আজি হোৱা নাই, আগতেও আছিল। এই সমস্যাৰ বাবে আজি তেওঁলোকে অসমৰ পৰা ফাটি যোৱাৰ উপক্ৰম হৈছে। তেওঁলোকৰ নিশ্চয় যুক্তিযুক্ত কাৰণ আছে। এইটো একে দিনাই হোৱা নাই। এই সকলো সমস্যা সমাধান হব বুলি আশা ৰাখিছো। মই আৰু আন আন বিষয়ে নকওঁ, যিহেতু বহুতো বক্তা আছে। মই আশা ৰাখিছো বিৰোধী দলৰ যি সকলে ইয়াৰ বিৰোধিতা কৰিছে তেওঁলোকে বিৰোধিতা নকৰি ৰাজ্যপাল মহোদয়ৰ ভাষণত নিশ্চয় সহযোগ কৰিব। ৰাজ্যপাল মহোদয়ৰ ভাষণৰ ওপৰত পুনৰবাৰ মই ধন্যবাদ জনাই মোৰ বক্তব্যৰ সামৰণি মাৰিছো।

Mr. Speaker : Now Hon'ble Member Shri Sasha Kamal Handique.

শ্ৰীশশ কমল সন্দিকৈ ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় ৰাজ্যপাল মহোদয়ৰ ভাষণৰ ধন্যবাদসূচক প্ৰস্তাৱৰ বিৰোধিতা কৰি মই মোৰ বক্তব্য ৰাখিব বিচাৰিছো। অসম চৰকাৰ আৰু আলফাৰ মাজত যি আলোচনা চলি আছে তাক আদৰণি জনাইছো। শান্তি শৃঙ্খলাৰ মাজেদি সমস্যা সমাধান হব লাগে, আলোচনা ব্যাহত হব নালাগে। অসম চৰকাৰে কিছুমান কাৰ্য্য সূচীত এই ক্ষেত্ৰত হাতত লৈছে। যোৱা ২৭ তাৰিখে এই সংক্ৰান্তত বিৰোধী পক্ষৰ লগত আলোচনা কৰে আৰু তাত সিদ্ধান্ত হৈছিল যে গ্ৰেপ্তাৰ, হত্যা আদি বন্ধ কৰিব লাগে। চৰকাৰেও ইতিমধ্যে ঘোষণা কৰিছে যে আলোচনাৰ আৱশ্যকীয় প্ৰক্ৰিয়া আৰম্ভ হৈছে। অসমৰ ৰাইজ নিজৰ নানা সমস্যাত জৰ্জৰিত। অসমৰ ৰাইজে শান্তি বিচাৰে। শান্তিপ্ৰিয় অসমত কোনো কালে নোহোৱা ঘটনা এই সন্ত্ৰাস বছৰ পাচত বছৰ ঘটিয়েই আছে। যোৱা ৮ মাহৰ ভিতৰত নিত্য প্ৰয়োজনীয় সামগ্ৰীৰ প্ৰচণ্ড মূল্য বৃদ্ধি হৈছে। চাউলৰ দাম কিলোগ্ৰামত অসমত সাত টকা পঞ্চাশ পইচা কোনো কালে হোৱা নাছিল। মাননীয় হিতেশ্বৰ শইকীয়া ডাঙৰীয়াই মন্ত্ৰী সভা গঠন কৰাৰ সময়ত দৰিদ্ৰ মানুহক দুটকা দামৰ চাউল দিম বুলি প্ৰতিশ্ৰুতি দিছিল। সেই সময়ত চাউলৰ দাম পাচ টকা পঞ্চাশ পইচা আছিল। দুটকাত যি চাউল দিছো বুলি চৰকাৰে দাবী কৰিছে কাৰ্বি আংলঙত ডিফু নগৰ সমিতিলৈ যোৱা চৰকাৰ চিঠিতেই এই ঘটনা স্পষ্ট হৈ উঠিছে। বৰ্তমান চাউলৰ দাম ২৩ ৰ পৰা ২৬ শতাংশ বৃদ্ধি পাইছে। এতিয়া ৰাইজৰ ঘৰত ধান চাউল আছে, বাৰিষা অনাটনৰ সময়ত দাম আৰু বাঢ়িব। ৰাইজে মূল্য বৃদ্ধিৰ প্ৰতিবাদত মুখৰিত হৈ উঠিছে। এইটো ৰোধ কৰিবৰ কাৰণে শাসক দলে পুলিচ প্ৰশাসনৰ ব্যৱস্থা কৰিছে। অসমত বছৰৰ পিচত বছৰ ধৰি নাগৰিকৰ গণতান্ত্ৰিক অধিকাৰ খৰ্ব কৰি অহা হৈছে। ৰাইজে জীৱন জীৱিকাৰ সমস্যাৰ সম্পৰ্কে প্ৰতিবাদ কৰিব নোৱাৰে, সভা সমিতি কৰিব নোৱাৰে, এইবোৰৰ ওপৰত চৰকাৰে হস্তক্ষেপ কৰিছে। কোনোবাই যদি মাত মাতে অধিবক্তাই হওঁক, বিশ্ববিদ্যালয়ৰ শিক্ষকে হওক বা সাধাৰণ নাগৰিকেই হওঁক চৰকাৰে তাক নিষ্ঠুৰ

ভাবে দমন কৰিছে। চৰকাৰে অসমৰ আইন শৃঙ্খলা নিয়ন্ত্ৰণ কৰি ৰাখিব পৰা নাই। বছৰৰ পাচত বছৰ ধৰি যি ১৪৪ ধাৰা চলি আছে। এই সকলো কলা আইন উঠাই দিব বুলি দাবী কৰিছো। সভা সমিতি পতাৰ অধিকাৰ ঘূৰাই দিব বুলি আশা কৰিছো।

অধ্যক্ষ মহোদয়, যোৱা চেপ্তেম্বৰ মাহত ৰাজ্যপাল মহোদয়ৰ ভাষণত প্ৰতিশ্ৰুতি দিছিল যে বিধবা মহিলা সকলক হাঁহ পালনৰ সুবিধা দিয়া হব। বৃদ্ধ মহিলাক পেনচন দিয়া হব। কিন্তু এই সকলো প্ৰতিশ্ৰুতি কাৰ্য্যকৰী নহল। চৰকাৰৰ প্ৰতিশ্ৰুতি মতে এই একশ দিনৰ ভিতৰতে যদি বস্তুৰ দাম নকমে, ভৰিষ্যতে আৰু দাম বাঢ়িবহে।

অধ্যক্ষ মহোদয়, এই সম্পৰ্কত মই আৰু কব বিচাৰিছো যে ১৯৭৫ চনতে চিলিং আইনত চিলিং উদ্বিত্ব মাটি অধিগ্ৰহণ কৰিছিল। কিন্তু সেইবোৰ আকৌ চাহ বাগিচাৰ মালিকসকলক ঘূৰাই দিয়াৰ চক্ৰান্ত চলিছে। চৰকাৰে ঘোষণা কৰিছে জিলা উপায়ুক্তই মাটিহীনক ৫ বিঘালৈকে পোনপটীয়াকৈ মাটি পট্টন দিব পাৰিব।

আইন মতে চিলিং আঁচনিৰ অধিগ্ৰহণ কৰা মাটি পুনৰ ঘূৰাই দিয়াৰ ব্যৱস্থা কৰিছে। অসমৰ মানুহৰ জনমূৰী মাটি কম। চিলিং আইনৰ অধিনত মাটি অধিগ্ৰহণ কৰা হ'ল, সেইবোৰ ভূমিহীন মানুহৰ মাজত বিতৰণ কৰাৰ দাবী কৰো।

অধ্যক্ষ মহোদয়, মই পঞ্চায়ত নিৰ্বাচনৰ বিষয়ে দৃষ্টি আকৰ্ষণ কৰিব খুজিছো। পঞ্চায়ত নিৰ্বাচনৰ নিৰ্বাচনী বিষয়া সকলে ফলাফল ঘোষণা কৰাৰ সময়ত এবাৰ এটা নাম ঘোষণা কৰাৰ পিচত পুনৰ আকৌ ১০ মিনিটৰ পিচতে বেলেগ এটা নাম নিৰ্বাচিত হল বুলি ঘোষণা কৰে। এই ভেকোভাওনাসমূহ বন্ধ কৰিব লাগে। এই চৰকাৰ খন জনপ্ৰিয় চৰকাৰ শাসক দলে দাবী কৰে কিন্তু পঞ্চায়ত নিৰ্বাচনতে সি প্ৰতিফলিত নকৰে। এইবোৰ খেলিমেলি যাতে পুনৰ নহয় তাৰ বাবে মই চৰকাৰক সতৰ্ক কৰি দিছো।

অধ্যক্ষ মহোদয়, মই বিজুলীৰ কথা কবলৈ ওলাইছো, এই সম্পৰ্কে ৰাজ্যপাল মহোদয়ৰ ভাষণৰ কোনো কথা নাই। এতিয়া ছাত্ৰ-ছাত্ৰীৰ পৰীক্ষাৰ সময়। তাতে আকৌ বাধ্যতামূলক ভাবে সমগ্ৰ অসমত সন্দিয়া এক ঘন্টাৰ বাবে ল'ড ছেডিং কৰা হৈছে। ইফালে কেৰাচিনৰ নাটনী। কেৰাচিনৰ দাম ৮,১২,১৫ টকালৈ হৈছে। এই ক্ষেত্ৰত মই চৰকাৰক অনুৰোধ জনাইছো যাতে ছাত্ৰ-ছাত্ৰীসকলক কেৰাচিনৰ যোগান ধৰি পঢ়াৰ সুবিধা দিয়ে।

অধ্যক্ষ মহোদয়, আলফা আৰু চৰকাৰৰ আলোচনাৰ সময়ত মুখ্যমন্ত্ৰী মহোদয়ে ঘোষণা কৰিছিল যে পুলিচ বা মিলিটেৰিৰ হাতত যি সকলৰ মৃত্যু হৈছে তেওঁলোকৰ পৰিয়ালক ক্ষতি পূৰণৰ নামত ২৫ হাজাৰ টকাকৈ সাহায্য দিয়া হব। এতিয়া সদনত মুখ্য মন্ত্ৰী ডাঙৰীয়া নাই। তেখেতৰ সতীৰ্থসকল সদনত আছে তেখেতসকলৰ দ্বাৰা মাননীয় মুখ্য মন্ত্ৰী ডাঙৰীয়াৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো ১২/৪/৯০ তাৰিখে আমাৰ দলৰ নিৰণ ফুকন আৰু বিষ্ণু বাৰিক নামৰ দুজন সদস্যক সন্ত্ৰাসবাদীয়ে কিডনেপ কৰিছিল। কিন্তু আজিলৈকে তেওঁলোকৰ একো সন্ধান দিব পৰা নাই। তেখেতসকলৰ পৰিয়াললৈও সাহায্য দিবলৈ চৰকাৰক অনুৰোধ জনালো। এইখিনি কৈয়ে ৰাজ্যপালৰ ভাষণৰ বিৰোধিতা কৰি মই মোৰ বক্তব্য সামৰণী মাৰিছো।

Mr. Speaker : Now Hon'ble Member Shri Karendra Basumatary.

* শ্ৰীকৰেন্দ্ৰ বসুমতাৰী ঃ শ্ৰদ্ধাভাজন অধ্যক্ষ মহোদয়, ৰাজ্যপাল মহোদয়ৰ ভাষণত যথেষ্ট আশোৱাহ থাকি গৈছে, তাৰ ওপৰত মই দুষাৰ কবলৈ বিচাৰিছো। ৰাজ্যপাল মহোদয়ৰ ভাষণ বৰ্তমান সময়ৰ সপক্ষে মনপুত হোৱা নাই। ইয়াৰ ভিতৰত ভাষা আৰু সংস্কৃতি চৰকাৰে ১৯৮৫ চনৰ ৪ এপ্ৰিলত অসম বিধান সভাৰ মজিয়াত বৰ্তমান চৰকাৰে বড়ো ভাষাটো ৰাজ্যিক সহযোগী ভাষা হিচাবে স্বীকৃতি দিছিল। এইটো পাছ হৈ গৈছে। মই তেতিয়া নিখিল বড়ো ছাত্ৰ সন্থাৰ সভাপতি আছিলো। তেতিয়াই এইটো ঘোষণা কৰা হৈছিল। আমাৰ অসমত বহুত ভাষা আছে, অসমীয়া, বঙালী, বড়ো আদি ভাষা আছে। বড়ো ভাষাটো ৰাজ্যিক সহযোগী ভাষা হিচাবে স্বীকৃতি পোৱাৰ লগতে ৰাজ্যিক সহযোগী ভাষা হিচাবে ১৯৬০ চনৰ আইনত লিখা আছে। আইনৰ এ আৰু বি সংশোধন কৰি বড়ো ভাষাক ৰাজ্যিক সহযোগী ভাষা হিচাবে স্বীকৃতি দিয়া হৈছে। অসম চৰকাৰে আজি এই বিধান সভাত আমাৰ ভাষাতো ইনটাৰপ্ৰেটৰ লব লাগে। বড়ো ভাষাত আমি যাতে ভাষণ ৰাখিব পাৰো। আমাৰ মাননীয় ৰাজ্যপাল মহোদয় শ্ৰীলোকনাথ মিশ্ৰই নাজানিব পাৰে। সেই কাৰণে তেওঁৰ ভাষণত উল্লেখ কৰিব পৰা নাই। ভৱিষ্যতে যাতে আমাৰ ভাষাটো অসম বিধান সভাত ভাষণ দিবলৈ স্বীকৃতি দিয়ে। যিহেতু আমাৰ ভাষাটো অসম ৰাজ্যিক ভাষা আইনৰ আধাৰত স্বীকৃতিপ্ৰাপ্ত হৈছে। মই অনুৰোধ জনাইছো এইটো লিপিবদ্ধ কৰিব লাগে। (বড়ো ভাষাত) তাৰ মানে মাননীয় অধ্যক্ষ মহোদয়, এই বুলি কৈছে। লগতে এইখন ৰাজ্যপালৰ ভাষণত বড়ো সমস্যা সম্পৰ্কে উল্লেখ কৰে যেন। এই চৰকাৰে জনপ্ৰিয় চৰকাৰ বুলি কব বিচাৰিছে। এই চৰকাৰে কেনেধৰণে বড়ো লেণ্ড সমস্যা সমাধান কৰিব অসমৰ বিভিন্ন সম্প্ৰদায় যেনে আদিবাসী, কোচ ৰাজবংশী, ক্ষত্ৰীয়, এইবিলাক ৰাজ্যপালৰ ভাষণত উল্লেখ নাই। চাকৰিৰ ক্ষেত্ৰত ৫০ হেজাৰক চাকৰি দিয়া বুলি উল্লেখ কৰিছে। দৰং জিলাৰ মোৰ সমষ্টি পানেৰীত এজনো চাকৰিত মকৰল হোৱা নাই। দৰং জিলাত তিনিজন মন্ত্ৰী আছে। চাকৰিত মকৰল হোৱা হলে তেওঁলোকে মোক অবগত কৰিলেহেঁতেন। জ্যোতিচিত্ৰ বনৰ কাৰণে ইতিমধ্যে ১৫ লাখ টকা মঞ্জুৰ কৰা বুলি কৈছে, বড়ো ভাষাৰ পৰা ফিলিম প্ৰডিউচ হৈছে (বড়ো ভাষাত) — এই তিনিখন বোলছবি কৰা হয়। জ্যোতিচিত্ৰবনৰ দৰে বড়ো মিছিং আদি সকলোকে সুবিধা দিলে এই চৰকাৰে উন্নয়নমূলক কাম হাতত লৈছে বুলি কব পাৰিম। উদ্যোগৰ ক্ষেত্ৰত বন্ধ বুলিয়েই কব পাৰি। গেছ ক্ৰেকাৰ ১৯৯৩ চনত তিনিটা হব বুলি আশা কৰা হৈছে। কিন্তু ব্ৰহ্মপুত্ৰৰ দক্ষিণ পাৰত হোৱা নাই। সেই কাৰণে উদ্যোগৰ ক্ষেত্ৰত বিভিন্ন অঞ্চলত বিশেষকৈ জনজাতি যত আছে ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰে কোকৰাঝাৰ, ওডালগুৰি, ধেমাজি এই তিনি জাগাত গেছ ক্ৰেকাৰ উদ্যোগ স্থাপন কৰা উচিত।

বামুন জুলিত ৩৫০ জন লোকে ভোট দান কৰিছিল। তাত শান্তিপূৰ্ণ ভাবে নিৰ্বাচন হৈছে বুলি কব নোৱাৰো। কাৰণ সেই নিৰ্বাচনত নৰহৰি গগৈক নিৰ্মম ভাবে হত্যা কৰা হৈছিল। তাৰোপৰি ৬ জন নেপালী লোকক হত্যা কৰা হৈছিল। গহ পুৰত ৰাজু বৰুৱাক অমানুষিক ভাবে আৰ্মিয়ে হত্যা কৰাৰ ঘটনা কাৰো অবিদিত নহয়। তথাপি নিৰ্বাচন শান্তিপূৰ্ণভাবে হোৱা বুলি কোৱাটো

---

* *Speech not corrected*

অতি পৰিতাপৰ কথা। আনহাতেদি সেই সময়ত আইন-শৃংখলা ৰক্ষা কৰাটো ব্যৰ্থ হৈছিল। বৰ্তমান চৰকাৰে যিটো আইন-শৃঙ্খলা ৰক্ষা আৰু নিয়ন্ত্ৰণ কৰা বুলি কৈছে, সেই বিষয়ত মই কব খোজো যে ৰাজ্য পালৰ ভাষণত এইটো কথা স্পষ্ট হোৱা নাই।

Mr. Speaker : Now Hon'ble Shri Prafulla Kr. Mahanta.

* শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত ঃ মাননীয় অধ্যক্ষ মহোদয়, অসমৰ ৰাজ্যপালৰ ভাষণত আমি যি পাইছোঁ, তাৰ পৰিপ্ৰেক্ষিতত কেইটামান কথা কব বিচাৰিছো। ভাৰতৰ সংবিধানৰ ১৭৪ অনুচ্ছেদৰ এক্ট মতে ৰাজ্যপালে বছৰি বিধান সভাৰ অধিবেশনত ভাষণ পাঠ কৰিব লাগে, এইটো কোনো নতুন কথা নহয়। এইটো মোৰ চৰকাৰৰ দিনতো হৈছিল বা অন্য চৰকাৰৰ দিনতো চলি আহিছে। কিন্তু বৰ্তমান চৰকাৰে যি যি কাম কৰিছে তাৰ খতিয়ান ৰাজ্যপালৰ হতুৱাই ৰাজ্যপালৰ ভাষণত পাঠ কৰোওৱা হৈছে। উদাহৰণ স্বৰূপে ১৯৯১-৯২ চনৰ বাজেটত ৰাজ্যপালৰ ভাষণত কোনো নতুন ইংগিত পোৱা হোৱা নাই। ১৯৯২-৯৩ চনৰ বছৰটোৰ বাবে যি কেইটা উদ্যোগ নলবাৰীত স্থাপন কৰিবলৈ বিচৰা হৈছে, তাৰ কোনো ইংগিত এই বাজেটত দেখা পোৱা নাই। চৈধ্য দফীয়া আৰ্থ-সামাজিক কাৰ্য্যসূচীখন ৰূপায়ণৰ বাবে ১৯৯১-৯২ চনৰ বিত্তীয় বছৰত আৱশ্যকীয় পুঁজিৰ আৱন্টন ধৰা হোৱা নাই। অধ্যক্ষ মহোদয়, ৰাজ্যপালৰ ভাষণত হস্ত তাঁত শিল্প ১৬ লাখ শিপিনীয়ে ৰাজ্যৰ এটা প্ৰধান কুটীৰ শিল্পত পৰিণত হোৱাটো দেখা পোৱা গৈছে। এই উদ্যোগৰ পৰা পাঁচ লাখৰো অধিক শিপিনীয়ে নিয়োগৰ সুবিধাপোৱাৰ লগতে ১৯৯১-৯২ চনৰ ১৫ নিযুত বৰ্গ মিটাৰ কাপোৰ উৎপাদন কৰিছে। কিন্তু এই কথা কিমান দুৰ কাৰ্য্যকৰী হৈছে তাৰ কোনো উমান ৰাজ্যপালৰ ভাষণত পোৱা হোৱা নাই। চৈধ্য দফীয়া আৰ্থ-সামাজিক কাৰ্য্যসূচীখন ৰূপায়ণৰ বাবে চৰকাৰে অতি কম দিনৰ ভিতৰতে আৱশ্যকীয় ব্যৱস্থা গ্ৰহণ কৰাৰ কাম হাতত লৈছে নেকি? মাননীয় অধ্যক্ষ মহোদয়, ৰাজ্যখনত কেৱল এটা সমস্যাৰ কথাই বিশেষ ভাবে ঠাই পাইছে। সেইটো হৈছে আলফাৰ সমস্যা। কিন্তু আলফাৰ সমস্যাৰ বাহিৰেও অসমত অন্যান্য সমস্যা, অঘটন ঘটনাৰ পৰা হোৱা সমস্যা, শিক্ষা ব্যৱস্থাৰ সমস্যা, দৈনন্দিন ঘটি থকা সমস্যা, নিৰনুৱা সমস্যা আদিৰ দৰে বহুতো সমস্যা আছে। কিন্তু সেইবোৰ সমস্যা সমাধানৰ কি কাৰ্য্যপন্থা হাতত লৈছে তাৰ কোনো উল্লেখ আমি পোৱা নাই। আমি ৰাজ্যপালৰ ভাষণ একেবাৰে অসত্য বুলি সমালোচনাও কৰিব বিচৰা নাই। আমি এটা কথাহে জানিব বিচাৰিছোঁ যে আলোচনাৰ মাজেদি আমি কি পৰ্য্যায়ত উপনিত হৈছোঁ সেইকথাহে। কিন্তু সকলো ঘটনা আদি বাদ দি কেৱল আলফাৰ সমস্যাইহে ৰাজ্যপালৰ ভাষণত ঠাই পাইছে। কিন্তু এটা বিষয়ৰ প্ৰতি মাননীয় অধ্যক্ষ মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিলো যে সঘনাই বাতৰি কাকত বা অন্য প্ৰেছ বিজ্ঞপ্তি আদিত প্ৰকাশ পোৱা, আলফাৰ লগত কেন্দ্ৰীয় চৰকাৰৰ কি কি আলোচনা হৈছে এই সংক্ৰান্তৰ যিবোৰ কথা প্ৰকাশ হৈছে সেইবোৰ কথা সদনত কিয় প্ৰকাশ কৰিব নোৱাৰে সেই বিষয়েহে আমি মুখ্য মন্ত্ৰী ডাঙৰীয়াক জনাবলৈ অনুৰোধ কৰিছোঁ। কাৰণ বাতৰি কাকতৰ বাতৰিয়ে অসমৰ ৰাইজক বিভ্ৰান্ত কৰি তুলিছে। আৰু আমাৰো সন্দেহ হৈছে, প্ৰকৃততে আলোচনা হৈছে নে নাই।

---

* *Speech not corrected*

মাননীয় অধ্যক্ষ মহোদয়, দিল্লীত ডকাইটি কেচ ৩০, বোম্বেইত ১০৯। দিল্লীত মার্ডাৰ কেচত ৪২৯। এটেমটো মার্ডাৰ দিল্লীত ৪৫৬, বোম্বাইত ২৪৫। ৰবাৰী দিল্লীত ২৫৫, বোম্বাইত ৯৬৫ ইত্যাদি, ইত্যাদি। গতিকে অধ্যক্ষ মহোদয়, যিখন দেশত যিটো চলি আছে সেইটোৰ লগত অসমৰ মানুহক জড়িত কৰিব নালাগে। অসমৰ মানুহক বিশ্বাসত লব লাগে। স্বেচ্ছাসেৱক বা সেচ্ছাসেৱিকাক কামত লগাব লাগে। এই কামত কেনেকৈ নিয়োগ কৰা হব কেনো স্পষ্ট নীতি নাই। তেনে কৰিলে কোনো বিষয়তে সমস্যা সমাধান নহয়। ৰাইজক অন্ধকাৰত ৰখা উচিত নহয়। কিছুমান কথা সদনত জনোৱা উচিত। ভাৰতবৰ্ষৰ প্ৰাক্তন প্ৰধান মন্ত্ৰী জৱাহৰলাল নেহৰু পাৰ্লিয়ামেণ্ট চলি থকা সময়ত বিদেশ ভ্ৰমণ কৰিবলৈ গৈছিল। বিদেশৰ পৰা ঘূৰি আহি পাৰ্লিয়ামেন্টত সোমাই তেখেতৰ মনোভাৱ ব্যক্ত কৰিছিল। কেন্দ্ৰীয় চৰকাৰৰ লগত ৰাজ্য চৰকাৰৰ কি কি আলোচনা হৈছে সেই বিষয় বিলাক সদনত জনাব লাগে। সামৰিক বাহিনী জোৱান সকলৰ কৰ্তব্য হৈছে দেশ ৰক্ষ্য কৰাটো। কিন্তু জনসাধাৰণক উৎপাত কৰিবৰ কাৰণে অনা বুলি বহুতো অভিযোগ কাগজে পত্ৰে পোৱা হৈছে। যোগীঘোপাৰ বিষয়ে অভিযোগ কৰিছে যে কেইজনমান লোকৰ নাম দিয়া হৈছে তেওঁলোককে আলফাৰ লগত সহযোগ কৰিছে বুলি কিন্তু তেওঁলোকৰ কোনোজনে আলফাৰ লগত জড়িত নহয়। পঞ্চায়ত নিৰ্বাচনৰ সময়ত আমাৰ দলৰ মানুহক কৈছে যে এ-জি-পি, বাদ দি আই কংগ্ৰেছ দলত যোগ দিয়া। অধ্যক্ষ মহোদয়, অসম নাগালেণ্ড সীমান্ত সম্পৰ্কে বৰ্তমান চৰকাৰে কোনো নীতি লব নোৱাৰে। শেষতীয়াকৈ জানিব পৰা মতে অসম নগালেণ্ড সীমান্তৰ ডি চেক্টৰৰ অধীনত বসবাস কৰা লোক সকলক নগাসকলে অলপতে গাওঁ এৰি যাবলৈ ভাবুকি দিছে। সংৰক্ষিত বনাঞ্চলৰ দৈয়াং বা মুঠ মাটি কালি (হেঃ) ২৪৪৭৩ হেজাৰ আৰু নগালেণ্ডৰ মাটি বালি হয় ১০০০ হেজাৰহে। আৰু অ নগাৰ মাটি কালি ২২০০ হেজাৰ হে। নগা ৩ অনগা ১৩৯ নগা ৬৩০ অনগা জনসংখ্যা ৩৯০৭৯ জন। বেং মাত আমাৰ মাটিৰ কালি ১৩৯.২১ নগা ৬০০০ হেজাৰ অ নগা ৫৫০০ হেক্টৰ আৰু নগা ১৫ অনগা ৬১ নগাৰ জন সংখ্যা ২০৬০ আৰুঅনগাৰ জনসংখ্যা ১০০০১ নামবৰ দঃ মুঠ মাটি কালি হেক্টৰত ২৭০৫৭.৫৫ নগাই দখল কৰে ১৩০০০ অনাগাই বেদখল কৰে ১২০০০ নগাৰ গাওঁ ৩৯ অনগাৰ গাওঁ ১২৫ নগাৰ জনসংখ্যা ৫৫৭৯ অনগাৰ জনসংখ্যা ২৫৭৪৩। ডিফুৰ মুঠ মাটি কালি ১৮৩৬১-৭১ নগাই দখল কৰে ১৭০০০ অনগাই বেদখল কৰে ১০৫০ নগাৰ গাওঁ ৩০ অনগাৰ গাওঁ ৬ নগাৰ জন সংখ্যা ১০৩৫৩ অনাগা জনসংখ্যা ৫৪৩৪। মুঠ মাটি ৮১৩.২৬ নগাৰ দখলত থকা মাটিৰ কালি হেঃ ৩৭০০০ বেদখলত ৪০৫৫০ নগাৰ গাওঁ ৮৭ অনগাৰ গাওঁ ৩৩১ নগাৰ জন সংখ্যা ১৮৬২২ অনগাৰ জনসংখ্যা মুঠ ৮০,২৫৪ জন।

মাননীয় অধ্যক্ষ মহোদয়, যোগান বিভাগৰ কথা কোৱা হৈছে— ইয়াত ষ্টেটফেডৰ অভিযোগৰ কথা উঠিছে। মই এখন দৰ্খাস্তত ৰিকমেণ্ড কৰি দিছিলো কিন্তু চাৰ্জত নাছিলো। এই কেলেংকাৰীৰ কাৰণে হাউচ কমিটি হওক, হাই কোৰ্টত কেচ কৰক। আপোনালোকে কৰিব নোৱাৰে কিয় ? চাউল আছে ধন নাই। দুটকা দৰত চাউল দিয়াৰ কথা কৈছিল। নিৰ্বাচনৰ সময়ত ভোটৰ আশাত ৰাইজক দুটকা দৰত চাউল দিছিলে। ষ্টেটফেডে ৪.৫০ কৈ ৪.০০ টকা দৰত চাউল কিনি দুটকা দৰত ৰাইজক চাউল যোগান ধৰিছিল। মই এজন কৰ্ম্মচাৰীক সোধোতে

তেখেতে ক'লে যে মন্ত্ৰীয়ে যিহকে কয় তাকে কৰা হব। বৰ্তমান চৰকাৰে কিছুমান অযুহাত দেখুৱাই আঞ্চলিক পঞ্চায়ত পিচুৱাই দিছে। ইনদাষ্ট্ৰিৰ কথা কওঁ মাননীয় অধ্যক্ষ মহোদয়, অসমৰ ৮ টা প্ৰকল্প বন্ধ কৰি দিছে। মুখ্য মন্ত্ৰী মহোদয়ে এন, ই, চিৰ লগত যোগাযোগ কৰিছে নে নাই। ব্ৰহ্মপুত্ৰ বাননিয়ন্ত্ৰণ কৰিবলৈ লৈছে। ব্ৰহ্মপুত্ৰৰ লগত যোগাযোগ কৰিছে নে নাই। ব্ৰহ্মপুত্ৰ বাননিয়ন্ত্ৰণ কৰিবলৈ লৈছে।ব্ৰহ্মপুত্ৰৰ লগত গংগাৰ সংযোগ কৰাৰ দৰকাৰ হ'ল। এইবাৰ পানীলৈও চোৱা হ'ল।

(আপোনালোকে হাঁহিব পাৰিব। কিন্তু অসমৰ মানুহক হুহুৱাব নোৱাৰিব।) বান প্ৰতিৰোধৰ ক্ষেত্ৰত মুখ্য মন্ত্ৰী ডাঙৰীয়াই উত্তৰ দিছিল বকেয়া ধন দিবলৈ কেন্দ্ৰক আমি অনুৰোধ কৰিছো। আমি শতকৰা ৯৫ ভাগ গ্ৰান্ট আৰু চেংচন কৰাই আনিছিলো সেইখিনিও বৰ্তমান চৰকাৰে ৰাখিব পৰা নাই। কঠালগুৰি প্ৰজেক্ট সম্পৰ্কত কোনো এটা ব্যৱস্থা লৈ কামত আগবাঢ়ি যাব পৰা নাই। এই ব্যৱস্থাটো হাতত লোৱা উচিত হব।

মাননীয় অধ্যক্ষ মহোদয়, এইটো মোৰ অভিযোগ নহয় এইটো আপোনালোকৰে এজন মন্ত্ৰীৰ অভিযোগ — আজিৰ বাতৰি ৪-২-৯২ তাৰিখৰ শীৰ্ষক "মধ্যভোগীৰ বিৰুদ্ধে মন্ত্ৰীৰ অভিযোগ" নিৰনুৱা যুৱক-যুৱতিসকলক চাকৰি দিয়াৰ নামত এচাম মধ্যভোগীয়ে বৃহত পৰিমাণৰ ধন আত্মসাত কৰাৰ এক গুৰুতৰ অভিযোগ আজি পঞ্চায়ত বিভাগৰ ৰাজ্যিক মন্ত্ৰী গৌতম ৰায়ে উত্থাপন কৰে। মন্ত্ৰীজনে লগতে কয় উক্ত সুবিধাবাদীসকলে বিভিন্ন প্ৰাৰ্থীৰ তালিকা লগত লৈ নিযুক্তি দিবলৈ মন্ত্ৰী-বিধায়কক ব্যতিব্যস্ত কৰাৰ বাবেই নিযুক্তিৰ কাম পলম হৈছে। ৰাজ্যিক মন্ত্ৰীজনে আজি এই সংবাদদাতাক অভিযোগ কৰি কয় তেওঁৰ সমষ্টিত নিযুক্তি দিবলৈ বিভিন্ন কংগ্ৰেছ(ই)ৰ কৰ্মীয়ে তেওঁৰ হাতত বিভিন্ন তালিকা দাখিল কৰিছে। প্ৰত্যেক বিধায়কে বাৰজন প্ৰাৰ্থিৰ তালিকা দিব লাগে যদিও অন্যান্য কৰ্মীও কংগ্ৰেছ কৰ্মীয়ে তালিকা দিছে। ইতিমধ্যে কংগ্ৰেছ(ই) হাইলাকাণ্ডী গোটে সমষ্টিত তেওঁ নিযুক্তি দিয়া ৩৮৮ জন শিক্ষকৰ গৰিষ্ঠসংখ্যকেই কংগ্ৰেছ (ই)ৰ সদস্য নহয় বুলি অভিযোগ কৰিছে। কিন্তু মই কেবল কংগ্ৰেছ(ই)ৰ সদস্যক নিযুক্তি দিয়াতো উচিত নহব, কিয়নো মই কেবল কংগ্ৰেছ(ই)ৰ মন্ত্ৰীয়েই নহয় অসমৰো মন্ত্ৰী, তেওঁ কয়। এইদৰে বিভিন্ন অভিযোগ বাতৰি কাকতত ওলাইছে। আন এটা বাতৰি ৩১-১-৯২ আজিৰ বাতৰি শিৰ্ষক টকা আৰু দেহৰ বিনিময়ত চাকৰি কংগ্ৰেছ(ই) মহিলা কৰ্ম্মীৰ গুৰুতৰ অভিযোগমতে টকা আৰু দেহৰ বিনিময়ত চাকৰি দিয়াৰ প্ৰলোভনদি মন্ত্ৰী বিধায়কৰ চৌপাশে থকা এচাম লোকে বহু মহিলা যুৱতীৰ শালীনতাহানি কৰিছে বুলি কংগ্ৰেছ(ই) একাংশ সদস্যই গুৰুতৰ অভিযোগ কৰিছে। নগাৱৰ কাটনি গাৱৰ যুৱতি চুলতানা চাহিদাৰ এনে এক লিখিত অভিযোগ সদ্যহতে মুখ্যমন্ত্ৰী হিতেশ্বৰ শইকীয়াৰ হাতত পৰিছেগৈ। আৰ্থিক দিশত দুৰ্বল ঘৰৰ এই যুৱতী গৰাকী কংগ্ৰেছ(ই)ৰ এগৰাকী সক্ৰীয় সদস্য। তেওঁ অভিযোগ কৰিছে যে বহু মন্ত্ৰী বিধায়কৰ কাষত থকা কিছুমান মদাহী চৰিত্ৰহীন সুবিধাবাদীয়ে চাকৰি দিয়াৰ প্ৰলোভন দি বহু যুৱতী প্ৰাৰ্থীৰ শালীনতাত হাত দিছে। নগাৱৰ পাঁচজনকৈ মন্ত্ৰী থকাৰ পিচতো কোনো দালালক টকা নিদিলে নাইবা কোনো

* *Speech not corrected*

ব্যক্তি বিশেষৰ মন ৰক্ষা নকৰিলে চাকৰি পোৱাৰ কোনো সম্ভাৱনা নাই বুলি যুৱতী গৰাকীয়ে পত্ৰখনত অভিযোগ কৰিছে। তাৰ পাচত আন এটা ৩ মাৰ্চৰ আজিৰ অসমত পঞ্চায়ত নিৰ্বাচনৰ সুবিধালৈ কংগ্ৰেছ(ই) নেতা পালিনেতাৰ ধন সংগ্ৰহত অভিযোগ কৰা মতে অৰ্থ সংগ্ৰহ কৰাৰ বাবে তিনিচুকীয়া চহৰ সকলোৰে বাবে উত্তম ঠাই, জানিব পৰামতে পঞ্চায়ত নিৰ্বাচনৰ নামত সেইসকল কংগ্ৰেছ(ই) নেতা-পালিনেতাই ব্যৱসায়ী আৰু এচাম বিষয়াৰ পৰা কমেও দুইলাখ টকা সংগ্ৰহ কৰে। ইয়াৰ উপৰিও আৰু অনেক অভিযোগ প্ৰকাশ পাইছে। বলপূৰ্বকভাৱে ধন সংগ্ৰহ কৰিলে কেবল আলফাই দোষী হয়, এই সকল নহয় কিয় বুলি বাতৰিত প্ৰকাশ পাইছে আৰু যাৰ কাৰণে এতিয়া প্ৰশাসনৰ ফালৰ পৰা তিনিচুকীয়াত ধন সংগ্ৰহ বন্ধ হৈ আছে। তাৰ পাচত ১২-২-৯২ আজিৰ অসমৰ কাকতত 'মজিবুৰ ট্ৰাষ্ট ফাণ্ড' চাকৰি দিয়াৰ প্ৰতিশ্ৰুতিৰে টকা সংগ্ৰহ শীৰ্ষক বাতৰিত প্ৰকাশ যে 'মজিবৰ ট্ৰাষ্ট ফাণ্ড নামৰ এটা সংস্থাত ৫ হাজাৰকৈ টকা জমা দিলে চাকৰি দিয়াৰ প্ৰতিশ্ৰুতি দিয়া হৈছে। তাত প্ৰকাশ পোৱা মতে ধিং বিধান সভা সমষ্টিত মুকলি ভাবেই টকাৰ বিনিময়ত চাকৰি দিয়াৰ ঘোষণা কৰা হৈছে। আৰু অনেক অভিযোগ বাতৰিটোত প্ৰকাশ পাইছে। তাৰ পাচত ২৮ ফেব্ৰুৱাৰী সন্ধ্যা বাতৰি কাকতৰ ফিচফেডৰ জোলোঙাৰ মেকুৰী ওলাল আৰু আমদানীকৃত মাছ প্ৰদৰ্শনীত বিক্ৰী কৰাৰ ৰহস্য শীৰ্ষক বাতৰিত প্ৰকাশ যে ফিচফেদ নামৰ অসমৰ চৰকাৰী প্ৰতিষ্ঠান এটাই অলপতে অসম সাহিত্য সভাত জাক-জমকতাৰে মাছ বিক্ৰী কৰিলে। সমগ্ৰ অসমৰ সাহিত্য প্ৰেমীৰ লগতে গোৰেশ্বৰৰ স্থানীয় ৰাইজেও মাজত প্ৰদৰ্শনীত মাছ বিক্ৰী কৰি ফিচফেডে নাম কিনিলে, পিছে ভুলৈ জানিব পৰা মতে এই ফিচফেডৰ মাছ সমুহ বোলে ফাঁচী বজাৰৰহে। এতিয়া জোলোঙাৰ মেকুৰী ওলাই পৰিছে। সেইদৰে আমি গম পোৱা মতে কেবাজনো মন্ত্ৰীয়ে চৰকাৰী গাড়ী লৈ পঞ্চায়ত নিৰ্বাচনৰ কামত ব্যৱহাৰ কৰিছিল।

মাননীয় অধ্যক্ষ মহোদয়, ইয়াৰ বাহিৰেও আন বহু প্ৰয়োজনীয় কথা আছে যিবিলাক নেকি কৈ থাকিলে বহু সময়ৰ প্ৰয়োজন হব গতিকে মই সকলোবিলাক কথা কবলৈ নাযায়য়। কিন্তু এইটো কথা হব নোৱাৰে যে এ,জি,পিৰ দিনত অভিযোগ উঠিছিল কাৰণেই এই চৰকাৰৰ অভিযোগ অনাৰ অধিকাৰ নাথাকিব এইটো উত্তৰ হব নোৱাৰে। আমি মাত্ৰ ৪ বছৰ ১১ মাহ শাসন চলালো আৰু আপোনালোকে ৪০ বছৰ শাসন কৰিলে গতিকে তাৰ কাৰণে আপোনালোকেই দায়ি হয় নে নহয়? তাৰ কাৰণে আপোনালোকৰ দায়িত্ব আছে নে নাই? আবচুৰ সম্পৰ্কত আলোচনা কৰা হৈছে কিন্তু এই সম্পৰ্কত কোনো স্পষ্ট নীতি আমি দেখিবলৈ পোৱা নাই, গতিকে ইয়াৰ এটা স্পষ্ট ব্যৱস্থা লব লাগে কিয়নো এই সমস্যাটোৰ লগত গোটেই অসমৰ সমস্যা সাঙোৰ খাই আছে। তাৰ পাচত বান নিয়ন্ত্ৰণৰ ক্ষেত্ৰত আজি কি ব্যৱস্থা লোৱা হৈছে সেই বিষয়ে স্পষ্টভাবে কোৱা উচিত। মাননীয় অধ্যক্ষ মহোদয়, মই শেহতীয়াভাবে এ, পি,এচ,চিৰ কথা কব বিচাৰিছো। সেইটো হ'ল বিগত দিনত এ, পি, এচ, চিৰ সদস্য নিৰ্বাচিত হৈছিল তাত সকলো দলৰ বা বিভিন্ন মহলৰ পৰা সদস্য লোৱা হৈছিল। কিন্তু বৰ্তমান চৰকাৰৰ দিনত কেবল নিৰ্দ্দিষ্ট দলৰ লোককহে এ, পি, এচ,চিৰ সদস্য অন্তৰ্ভূক্ত কৰা হৈছে। এ,পি,এচ,চিয়ে চিলেক্ট কৰা প্ৰাৰ্থীক ৰাষ্ট্ৰীপতি শাসন প্ৰবৰ্ত্তন হোৱাৰ ৰাজ্যিক চৰকাৰে সেই লিষ্টৰ পৰা এতিয়ালৈকে কাকো নিযুক্তি দিয়া নাই। এই সম্পৰ্কত বাতৰিকাকতত প্ৰকাশ পাইছে। গতিকে আজি যিহেতু আপোনালোক শাসনত অধিস্থিত

আপোনালোকে এই বিষয়ত সোনকালে সিদ্ধান্ত লব লাগে। কৃষি বিভাগৰ কথা কবলৈ গৈছো, তাত কৈছে কৰ সংগ্ৰহ কৰা হব। এজিএমচিৰ এটা অৰ্ডাৰ এই সম্পৰ্কত ওলাইছে তাত চেক্ৰেটাৰীৰ চহী আছে। বক্সিৰহাট চেকগেটটোক মাৰকেট কমিটিত জৰিত কৰিছে আৰু ইয়াৰ পৰাই কৰ সংগ্ৰহ কৰিব নেকি ? আচলতে এই চেকগেটটো মাৰকেট কমিটিত ইনক্লুড হব নোৱাৰে। গতিকে তেওঁলোকে চৰকাৰৰ নিৰ্দেশ আপত্তি কৰিছে কিয়নো আসাম এগ্ৰিকালচাৰেল মাৰ্কেটিং এক্টত কৰ কলেকশ্যন কৰিব পৰা ব্যৱস্থা তাত নাই। এনেকুৱা কিছুমান বিষয় আছে সেইবিলাক বে-আইনি হৈছে গতিকে এইবিলাক চৰকাৰে পুংখানুপুংখ ৰূপে চোৱাটো ভাল।

মাননীয় অধ্যক্ষ মহোদয়, অসমৰ আৰ্থ সামাজিক উন্নয়নৰ কাৰণে কাম কৰিবলৈ যাওঁতে আমি বিভিন্ন সমস্যাৰ সন্মুখীন হবলগা হৈছে। এই কাৰণেই যে, কেন্দ্ৰীয় চৰকাৰৰ পৰা অসমে যি ধৰণে সহায় পাব লাগে তেনেধৰণে সহায় পোৱা নাই। বাজেট বক্তৃতা চালে দেখিব যে যদিও কেন্দ্ৰত একে চৰকাৰেই আছে তথাপিও কোনো নতুন কথা বাজেট বক্তৃতাত কব পৰা নাই। কিয় কব পৰা নাই? বাজেট বক্তৃতাত যিবিলাক কাম কৰিম বুলি কৈছে, সেইবিলাক কাম আপোনালোকে সদনত নকৰিম বুলি উত্তৰ দিছে। অকল সেইটোৱে নহয়। আজি স্কুল বিলাক প্ৰভিনচিয়েলাইজ কৰাৰ ক্ষেত্ৰতো বৈশম্য মূলক নীতি লোৱা হৈছে। এল, পি, স্কুলৰ ক্ষেত্ৰত বেলেগ কথা। ১২ খন কৰি স্কুলৰ লিষ্ট দিবলৈ কোৱা হৈছে। সম্পূৰ্ণ ৰাজনৈতিক দৃষ্টি কোনৰ পৰা এইটো কৰা হৈছে। অধ্যক্ষ মহোদয়, এইবিলাক স্পষ্টভাবে চোৱা ভাল আৰু চৰকাৰৰ এই ক্ষেত্ৰত সঠিক নীতি থকা ভালে। আজি বিভিন্ন অভিযোগ উঠিছে আৰু এই অভিযোগ বিলাকৰ ভিত্তিত আমি স্পষ্টভাবে কবলৈ বিচাৰো যে, বাজেট বক্তৃতাত যি কেইটাৰ নীতিৰ কথা উল্লেখ কৰা হৈছে সেইকেইটা জুলাই আগষ্ট চেচনৰ ৰাজ্যপালৰ ভাষণত স্পষ্টভাবে আছে। এই দুটা স্পীচৰ ভিতৰত বিসংগতি দেখা যাব।

মাননীয় অধ্যক্ষ মহোদয়, The Defence Minister, Mr. Sharad Pawar's criticism, on July 28, of the frequent deployment of the army on the request of the State Governments to quell disturbances, has been widely welcomed. But it would be unfortunate if matters are allowed to rest where they are without devising checks against this pernicious practice.

The latest Anual Report of the Ministry of Defence for 1990-91 was published shortly after Mr. Pawar Spoke.........." Co-operation between armed forces and civil authorities" mentioning broadly, the assistance which the armed forces render to civil authorities for the maintenence of law and order, of essential services and in rescue and relief operations. The Chapter (XII) in the latest Report makes particularly depressive reading. We may leave aside the Special cases of Kashmir, Assam, Manipur and perhaps even

Meghalaya which was rocked by inter-tribal violence in September 1990.........

Lt. Gen. P. N. Hoon (Retd.) ........ "The Army was trained to "Shoot to kill" and it is grievously callous on the part of the civil administration to embroil it in such situations. What do the civil authorities desire to achieve? Get the problem off their hands and put it in the lap of the army? We all know that this gallant force will carry out assigned task. Is it fair?.........................
(INDIAN EXPRESS, Friday, August 30, 1991.)

অধ্যক্ষ মহোদয়, যোৱা জুলাই আগষ্ট চেচনত Governor's Speech ত কৈছে Every adult member of all families living below the poverty line will get 15 kgs. of rice per month at the rate of Rs. 2 per kg...... ducks will be distributed amongst the indigenous women.

........ ইনদিগজেনিয়াচ ওমেন বুলিলে কি বুজাইছে? অল্ এজ পেন্সন এইটো ঠিকেই চলি আছে। বন নীতিৰ ক্ষেত্ৰত ১৯৯২-৯৩ চনত গছ গছনি কটা হ্ৰাস কৰা হৈছে। এ, জি, পি চৰকাৰৰ দিনতো এইটো বন্ধ কৰা হৈছে। মই আশা কৰো তেখেতে কি নীতি প্ৰবৰ্ত্তন কৰিব বিচাৰিছে এই কথা স্পষ্টভাবে সদনত অৱগত কৰা উচিত। অধ্যক্ষ মহোদয়, আমি আমাৰ দলৰ ফালৰ পৰা এইটো কথা স্পষ্টভাবে কৈছো বস্তুৰ দাম ১৯৯০ চনত যিমান আছিল এতিয়াও সিমান আছেনে? চাউলৰ দাম, কেৰাচিন তেল জনসাধাৰণে ভাল ধৰণে পাইছেনে? দাইলৰ দাম সকলো বিলাক তুলনা কৰি চালে দেখিব কি হৈছে। পঞ্চায়ত নিৰ্বাচনৰ আগে আগে চাপ্লাই মন্ত্ৰীৰ সমষ্টিলৈ গৈছিলো হোজাইত চাপ্লাই ডাইৰেক্টৰে ২ টকা কেজিত ৰাইজক চাউল বিতৰণ কৰিবলৈ কোৱা হৈছে। কিন্তু নিৰ্বাচনৰ আগে আগে হোজাই চাবডিভিজনৰ কিমান মানুহক চাউল দিয়া হ'ল? এতিয়া নিৰ্বাচনৰ পিচত ২ টকা কেজিৰ চাউল ৰাইজে পাইছেনে? গোটেই কথা বিলাক কেইজনমানক সুধাত ক'লে যে নিৰ্বাচনৰ আগত মন্ত্ৰীয়ে ২ টকা কিলোত চাউল দিবলৈ কৈছে। চাউল সমবায় বিলাকক দিবলৈ কোৱা হৈছিল। সমবায়ে চাউল ৪/৫ টকা কেজিত কিনি ২ টকা দামত বিতৰণ কৰিবলৈ ইন্সট্ৰাকচন দিয়া হৈছিল। সমবায় বিলাক কি অৱস্থাত চলি আছে তাৰ লগত জৰিত হৈ থকা গাওঁ অঞ্চলৰ ৰাইজে কব পাৰিব। অধ্যক্ষ মহোদয়, মই বিশেষ কব বিচৰা নাই। অসম চুক্তি ৰূপায়ণৰ ক্ষেত্ৰত, গেচ ক্ৰেকাৰৰ ক্ষেত্ৰত, কেন্দ্ৰীয় বিশ্ববিদ্যালয়ৰ ক্ষেত্ৰত, অশোক কাগজ কলৰ ক্ষেত্ৰত আৰু সীমান্ত অঞ্চলত কাটা তাৰৰ বেৰ দিয়া কাম ক্ষিপ্ৰতৰ ভাবে কৰিব লাগে। এগৰাকী মাননীয় সদস্যই আই, এম, দি, টি এক্ট সংশোধনৰ কথা উল্লেখ কৰিছে। এই এক্ট আসাম একৰ্দৰ ২ বছৰৰ পিচত আহিছে। আলোচনাৰ কালত প্ৰয়াত প্ৰধান মন্ত্ৰী ৰাজীৱ গান্ধীৰ লগত চুক্তি হৈ যোৱাৰ পিচত আমি এই আইনখন সংশোধন কৰাৰ বাবে পৰামৰ্শ আগবঢ়াইছিলো।

---

* *Speech not corrected*

যেনেধৰণে সংশোধন কৰাৰ বাবে দিয়া হৈছিল তেনেধণে সংশোধন কৰা হোৱা নাই। অসমৰ কংগ্ৰেছ আইৰ কেইজনমানে চুক্তি নকৰিবলৈ কৈছিল আৰু কোনে কোনে কৈছিল কব লাগিবনেকি? কেন্দ্ৰত আপোনালোকৰ নিজা চৰকাৰ থকা স্বত্বেও আজি বিশেষ কিবা আনিব পাৰিছেনে? অষ্টম পৰিকল্পনাত ব্ৰদ্‌গজ লাইনৰ কিমান সম্প্ৰসাৰণ কৰা হল? ৰাস্তাৰ মেৰামতিৰ কাৰণে কেন্দ্ৰীয় চৰকাৰলৈ প্ৰস্তাৱ পথাইছে। নেচনেল হাইৱেৰ মেৰামতিৰ কাৰণে কেন্দ্ৰীয় চৰকাৰে পইচা দিব লাগে। নহলে ষ্টেট বাজেটৰ পৰা খৰচ কৰিব লাগিব। অধ্যক্ষ মহোদয়, আজি আমাৰ কেন্সাৰ ইনষ্টিটিউটৰ অৱস্থা একেবাৰে শোচনীয় হৈছে। মানুহ আজি চিকিৎসাৰ বাবে ভেলোৰলৈ যাব লগা হৈছে। কেন্দ্ৰীয় চৰকাৰৰ পৰা টকা আনিব পৰা নাই। ৰাজ্যপালক চেয়াৰমেন হিচাবে লৈ এটা কমিটি কৰা হৈছিল গতিকে আমাৰ চৰকাৰে আগভাগ লব লাগে। শিক্ষা ব্যৱস্থাৰ আমূল পৰিবৰ্তন সাধন কৰাৰ বাবে বিশেষ প্ৰচেষ্টা হাতত লোৱা উচিত। এই ক্ষেত্ৰত আজি যি ৰিটিন ৰিপ্লাই পালো লেবাৰ এণ্ড এমপ্লইমেন্ট মন্ত্ৰীৰ পৰা যে ১৪ লাখ ডেকা ল'ৰাৰ নাম ৰেজিষ্টাৰ কৰাৰ ভিতৰত ১ হাজাৰ নিযুক্তি পালে। আনহাতে নাম ৰেজিষ্টাৰ নকৰা ল'ৰাইও চৰকাৰী চাকৰি পাইছে। গতিকে নাম ৰেজিষ্টাৰ এমপ্লইমেন্ট একচেঞ্জত কৰাতো বাধ্যতামূলক কৰিব লাগে। ৰেলওৱে বিভাগতো অসমৰ বাহিৰৰ মানুহে নিযুক্তিপাইছে। গতিকে ৰেলওৱে, অ, এন, জি, চি আৰু অল ইণ্ডিয়া লেভেলত আমাৰ যুৱক যুৱতীক চাকৰি দিয়াৰ বাবে চেষ্টা কৰিব লাগে। ৰেলওৱে বাজেট উত্থাপন কৰোতে কেন্দ্ৰীয় ৰেল মন্ত্ৰীয়ে চাকৰি কৰ্তন কৰিবলৈ লৈছে। গতিকে অসমৰ যুৱক যুৱতীক অসমৰ ভিতৰত নিযুক্তি দিয়াৰ বাবে চেষ্টা কৰিব লাগে। তাৰোপৰি নুমলিগড়ৰ শোধনাগাৰৰ বাবে যিসকল ইঞ্জিনিয়াৰ বা শিক্ষিত যুৱকক সংস্থাপন দিয়া হব প্ৰয়োজন হলে তেওঁলোকক বাহিৰত ট্ৰেইনিং দি আনিব লাগে কঠালগুৰি প্ৰজেক্টৰ বাবেও এই ব্যৱস্থাকে গ্ৰহণ কৰিব লাগে। আমাৰ গণ পৰিষদ দলৰ শাসনৰ গাদীত ৪ বছৰ ১১ মাহ আছিল আৰু এই সময় ছোৱাত বিভিন্ন সমস্যাৰ সন্মুখীন হবলগা হৈছিল আৰু এই সমস্যা সমাধানৰ বাবেও আগবাঢ়ি গৈছিল। আমাৰ সমালোচনা সহ্য কৰাৰ সাহস আছে। সদনৰ মজিয়াত যিমান অভিযোগ উঠিছিল সকলোৰে তদন্ত কৰিছিলো। বোৰ্ডাৰ সমস্যা লৈ নেওগ ডাঙৰীই অগ্ৰদূত কাগজত লিখিছে আৰু টি, ভিটো ইন্টাৰভিউ দিছে। কৈছে যে দৰকাৰ হ'লে আধাৰশিলা ভাঙি দিব, কিন্তু আজিলৈকে সীমা লৈকে পৌছিব পৰা নাই। ১৫ দিনৰ পিচত গৈ দেখিছো যে আধাৰশিলা এনক্ৰছ কৰিছে। সেইবিলাক আমাৰ মানুহৰ দ্বাৰা হৈছে। আমাৰ বানপ্ৰপীড়িত মানুহে চৰকাৰৰ পৰা একো সহায় নাপাই তাত গৈ আশ্ৰয় লৈছে। মাটি দখল কৰিছে। ধান খেতি কৰিছে আৰু এভাগ নিজে লব আৰু দুভাগ নগাক দিব। তেওঁলোক নগালেণ্ড চৰকাৰৰ ওচৰত দায়বদ্ধ। এইটো হৈছে ডিমাপুৰৰ পৰা প্ৰায় ১১ কিলোমিটাৰ দূৰত।

অধ্যক্ষ মহোদয়, তেওঁলোকে উৰিয়াম মাটিটো মহকুমা পাতিব। তেওঁলোকে তাত এখন জিলা কৰিব— এইটো বন্ধ কৰিব লাগে। অৰুণাচল প্ৰদেশৰ ক্ষেত্ৰটো একে অৱস্থাই হৈছে। মেঘালয়ৰ পূৰ্বৰ মুখ্যমন্ত্ৰী শ্ৰীলিংডো থাকোতে আমি সীমা চাৰ্ভে কৰাৰ কাৰণে এগ্ৰি হৈছিলো

* *Speech not corrected*

আলোচনাৰ জৰিয়তে। কিন্তু নাগালেণ্ড আৰু অৰুণাচলে এই ক্ষেত্ৰত এগ্ৰি কৰা নাছিল। নাগালেণ্ডৰ মুখ্যমন্ত্ৰী শ্ৰীজমিৰে কৈছিল যে মেপখন তোমালোকৰ হাতত থাকক আৰু মাটিটো আমাৰ হাতত থাকক। এনেদৰেই আলোচনা চলিছিল। অধ্যক্ষ মহোদয়, এনে এটা অৱস্থাত আমি মানে অসমে অতি সতৰ্কতাৰে আগবাঢ়িব লাগিব। আমাৰো এটা ভৱিষ্যত আছে। আমি অন্য ৰাজ্যৰ সীমা নেঠেলো। (সময়ৰ সংকেত)। কেন্দ্ৰীয় চৰকাৰৰ লগত এই সীমা বিবাদৰ বিষয়ে আলোচনা কৰিবলৈ গলে কেন্দ্ৰীয় চৰকাৰে নুবুজাৰ ভাও জোৰে। এতিয়া আমাৰ ৰাজ্যত আৰু কেন্দ্ৰত একে দলৰে চৰকাৰ আছে— সেয়ে আমাৰ চৰকাৰে কেন্দ্ৰীয় চৰকাৰক বুজাব লাগে। অধ্যক্ষ মহোদয়, প্লেনিং কমিচনৰ লোক নৰ্থ ইষ্ট কাউন্সিললৈ আহি ৮ টা পৰিকল্পনাৰ ধন কাটি দিলে। নৱম বিত্তীয় আয়োগে যি ডাইৰেকচন দিছে সেইটো সংশোধন কৰিব পৰা যায় নেকি আমাৰ চৰকাৰে চাব লাগে। বিহাৰ বা উত্তৰ প্ৰদেশৰ চৰকাৰে কেন্দ্ৰীয় চৰকাৰৰ পৰা যিমান সুবিধা আদায় কৰিব পাৰে আমাৰ চৰকাৰেও অধিক সুবিধা আদায়ৰ কাৰণে চেষ্টা কৰিব লাগে। যিহেতু আজি ৰাজ্য আৰু কেন্দ্ৰত একে চৰকাৰ আছে। বিৰোধী দলে ইয়াত যিবোৰ আলোচনা, সমালোচনা কৰিছে তাৰ পৰা চৰকাৰখনক জনমুখী কৰিব পাৰি। বিৰোধী পক্ষই সমালোচনা কৰিলেই চৰকাৰ পক্ষই উচাপ খাই উঠিব নেলাগে। চৰকাৰে আজি ডিফিটেড প্ৰাৰ্থীসকলক, সভাপতি, উপ সভাপতি পাতিছে— বাতৰি কাকতত পঢ়িবলৈ পাইছো। অধ্যক্ষ মহোদয়, বাতৰি কাকতত পঢ়িবলৈ পাইছো যে কেবিনেটে সিদ্ধান্ত লৈছে বোলে যদি কোনো চাকৰি প্ৰাৰ্থীয়ে মন্ত্ৰী বা এম, এল, এ-ৰ পৰা যদি কোনো চাকৰিৰ কাৰণে ৰিকমেণ্ড লয় তেন্তে তেওঁৰ আবেদন নাকচ কৰা হব। এইটো এম, এল,এ সকলৰ অধিকাৰত হস্তক্ষেপ কৰা হৈছে— তেওঁলোকৰ অধিকাৰ কাৰটেইল কৰা হৈছে। ১৪৪ ধাৰা ব্ৰেক কৰিলে সমদলক ডিচপাৰ্চ কৰিব পাৰে কিন্তু কোনো বিধায়কৰ পাৱাৰ কাৰটেইল কৰিব নোৱাৰে। প্ৰত্যেকজন এম,এল,এ, এম,পি, ৰাষ্ট্ৰপতি, উপৰাষ্ট্ৰপতি, মন্ত্ৰী, এডভোকেট, সাংবাদিক আদি সকলৰ কিছুমান প্ৰিভিলেজ আছে— এই প্ৰিভিলেজ যাতে ৰক্ষা কৰে তাৰ বাবে চৰকাৰৰ দৃষ্টিআকৰ্ষণ কৰিছো অধ্যক্ষ মহোদয় আপোনাৰ জৰিয়তে। আমি জানো যে আমি কোনো চাকৰি প্ৰাৰ্থীৰ আবেদনত ৰিকমেণ্ড কৰিলেও আপোনালোকে তেওঁক চাকৰি নিদিয়ে। কিন্তু এই কথাটো বেয়া হৈছে। আজি অসমৰ 'পাৱাৰ প্ৰজেক্ট'ৰ সমস্যা এটা জলন্ত সমস্যা, খাদ্যৰ সমস্যা, লেণ্ড ৰিৰ্ফমৰ সমস্যা, উদ্যোগী কৰণৰ সমস্যা, নিবনুৱাৰ সমস্যা আদি জলন্ত সমস্যাৰে অসমৰ জন সাধাৰণ আজিজৰ্জৰিত হৈ আছে। (সময়ৰ সংকেত)। এই সমস্যাবোৰ সমাধানৰ কাৰণে জনসাধাৰণৰ উন্নতিৰ কাৰণে চৰকাৰে আন্তৰিকতাৰে কাম কৰিব লাগে। আলফাৰ লগত চৰকাৰৰ কি আলোচনা চলিছে সেই বিষয়ে অহা ৩১ মাৰ্চৰ আগতে প্ৰকাশ কৰিব লাগে আৰু ইয়াৰ বাবে আমাক প্ৰতিশ্ৰুতি দিব লাগে। ইয়াকে কৈ মই মোৰ বক্তব্য সামৰণি মাৰিলো।

**Mr. Speaker : Now Hon'ble Member Shri Anjan Dutta.**

* শ্ৰীঅঞ্জন দত্ত ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় ৰাজ্যপালৰ ভাষণৰ ওপৰত মাননীয় সদস্য শ্ৰীজয় চন্দ্ৰ নাগবংশী দেবে যি ধন্যবাদ সূচক প্ৰস্তাৱ উত্থাপন কৰিছে তাক মই পূৰ্ণ সমৰ্থন জনাইছো আৰু

* *Speech not corrected*

ইয়াৰ বাবে তেখেতক কৃত জ্ঞতা জনাইছো। মাননীয় অধ্যক্ষ মহোদয়, আজি অসমত বহুতো জলন্ত সমস্যা আছে আৰু এই সমস্যা সমাধানৰ কাৰণে জনসাধাৰণৰ কল্যাণৰ কাৰণে আমাৰ চৰকাৰে বহুতো উন্নয়নমূ ক আঁচনি হাতত লৈছে। এই আঁচনিবোৰৰ কথা ৰাজ্যপালৰ ভাষণত সুন্দৰভাবে প্ৰকাশ পাইছে। চৰকাৰে আজি এই জলন্ত সমস্যা সমূহৰ আশু সমাধানৰ কাৰণে বিশেষ গুৰুত্ব দিছে। এইটো অতি আদৰণীয় কথা। বিশেষ সমস্যা হিচাবে মই লক্ষ্য কৰো যে, অসমৰ এজন যুৱ বিধায়ক হিচাবে অনুভৱ কৰো যে অসমত আজি এক উশৃংখল যুৱ মানসিকতা গঢ় লৈ উঠিছে। আজি উগ্ৰ অসমীয়া বুলি কোৱা, অসমৰ অস্তিত্ব ৰক্ষা আন্দোলনত ৬ বছৰ কাল জুৰি ভাগ লোৱা অসমৰ জনসাধাৰণে সেই আন্দোলনৰ ফলাফল কি পালে বা নেপালে সেই বিষয়ে মই কবলৈ নেযাও। কিন্তু অসমীয়া সমাজৰ কথা, আঞ্চলিকতা বাদৰ কথা, উগ্ৰ জাতিয়তাবাদৰ কথাই অসমৰ নতুন পুৰু ষৰ মাজত এটা প্ৰশ্নৰ উদয় হৈছে। মই বিশেষকৈ অসমৰ অস্তিত্ব ৰক্ষা আন্দোলনত ভাগ লোৱা অসমৰ জনসাধাৰণ আৰু সেই আন্দোলনৰ নেতা বৰ্তমানৰ বিৰোধী দলৰ মাননীয় সদস্য সকলো এই আন্দোলনত ভাগ লোৱা লোক। মই ভাৰতৰ স্বাধীনতা আন্দোলন দেখা নাই, কিন্তু কিতাপ পত্ৰত অধ্যয়ণ কৰিছো। ভাৰতৰ স্বাধীনতা আন্দোলনত বহুতো লোকে ত্যাগ স্বীকাৰ কৰিছিল। সেই আন্দোলনৰ বহুতো মুক্তিযুঁজাৰু এতিয়াও জীৱিত আছে বহুতো শ্বহীদ হৈছে। সেই আন্দোলনত ভাৰতীয় লোকৰ ত্যাগৰ মনোভাৱ আছিল আৰু মহাত্মাগান্ধীৰ নেতৃত্বত সেই আন্দোলন অহিংস আছিল। অসমৰ অস্তিত্ব ৰক্ষা আন্দোলনত অসমৰ ধৰ্ম ভাষা নিৰ্বিশেষে সকলো মানুহে জপিয়াই পৰিছিল আৰু বহুতো শ্বহীদ হৈছিল মই এই শ্বহীদসকলক ভাৰতৰ স্বাধীনতা আন্দোলনৰ শ্বহীদসকলৰ লগত তুলনা কৰিব বিচাৰো। কিন্তু অসম আন্দোলনৰ নেতৃত্ব লোৱা লোক বা নেতা সকলে আজি অসমৰ ৰাইজক প্ৰঞ্চনা কৰা আমি দেখিবলৈ পাইছো।

(Mr. Speaker Vacated the Chair and Mr. Deputy Speaker Occupied it)

মাননীয় উপাধ্যক্ষ মহোদয়, আজি যদি আমি অসমীয়া সমাজৰ বুৰঞ্জী চাবলৈ যাওঁ যদি আমাৰ অসমীয়া সমাজৰ ইতিহাসৰ পিনে লক্ষ্য কৰো তেতিয়াহ'লে দেখা পাম আমাৰ শংকৰদেৱ-মাধৱদেৱ বা আজান ফকীৰে আমাৰ মাজত একতাৰ সংহতিৰ ডোল কটকটীয়া কৰি এক বৃহত্তৰ অসমীয়া জাতি হিচাবে চিনাকী দিয়াৰ কাৰণে সুবিধা কৰি থৈ গৈছে। আজান ফকীৰে ইয়ালৈ আহি অসমীয়া ভাষা শিকি নিজে জিকিৰ-জাৰি আদি লিখি আমাৰ ভাষা সমৃদ্ধ কৰি গৈছে। আমি আজি মহান চুকাফাৰ বৃহত অসমীয়া জাতি গঠনৰ যি প্ৰক্ৰিয়া তালৈ নজৰ কৰিব লাগিব। আজি আমাৰ মাজত নানান ভাষা ভাষী নানান সম্প্ৰদায়ৰ লোক থাকিলেও চুকাফাৰ জাতি গঠন প্ৰক্ৰিয়াৰ কাৰণে আমি এক অসমীয়া জাতি বুলি চিন্তিত হৈছো। তেখেতসকল আমাৰ অসমীয়া জাতিৰ প্ৰতীক স্বৰূপ। কিন্তু যোৱা অসম আন্দোলনৰ সময়ত, উপাধ্যক্ষ মহোদয়, অতি দুখৰ আৰু লাজৰ কথা যে আমাৰ সেই বৃহৎ অসমীয়া একত্ৰিত সমাজৰ মাজত নানান সম্প্ৰদায় জাত-পাত ধৰ্ম আদি ভিন্নতাৰ উদ্ৰেক হোৱাৰ ফলত আজি আমাৰ মাজত হিংসা-হিংসি আৰু ভাঙোনৰ সৃষ্টি হবলৈ ধৰা ঠায়ে ঠায়ে চকুত পৰা হৈছে। আজি অসম আন্দোলনৰ সময়ত এক সুৰত সেই

---

* *Speech not corrected*

আন্দোলনত নামি পৰা অসমৰ ভূমি পুত্ৰ বড়ো সকল কাৰ্বিসকল মূল সূতিৰ পৰা আঁতৰি আহিবলৈ চেষ্টা চলাইছে। নিজ নিজ লেগুৰ দাবীত সোঞ্চাৰ হৈছে। ইয়াৰ কাৰণ কি সেই বিলাক আমি এই সময়ত সময় থাকোতেই ফঁহিয়াই চাব জানিব লাগিব। উপাধ্যক্ষ মহোদয়, অসম আন্দোলনৰ সময়ত এ-এচ-ডি-চি সকলেও সমানে আন্দোলনত জপিয়াই পৰিছিল যদিও আজি তেওঁবিলাক পৃথক দাবীত আগুৱাই আহিছে। আজি সেই সকলেই বিভিন্ন সম্প্ৰদায়ৰ নামত কিয় আগবাঢ়ি আহিছে সেই মনোভাৱৰ প্ৰতি আমাৰ সমূহীয়া ভাবে সজাগ হব্‌ৰ সময় এতিয়াও এৰাই যোৱা নাই। অসমৰ বহুত জলন্ত সমস্যা আছে। আগতে মই অসম আন্দোলনকো ভাৰতৰ স্বাধীনতা আন্দোলনৰ লগত তুলনা কৰিছিলো। ভাৰতৰ স্বাধীনতা আন্দোলনত যেনেকৈ সকলোৱে জপিয়াই পৰিছিল তেনেকৈ অসম আন্দোলনতো জাত-পাত সকলো সম্প্ৰদায়ৰ লোকেই জপিয়াই পৰিছিল। শিক্ষা-দীক্ষা সম্প্ৰদায়ৰ প্ৰতি নাচাই আন্দোলনত জপিয়াই পৰা পৰ্দ্ধাত দুয়োটা আন্দোলনৰে ক্ষেত্ৰতে একেই আছিল। কিন্তু শিক্ষা-দীক্ষা পোৱা যুৱক-যুৱতীসকলৰ লগতে অৰ্দ্ধশিক্ষিত কিছুমানে আন্দোলনত জপিয়াই পৰিছিল। অসম আন্দোলনতৰ দুখ লগা পৰিসমাপ্তি ঘটিল। কিন্তু তাৰ লগতে এটা কথাই গা কৰি উঠিলে সৰু ল'ৰা বিলাকে বয়সস্থসকল সক সন্মান প্ৰদৰ্শন কৰা আমাৰ যিটো পৰম্পৰা সেই পৰম্পৰাৰ পৰা আমি আঁতৰি আহিলো। ছাত্ৰ-ছাত্ৰীসকলে শিক্ষকক সন্মান শ্ৰদ্ধা প্ৰদৰ্শন কৰা অৱস্থাৰ পৰা আমি আঁতৰি আহিলো। ছাত্ৰ নেতা সকলক শিক্ষকসকলে ভয় কৰি চলিবলগীয়া অৱস্থা হ'ল। অলপ প্ৰভাৱশালী শিক্ষকসকলে ও বাৰ বজাৰ আগত স্কুললৈ নগলেও একো হানি নোহোৱা দৃষ্টান্ত এই অসমতে আৰম্ভ হৈছে। কিন্তু কথা হ'ল কিয় এনে পৰিবেশৰ সৃষ্টি হ'ল? মই ইয়াৰ বাবে কাকো দোষাৰোপ কৰিব বিচৰা নাই। ইয়াৰ বাবে দেশৰ পৰিস্থিতি আৰু পৰিবেশৰ ওপৰতহে দোষাৰোপ কৰিব খুজিছো। কিন্তু আমি এতিয়া ইয়াৰ পৰিবৰ্তন আনিব লাগিব। ইয়াৰ কাৰণে বিৰোধী দলৰ মাননীয় সদস্য সকললৈ মই আহ্বান জনাইছো যে তেখেতসকলেও এই ক্ষেত্ৰত আমাৰ লগত সহায় আৰু সহযোগিতা আগবঢ়াব লাগিব। চুকাফাৰ কালত অসমীয়া জাতি গঠনৰ যি ব্যৱস্থা হৈছিল সেই ব্যৱস্থাত আমি এতিয়া গুৰুত্ব আৰোপ কৰিব লাগিব। সেই পথেৰে আমি আগুৱান হব লাগিব। গোটেইখিনিক একত্ৰিত কৰিবৰ কাৰণে শান্তিৰ পৰিবেশ সৃষ্টি কৰাৰ কাৰণে আমি আগুৱাই আহিব লাগিব। যোৱা কালি শিক্ষা বিভাগৰ কথা কওঁতে মাননীয় সদস্য যতীন মালী ডাঙৰীয়াই বহু কথা কৈছে আৰু বন্ধবৰ মাননীয় সদস্য হিতেশ্বৰ ডেকাইও নিযুক্তিৰ ক্ষেত্ৰত দুৰ্নীতিৰ কথা কৈছে। মই কিন্তু তেনেকুৱা হৈছে বুলি নাভাবো। (ভইচ ঃ হৈছে হৈছে)

মই এই কাৰণেই হোৱা নাই বুলি কৈছো যে এম. ই. স্কুল বিলাকত বৰ্তমান অংকৰ শিক্ষক দিয়াৰ কাৰণে চৰকাৰৰ ফালৰ পৰা নিৰ্দেশ দিয়া হৈছে আৰু বিজ্ঞানৰ শিক্ষকৰ নিযুক্তি দিয়াৰ ব্যৱস্থা কৰা হৈছে। মেট্ৰিক পৰীক্ষাত বেছিভাগ ছাত্ৰ-ছাত্ৰীয়ে অংক বিষয়ত ফেইল কৰা কাৰণেই এম, ই. স্কুল বিলাকত অংকৰ শিক্ষক দিয়াৰ নিৰ্দেশ দিছে কিন্তু আক্ৰোশমূলক ভাবে কংগ্ৰেছ দলৰ ফালৰ পৰা নিৰ্দেশ হ'লে অংকৰ শিক্ষকৰ সলনি কংগ্ৰেছ দলৰ সমৰ্থকে নিযুক্তি দিয়াৰ নিৰ্দ্দেশ দিলেহেঁতেন আৰু তেনেকৈয়ে যিকোনো শিক্ষকৰ পদৰ সৃষ্টি কৰিলোহেঁতেন। বহুকথা বিৰোধী

** Speech not corrected*

দলৰ এ.জি.পি-ৰ মাননীয় সদস্য সকলে কৈছে যদিও মই নিজে শিৱসাগৰৰ আমগুৰি সমষ্টিৰ বিধায়ক হিচাবে জানো যে বহু ছাত্র নেতাই এতিয়া আমাৰ কংগ্রেছ চৰকাৰৰ দিনত চাকৰি পাইছে। আপোনালোক সকলোৱে জানে প্রাক্তন ছাত্র নেতা পবিত্রপ্রাণ ভট্টাচাৰ্য্যইও শিক্ষক পদত নিযুক্তি পাইছে আৰু হৰেশ্বৰ বৰগোঁহাইও অলপতে চাকৰিত যোগদান কৰিছে। ইয়াৰ দ্বাৰা এইটো কথা প্রমাণিত হৈছে যে কংগ্রেছ দলে কাকো হিংসা বা অৱহেলা কৰা নাই।

(ভইচঃ বাচি বাচি অংক বিষয়ত শিক্ষক নিযুক্তি দিয়া হৈছে।)

(ভইচঃ অসমত বিজ্ঞান স্নাতক পাবলৈ নাই।)

আমি আজি চাব লাগিব আমাৰ অসমৰ ছাত্র-ছাত্রীসকলেও যাতে সৰ্বভাৰতীয় প্রতিযোগিতাৰ পৰীক্ষা সমূহত উত্তীর্ণ হব পাৰে আৰু তাৰ কাৰণে শিক্ষাৰ পৰিবেশ সৃষ্টি কৰিব লাগিব। তেনে শিক্ষাৰ পৰিবেশ গঢ়ি তুলিব লাগিব। ইয়াৰ কাৰণে মাননীয় সদস্যসকলে অন্ততঃ এটা কথা উপলব্ধি কৰিব পাৰিব যে শিক্ষা জগতত যাতে কোনো ধৰণৰ দুৰ্নীতি নচলে আৰু শিক্ষানুষ্ঠান সমূহ নামঘৰ মছজিদ বা গীৰ্জাৰ নিচিনা পবিত্র হৈ থাকিব লাগিব।

শ্ৰীহিতেশ্বৰ ডেকাঃ পইচা লোৱাৰ কি হব?

Mr. Dy. Speaker : Please take your seat.

* শ্রীঅঞ্জন দত্তঃ উপাধ্যক্ষ মহোদয়, আজি মাননীয় সদস্য প্রফুল্ল কুমাৰ মহন্তই কৈছে যে পেপাৰত দালালৰ দ্বাৰা বহু কাৰ্য্য সংঘটিত হোৱাৰ কথা কৈছে। মই কোনো মন্ত্রী বা বিধায়কক দোষাৰোপ কৰিব বিচৰা নাই কিয়নো সেই দালাল বিলাক মন্ত্রী বা বিধায়ক নহয় বা কংগ্রেছ দলৰ নহবও পাৰে।

(ভইচ ঃ হবও পাৰে।)

উপাধ্যক্ষ মহোদয়, বৰাক ভেলীৰ এজন লোক মোৰ ওচৰলৈ আহিছিল পলিটিকেল পেঞ্চন পোৱাৰ কাৰণে ৰিক'মণ্ডেন্সন দিব লাগে হেনো। মই বৰাক ভেলিৰ বিধায়কৰ কথা কলো কিন্তু তেখেতে ক'লে যে তেনে ৰিক'মেণ্ডেন্সন কৰিবলৈ হ'লে বিধায়কৰ দলৰ কাৰণে হেনো টকা লাগে। আৰু এজন বিষয়াইও মোক কৈছে এজন বিৰোধী পক্ষৰ বিধায়কে তেখেতৰ দলৰ কাৰণে টকা বিচাৰি বিষয়াজনক নহলে বিধান সভাত গুৰুতৰ অভিযোগ আনিব বুলি হেনো ভাবুকি দিছে।

(ভইচ ঃ নামটো কব লাগে।)

বিৰোধী পক্ষৰ মাননীয় সদস্য সকলে অসমীয়া জাতি গঠনৰ কথা কৈছে কিন্তু উগ্র জাতিয়বাদে অসমত বসবাস কৰা বিভিন্ন জনগোষ্ঠীৰ মাজত সন্দেহৰহে উদ্রেক হৈছে। আজি চাওঁক শিক্ষানুস্থান সমূহত কি চলিছে শিক্ষকসকলে নিজৰ ছাত্ৰ-ছাত্রীক কয় দুটামান লগাই নিদিলি কিয়? অমুক দলৰ মানুহজনক নিপিতিলি কিয়? গতিকে আজি তাৰ কাৰণে আমি আজি কাক দোষাৰোপ কৰিম? আমি কাকো দোষাৰোপ নকৰোঁ দোষাৰোপ কৰিছো বৰ্তমান পৰিস্থিতিক আৰু পৰিবেশক। গতিকে এই পৰিস্থিতি আৰু পৰিবেশ এটি গঢ়ি তুলিবলৈ আমাৰ চৰকাৰে যি সজ প্রচেষ্টা হাতত লৈছে

---

* *Speech not corrected*

সেই সজ প্ৰচেষ্টাক মাননীয় সদস্যসকলক সকলো দিশতে সমৰ্থন আগবঢ়াবলৈ মই আহ্বান জনালো। বৰ্তমান দেশত যি জলন্ত সমস্যা সেইটো হৈছে আলফা সমস্যা সেই আলফা সমস্যাটোক বিগত ৫ বছৰত সমাধান উলিয়াবলৈ আমাৰ দলে বা চৰকাৰে যি চেষ্টা হাতত লৈছে তাত দলভেদে সকলো সদস্যই সমৰ্থন আগবঢ়াবলৈ আহ্বান জনালো। আজি অসমত শান্তি ঘূৰি আহিছে আপোনালোকে খবৰৰ কাগজত নিশ্চয় পাইছে সংযুক্ত মুক্তি বাহিনীৰ যোৰহাট জিলাগোটৰ সচিবে আজি বিবৃতি দিছে শান্তিৰ কাৰণে আলোচনাৰ কাৰণে অস্ত্ৰ সম্বৰণ কৰিবলৈ লৈছে। গতিকে অসমত শান্তিৰ পৰিবেশ গঢ়ি উঠিছে। ৰাজ্যপাল মহোদয়ে তেখেতৰ ভাষণত আমাৰ তাকৰীয়া সময় চেৰাত শান্তিৰ পৰিবেশ ঘূৰি আহিছে বুলি উল্লেখ কৰিছে। বিৰোধীপক্ষত থাকিলেও তেখেতসকলৰ সমালোচনা গঠনমূলক হব লাগে অকল বিৰোধীতাৰ খাটিৰতে বিৰোধীতা কৰিব নালাগে আমিও যদি আমাৰ চৰকাৰৰ কিবা ভুল দেখো তেতিয়া আমি সমালোচনা কৰো।

* শ্ৰীযতীন মালী ঃ উপাধ্যক্ষ মহোদয়, কালি আমি কোৱা কথাবিলাক চৰকাৰ পক্ষই সদনত মানি লৈছে।

* শ্ৰীঅঞ্জন দত্ত ঃ গঠণমূলক পৰামৰ্শক আমি সদায়ে শ্ৰদ্ধা কৰি আহিছো। গতিকে মই কৈছোৱেই যে আমাৰ চৰকাৰৰ চমু কাৰ্য্যকালৰ ভিতৰতে অসমলৈ শান্তি সম্প্ৰীতি ঘূৰি আহিছে। আমি আজি অসমত আন্দোলন বিচৰা নাই। আন্দোলনৰ কাৰণে আমাৰ প্ৰক্ৰিয়া বিলাকত কিমান ক্ষতি হৈছে আমি নুবুজা নহয়। আমি আন্দোলন কৰিম অসমত শান্তি সম্প্ৰীতি ঘূৰাই আনিবলৈ অসমত শৈক্ষিক পৰিবেশ ঘূৰাই আনিবলৈ কিন্তু অসমত জাতীয় সত্বাক বচাই ৰাখিবলৈ আন্দোলন কৰিবলৈ আমাৰ দৰ্কাৰ নাই। আমাৰ আন্দোলনৰ দৰ্কাৰ আছে অসমত শৈক্ষিক পৰিবেশ ঘূৰাই অনাৰ যাতে ছাত্ৰ-ছাত্ৰীসকলে পঢ়া শুনা কৰে ৰাজ্যিক ভিত্তিক পৰীক্ষা বিলাকত অৱৰ্তৰ্ণ হব পাৰে কিন্তু তাৰ সলনি আমাৰ ভবিষ্যত বংশধৰ সকলক উশৃঙ্খল হবলৈ কোনো আন্দোলনতে সহযোগ নকৰিবলৈ আহ্বান জনাইছো।

শেষত ৰাজ্যপালৰ ভাষণৰ ওপৰত মাননীয় সদস্য শ্ৰী জয় চন্দ্ৰ নাগবংশী ডাঙৰীয়াই যি ধন্যবাদসমূচক প্ৰস্তাৱ দাঙি ধৰিছে সেই প্ৰস্তাৱক সমৰ্থন জনায় আৰু ৰাজ্যপাল মহোদয়লৈ কৃতজ্ঞতা জনায় মোৰ চমু ভাষণৰ আজিলৈ সামৰণি মাৰিলো।

শ্ৰীহিতেশ ডেকা ঃ উপাধ্যক্ষ মহোদয়, মই এটা পইন্ট অৱ অৰ্ডাৰ ৰেইজ কৰিব বিছাৰিছো— মাননীয় সদস্য গৰাকীয়ে দুৰ্নীতিৰ কথা উল্লেখ কৰি গৈছে— এইখিনিতে এটা কথা কব বিছাৰিছো আমাৰ মীন উন্নয়ন নিগমৰ যিজন শ্যায়াৰমেন তেওঁ শাসক দলৰ সদস্য— তেখেত বিধায়কৰ আৱাসগৃহত থাকে.................

মাননীয় উপাধ্যক্ষ ঃ আপুনি বহক, এই বিষয়টো উত্থাপন কৰিব নোৱাৰে।

শ্ৰীহিতেশ্বৰ ডেকা ঃ তেখেতে বেলেগে ভাড়া ঘৰত থকা বুলি ৭৫০ টকা বানচ লৈ আছে।

শ্ৰীচন্দন চ ৰকাৰ ঃ এইটো সঁচা নহয় মই প্ৰমাণ কৰিবলৈ আহ্বান জনাইছো।

শ্ৰীহিতেশ ডেকা ঃ মই প্ৰত্যাহ্বান গ্ৰহণ কৰিছো।

* শ্ৰীজীউৰাম বড়ো ঃ মাননীয় উপাধ্যক্ষ মহোদয়, মাননীয় সদস্য শ্ৰীজয় চন্দ্ৰ নাগবংশী ডাঙৰীয়াই ৰাজ্যপালৰ

---

** Speech not corrected*

ভাষণৰ ওপৰত যি ধন্যবাদসূচক প্ৰস্তাৱ আনিছে মই তাৰ বিৰোধীতা কৰি কেইটামান কথা কব বিছাৰিছো— ৰাজ্যপালৰ ভাষণত জনজাতিলোকসকলৰ কাৰণে কোনো প্ৰতিশ্ৰুতি নাই। এই চৰকাৰ ৰাজপাটত বহিছে বড়ো সকলৰ একচেতিয়া ভোটেৰে। তেওঁলোকে নিৰ্বাচনৰ সময়ত আৰু পাছতো জনজাতি লোকৰ সমস্যা সমাধান কৰিব বুলি বড়োলেণ্ডৰ বিষয়ে আলোচনা কৰিব বুলি প্ৰতিশ্ৰুতি দিছিল কিন্তু ৰাজ্যপালৰ ভাষণত সেইবিলাকৰ কোনো স্পষ্ট নীতি নিৰ্দ্ধাৰণ কৰা নাই। বড়ো সকলৰ লগত আলোচনা চলি থকা অৱস্থাতে কেন্দ্ৰীয় চৰকাৰৰ লগত আবচুয়ে বৈঠক কৰি থকা অৱস্থাতে বড়ো সকলৰ ওপৰত আৰ্মি দেপ্লয় কৰা হৈছে আনকি সেই আৰ্মিয়ে নাৰী ধৰ্ষণো কৰিছে। দৰং জিলাত যোৱা ২১-১-৯২ তাৰিখে বিবাহ ঘৰৰ পৰা দৰাক ধৰি আনিছে। বড়োলেণ্ডৰ কাৰণে চৰকাৰৰ স্পষ্ট নীতি এতিয়াও ঘোষণা কৰা নাই। জনজাতি লোকসকলৰ কাৰণে যি আৱন্টিত ধন ১৯৯১ চনৰ তাক লেপচ খেদাইছে। শিক্ষা বিভাগে ৫০ হাজাৰ লোকক চাকৰী দিবলৈ ওলাইছে কিন্তু জনজাতি লোকৰ যিটো বেক লগ সেই বেক লগ আজিও পূৰণ কৰা নাই। জনজাতি এলেকাত ১৯ টাকৈ দমকল জনস্বাস্থ্য কাৰিকৰী বিভাগে কৰা কথা আছিল কিন্তু আজিও তাৰ টকা দিব পৰা নাই। পশুপালন বিভাগে যি গ্ৰান্টইন এইড দিয়া কথা আছিল তাক দিয়া নাই। জাৰ্চি গাই কিনাৰ কাৰণে শতকৰা ৫০ ভাগ চাবচিডি দিয়াৰ কথা কৈছে কিন্তু সেই চাবচিদি নিদিয়াৰ কাৰণে বাকী লোনখিনিও আদায় লব পৰা নাই। আজি চৰকাৰে কৈছে যে পঞ্চায়ত নিৰ্বাচন নিকা হৈছে সকলো বিলাক তেওঁলোকৰ দলৰ পৰা আহিছে। কিন্তু মোৰ সমষ্টিতে এটা উদাহৰণ দিছো— মোৰ সমষ্টিৰ পৰা হাচিমুদ্দিন আহমেদ কংগ্ৰেছৰ পৰা পৰাজয় বৰণ কৰিছে— আমাৰ মীন মন্ত্ৰীয়ে শ্ৰী মিকন্দপানে হচিমুদ্দিন আহমেদক লগত লৈ দহিমা বেগমক ধৰিছে— আপুনি প্ৰাৰ্থীত্ব উঠাই ল'লে আমাৰ কাৰণে মই চাকৰীৰ ব্যৱস্থা কৰিম। এনেকুৱা প্ৰলোভনো দেখুৱাইছে। মোৰ সমষ্টিৰ পৰা বেছিভাগেই আন কনটেষ্ট আহিছে সেয়ে তেওঁলোকে এতিয়া কব খোজে যে তেওঁলোকৰ দলৰ বেছি মানুহ আহিছে। কিন্তু আমি দাঠি কব পাৰো এই সমষ্টিৰ পৰা কংগ্ৰেছ প্ৰাৰ্থী মাত্ৰ দুজনহে আহিছে। (সময়ৰ সংকেট)

আমি কংগ্ৰেছৰ ৰাজনীতি জানো। আজি আমাৰ যিজন মুখ্য মন্ত্ৰী তেখেত তেতিয়া গৃহ মন্ত্ৰী আছিল মই তেতিয়া বড়ো ছাত্ৰ সন্থাৰ সভাপতি আছিলো— আন্দোলন কৰোতে মোক এৰেষ্ট কৰিছিল পিঠিৰ ঘা এতিয়াও আছে। ১৯৮০ চনত তেখেত মুখ্য মন্ত্ৰী হৈ থাকোতে বড়ো ভাষাক সহযোগী ভাষা হিচাবে স্বীকৃতি দিছিল কিন্তু আজিও কাৰ্য্যকৰী নহ'ল।
(সময়ৰ সংকেট)

(Mr. Speaker occupied the ch air)

মাননীয় অধ্যক্ষ মহোদয়, বিভিন্ন দলৰ চৰকাৰ আহিল। কিন্তু আমাৰ বড়ো সকলৰ কাৰণে কোনেও একো চিন্তা নকৰিলে। আমাক এখন বড়ো লেণ্ড লাগে। আমি আশা ৰাখিছো যে কংগ্ৰেছ দলে আমাক অসমত, উত্তৰ পূৰ্বাঞ্চলক জীয়াই থাকিবলৈ সুবিধা দিয়ক। বড়ো সকলৰ সমস্যা সমাধান কৰি বড়ো ৰাজ্য সৃষ্টি কৰি দিব। "ন বড়োলেণ্ড ন ৰেষ্ট"

Mr. Speaker : Hon'ble Members, as you are aware, this today is the last

---

* *Speech not corrected*

day for discussion on Governor's address, and the Chief Minister will give reply which may take about an hour. The House generally sits upto 1.30 p.m. There are few more members who are yet to take part in the discussion due to shortage of available time. However, with the consent of the House, I want to extend the House by another half an hour. I will now request the Chief Minister to reply.

.....................(Noise)

We are to finish the debate as per the time allotted, but the time during this period has been wasted unnecessarily.

.......................(Noisy interruption)

It is day before yesterday, there were 20 points of order which naturally wanted the allotted time. However, I will see that all the Hon'ble Members can participate in the Budget discussion. Mr. Dewan, you have participated so many times today in the discussion. Please Chief Minister to continue.

* শ্রীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, ৰাজ্যপালৰ ভাষণৰ ওপৰত বহু কেইজন মাননীয় সদস্যই অংশ গ্ৰহণ কৰিছে আৰু বিভিন্ন — (গণ্ডোগোল)

Mr. Speaker : Mr. Dewan, you do not belong to any recognised party. (Noisy interruption)

(Shri Dewan came to the well of the house at 1.05 p.m.)

Please take your seat. The Speaker's discretion if final.

* Shri Promode Gogoi : Sir, as you know there are some allotted time to different parties. I think you have extended the time by half an hour, because all the parties should be allowed to utilise their time.

* শ্ৰীজয়নাথ শৰ্মা ঃ মাননীয় অধ্যক্ষ মহোদয়, আপুনি এই আসনৰ পৰা আমাক কৈছিল যে আৰু সময় বঢ়াই দিয়া হব। সেই প্ৰতিশ্ৰুতি আখৰে আখৰে পালন কৰিলে ভাল হয়। সকলোকে কবলৈ সুবিবধা দিয়ক, এল'টেড সময় দিয়ক। এইখিনি কৰিবলৈ আপুনি কিয় অসুবিধা পাইছে। আপুনি আধাঘণ্টা সময় বঢ়াই দিছে যেতিয়া আৰু এঘণ্টা সময় বঢ়াই দিব পাৰে। আমি যোৱা চেচনত ১.৩০ বজাৰ পিচতো চেচন কৰাৰ নজিৰ আছে।

Mr. Speaker : Hear me. I will keep my words. I told you that it would be

---

* *Speech not corrected*

extended. I will take the consent of the House then it would be extended. (Noise in the House)

Shri Holi Ram Terang : Even if we sit for 2 P.M. we will have to take approval of the House.

(1.16 P.M. opposition Members walked out)

* শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) ঃ মাননীয় অদ্যক্ষ ডাঙৰীয়া, ৰাজ্যপালৰ ভাষণৰ ওপৰত হোৱা বিতৰ্কত কেইবাজনো মাননীয় সদস্যই অংশ গ্ৰহণ কৰিছে আৰু তেওঁলোকে বিশেষকৈ অসমৰ তিনিটা জলন্ত সমস্য আলফাৰ সমস্যা, আৰচুৰ বড়োলেণ্ড সমস্যা আৰু স্বায়ত্ব শাসীত ৰাজ্য দাবী কমিটিৰ দাবীৰ বিষয়ে বিশেষ গুৰুত্ব দিছে। প্ৰাক্তন মুখ্যমন্ত্ৰী শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত ডাঙৰীয়াই তেখেতৰ ভাষণত প্ৰথমতে আলফাৰ কথা কবলৈ গৈ অভিযোগ কৰি কৈছে যে মই হেনো তেওঁলোকৰ লগত আলফাৰ সম্পৰ্ক আছে বুলি কৈছো। অধ্যক্ষ ডাঙৰীয়া, এইটো মোৰ কথা নহয়, এই কথাটো অসমৰ বিভিন্ন লোকে, বিভিন্ন ব্যক্তি আৰু বাতৰি কাকতত প্ৰকাশ পাইছে। যোৱা কালি মাননীয় সদস্য শ্ৰীজয়নাথ শৰ্ম্মা ডাঙৰীয়াই চৰকাৰে কৰা গ্ৰেপ্তাৰ সম্পৰ্কত কিছু কথা উল্লেখ কৰিছে। গ্ৰেপ্তাৰ সম্পৰ্কে যিবোৰ অভিযোগ উঠিছে সেইবোৰ চৰকাৰে অস্বীকাৰ কৰা নাই। সেয়ে এই কথা বিলাক সত্য। মই এই খিনিতে এ,জি.পি. চৰকাৰৰ দিনত কি হৈছিল সেই সম্পৰ্কে কব খুজিছো। ১৯৯১ চনৰ ১১ ডিচেম্বৰ তাৰিখৰ 'নতুন দৈনিক' কাকতত সম্পাদকীয়ত এটা কথা প্ৰকাশ পাইছিল— আলফা সম্পৰ্কত। তাত এনেদৰে প্ৰকাশ পাইছিল যে — "এই কথা বৰ্তমান প্ৰকাশ পাইছে যে লক্ষীপথাৰ আৰু তাৰ নিকট স্থানত আলফাৰ যিবোৰ শিবিৰ উদঘাটিত হৈছে সেইবোৰ কমেও দুবছৰ আগতে প্ৰতিষ্ঠাপিত। এই সুদীৰ্ঘ কালছোৱাত অ গ প চৰকাৰে সেই শিবিৰৰ কথা নজনাতো সম্পূৰ্ণ অবিশ্বস্য। আজিৰ অত্যাধুনিক চোৰাংচোৱা পদ্ধতি আৰু ইলেকট্ৰনিক যোগাযোগৰ দিনত অসমৰ ভৈয়ামত, চাৰিওফালৰ গাওঁ আৰু বিস্তীৰ্ণ পথাৰেৰে আগুৰা এক স্থানত তেনে ধৰণৰ শিবিৰ নিৰ্ম্মাণৰ কথা এটা প্ৰতাপী চৰকাৰেঁ নজনাটো অত্যন্ত বিস্ময়জনক। অৱশেষত প্ৰাক্তন মুখ্যমন্ত্ৰী প্ৰফুল্ল কুমাৰ মহন্তই যোৱা ৯ ডিচেম্বৰত ডিব্ৰুগড়ত এই কাকতৰ প্ৰতিনিধিক কব লগীয়া হল, "ৰাজ্যিক চোৰাংচোৱা বিভাগে চৰকাৰক বহু দিনৰ আগেয়ে এই শিবিৰ সমূহৰ অৱস্থিতিৰ কথা জনাইছিল যদিও সংখ্যা আৰু অত্যাধুনিকতাত আলফাৰ সামৰ্থ পুলিচতকৈ বহুত বেছি হোৱাত কোনো ব্যৱস্থা লোৱাতো সম্ভৱ নহ 'ল। এই ক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰৰ কোনো গোপন জুৰুৰী বাৰ্ত্তা অসম চৰকাৰৰ পৰা আলফাই পোৱা বাতৰিও উৎকণ্ঠাজনক। এইবোৰৰ পৰা এক সিদ্ধান্তলৈ আহিব পাৰি যে অ গ প চৰকাৰে উগ্ৰপন্থীৰ ক্ষেত্ৰত চৰকাৰী যন্ত্ৰ, পুলিচ আৰু চোৰাংচোৱা বাহিনীক সম্পূৰ্ণভাবে নিস্ক্ৰীয় কৰি ৰাখিছিল। নহলে অগপ চৰকাৰে ইমানবোৰ হত্যাকাণ্ডৰ পিচতো প্ৰায় এজনো উগ্ৰপন্থীৰ বিৰুদ্ধে কোনো ব্যৱস্থা গ্ৰহণ কৰা নাই বুলি স্বয়ং কেন্দ্ৰীয় চৰকাৰেই অভিযোগ উত্থাপন কৰিব নোৱাৰিলেহেঁতেন। তেনে ক্ষেত্ৰত অগপ চৰকাৰে সমস্ত বিষয়টো গোপন কৰি ৰাখি নিজৰ গণতান্ত্ৰিক চৰিত্ৰক এক

* *Speech not corrected*

বৃহৎ সন্দেহ আৰু বিভ্ৰান্তিৰ সমৰ্থক কৰি তুলিলে। ৰাজনৈতিক শত্ৰুতা অথবা বিদ্বেষৰ বাবে সম্পূৰ্ণ চাৰিটা বছৰ সেই কথা কেন্দ্ৰৰ কংগ্ৰেছ (ই) চৰকাৰৰ পৰা গোপন কৰি ৰাখিলেও যোৱা প্ৰায় এটা বছৰত নিজৰ সহযোগী ৰাষ্ট্ৰীয় মৰ্চাৰ চৰকাৰৰ পৰা সেই কথা গোপন কৰি ৰখাটো এক আতংকজনক কথা। এই কথা বিলাক মই অস্বীকাৰ কৰা নাছিলো। এইবোৰ নিশ্চয় সত্য। মহন্ত ডাঙৰীয়াই আৰু এটা কথা কৈছে যে বজৰং অপাৰোচনৰ সময়ত ১৫ জন মানুহৰ মৃত্যু হৈছে। কিন্তু সেই সময়ছোৱাত আমাৰ দলৰ ১৮৩ জন লোক মৰিছে। এইবিলাক ঘটনাই তেওঁলোকৰ লগত আলফা সম্পৰ্কৰ কথাকে জনায়। আলফাৰ কেইজনমান সদস্যই আমাৰ দলৰ কেইজনমান ব্যক্তিক কৈছে যে তেওঁলোক গুৱাহাটীলৈ আহিলে কেতিয়াবা মন্ত্ৰীৰ ঘৰতো থাকে।

অধ্যক্ষ ডাঙৰীয়া, আলফাৰ কথা কওঁতে শান্তিৰ কথা কৈছে। শান্তি সম্পৰ্কে আমাক সন্দেহ কৰিব নালাগে। আমি শান্তিৰ বাতাবৰণ সৃষ্টি কৰিবলৈ চেষ্টা কৰিছো। আনকি নিৰ্বাচনৰ আগতে আমাৰ দলে কৈছিল যে যদি কংগ্ৰেছ দলে চৰকাৰ গঠন কৰিব পাৰে তেনেহলে নিশ্চয় ৰাজ্যখনত শান্তি ঘূৰাই আনিব পাৰিব। সেইমতে ১৯৯১ চনৰ ৩০ জুলাই তাৰিখে ৰাজ্যপালৰ ভাষণত এটা কথা স্পষ্টকৈ কোৱা হৈছিল— যিসকলৰ ওপৰত গভীৰ অভিযোগ নাথাকে তেনে আলফা বন্দীক সোনকালে মুক্তি দিয়া হব। ইয়াৰ বাহিৰেও তেওঁলোকে যদি অস্ত্ৰ-শস্ত্ৰ পৰিত্যাগ কৰি আলোচনাৰ মেজলৈ আহে তেনেহলে গভীৰ অভিযোগত জড়িত সকলকো মুক্তি কৰি দিয়া হব আৰু প্ৰয়োজন হলে আলফাৰ ওপৰত থকা নিষেধাজ্ঞা উঠাই দিব আৰু আলফাৰ লগত আলোচনাত বহিব। এই বিষয়টোক লৈ যোৱা ১১/৯/৯১ তাৰিখে অধ্যক্ষ মহোদয়ৰ চেম্বাৰত বিধান সভাৰ সকলো দল আৰু গোটৰ নেতৃবৃন্দৰ মাজত পন বন্দীৰ জটিল পৰিস্থিতিৰ সন্দৰ্ভত এটি গোপন আলোচনা হয়। এই সভাই বিবেচনা কৰে যে এই সংকটপূৰ্ণ সমস্যাৰ ওৰ পেলোৱাৰ উদ্দেশ্যে সকলো পক্ষৰ পৰা আন্তৰিক প্ৰচেষ্টা চলোৱা একান্তপ্ৰয়োজন। গতিকে এই সৰ্ব্বদলীয় সভাই আলফাৰ নেতৃবৃন্দক মানৱতাৰ খাতিৰত পনবন্দীসকলক শীঘ্ৰে মুক্তি দিয়াৰ বাবে অনুৰোধ জনায় আৰু অসম চৰকাৰকো টাডা আইনৰ অধীনত থকা সকলো বন্দীকে মুক্তি দিয়াৰ ৰাবে অনুৰোধ জনায়। চৰকাৰে বন্দী এৰি দিয়া আৰু আলফাই পন বন্দীক এৰি দিয়া দুয়োটা প্ৰক্ৰীয়া একেলগে আৰম্ভ হব লাগে বুলি সভাই মত প্ৰকাশ কৰে।

অধ্যক্ষ ডাঙৰীয়া, আমি আটায়ে পোনতে মনোযোগ দিবলগীয়া বিষয় হৈছেঃ ৰাজ্যখনক স্বাভাৱিক শান্তিৰ মাজলৈ ঘূৰাই অনাটোহে। ৰাইজে শান্তি বিচাৰে, নিৰাপত্তা বিচাৰে। যোৱা কেইবা বছৰো ধৰি ৰাজ্যখনে শান্তিৰ মুখেই দেখা নাছিল। নিৰাপত্তা বুলিবলৈও একো নাছিল। সকলোৱে ভয়ে ভয়ে দিন কটাব লগীয়া হৈছিল। কেতিয়া কোনে কাক ক'লৈ ধৰি-বান্ধি নিয়ে, কেতিয়া কোনে কাক মাৰে-কাটে তাৰ একা নিশ্চয়তা নাছিল। মুখ খুলি কিবা এটা কোৱাটোও ভয়ৰ লেখিয়া হৈছিলগৈ। পোনতে এই অৱস্থাটো ওৰ পৰিব লাগিব। আমি ৰাজ্যখনত শান্তি স্থাপন কৰিবলৈ বিচাৰো। কিন্তু পুলিচ মিলিটেৰীৰে অশান্তি ৰোধ কৰাকে শান্তি বুলিব নোৱাৰি। শান্তি নিতিবাচক কথা নহয় সৃজন ধৰ্ম্মী আৰু গঠনমূলক মনোভাবহে শান্তিৰ আচল আধাৰ। আমি সেই স্বতঃস্ফূৰ্ত শান্তিৰ পৰিবেশ জগাই তুলিবলৈ অধিক যত্নপৰ নহয়।

---

** Speech not corrected*

আমি আটায়ে একেলগে বহি সকলোবোৰ কথা খৰচি মাৰি আলোচনা কৰাটোহে জৰুৰী। এই সন্দৰ্ভত মই পোনতে আলফা অৰ্থাৎ সংযুক্ত মুক্তি বাহিনীলৈ মুকলিকৈ এই আমন্ত্ৰণ আগবঢ়াইছো। হিংসা আৰু সন্ত্ৰাসবাদত অনেক লোক বলি হ'ব। মই নিজেই মোৰ ভাই ভতিজাকে ধৰি পৰিয়ালৰ ভালে কেইজনক হেৰুৱালো প্ৰায় ডেৰশৰো বেছি মোৰ কলক সহকৰ্মীয়েও প্ৰাণ দিবলগীয়া হ'ল। কিন্তু তথাপি শান্তি স্থাপনৰ বৃহত্তৰ স্বাৰ্থৰ কথা ভাবি সংগঠনটোৰ সদস্যসকলৰ প্ৰতি মই বা আমাৰ চৰকাৰে কোনো তিক্ততাৰ ভাৱ ৰখা নাই। মুকলি মনেৰে, সদিচ্ছা আৰু আন্তৰিকভাবে পোনপটীয়াকৈ মই সংযুক্ত মুক্তি বাহিনীলৈ আমন্ত্ৰণ জনাইছো, আহক 'হিংসা প্ৰতিহিংসাৰ বাট এৰি থৈ আমি একেলগে বহো, কথা-বতৰা হওঁ, সকলোবোৰ বিষয় চালি-জাৰি চাওঁ আৰু সমস্যাৰ শান্তিপূৰ্ণ সমাধানৰ অন্বেষণ কৰো।' দুৰদৰ্শনত মই ২৭ আগষ্ট তাৰিখে বিবৃতি দিছিলো আকৌ দুই চেপ্তেম্বৰত বিধান সভাত দুটা বিবৃতিত স্পষ্টভাবে কোৱা হৈছিল যে সংযুক্ত মুক্তি বাহিনীৰ লগত আলোচনা কৰিবৰ বাবে বাৰে বাৰে কোৱা হৈছিল। এই কথাটো সত্য নহয় বুলি যদি বিৰোধী দলৰ মাননীয় সদস্যসকলে কয় তেনেহ'লে প্ৰমাণ কৰক। অধ্যক্ষ মহোদয় কেইবাজনো মাননীয় সদস্যই আমাৰ চৰকাৰে মানৱ অধিকাৰ ভঙ্গ কৰা বুলি কৈছে এজন হাই কোৰ্টৰ এডভকেট আৰু দুজন সাংবাদিকক বান্দি কৰাৰ সম্পৰ্কে ইয়াত উল্লেখ হৈছে আৰু এনেকুৱা এটা ধাৰণা দিব খোজা হৈছে যে আমি তেখেতসকলৰ সাংবাদিকতা বন্ধ কৰিছো। কিন্তু এইটো নহয়। আমি বহুবাৰ কষ্ট কৰি ৰাইজক জনাইছো আৰু বাতৰিকাকততো প্ৰকাশ কৰিছো। সাংবাদিক হিচাবে কোনো ব্যক্তিকে বন্দি কৰা নাই। যদি কাৰোবাক বন্দী কৰিবলগীয়া হয় ৰাষ্ট্ৰ বিৰোধী কাম কৰাৰ বাবেহে। এই কথা বিলাক অসমীয়া বাতৰিকাকতত পাইছিলো আৰু তাৰ স্পষ্টীকৰণ দিয়া হৈছিল।

কেইজনমান সাংবাদিকৰ বিৰুদ্ধে চৰকাৰে গোচৰ তৰিব খোজা বুলি যোৱা বুধবাৰে এচাম কাকতত প্ৰকাশিত বাতৰি এটাৰ প্ৰতি ৰাজ্য চৰকাৰৰ মনোযোগ আকৰ্ষিত হৈছে। কেইবাজনো সাংবাদিক সম্পাদকক গ্ৰেপ্তাৰ কৰা হ'ব পাৰে বুলি কালিও একাংশ কাকতত প্ৰকাশ হোৱা বাতৰি এটা চৰকাৰৰ দৃষ্টি গোচৰ হৈছে। এই সন্দৰ্ভত চৰকাৰে ৰাইজৰ জ্ঞাতাৰ্থে তলত দিয়া স্পষ্টীকৰণটো দিবলৈ বিচাৰে।

ৰাজ্য চৰকাৰে স্পষ্ট আৰু স্বাৰ্থ্যহীন ভাষাৰে জনাব খোজে যে সাংবাদিক বা সম্পাদক বুলি কোনো ব্যক্তিৰ বিৰুদ্ধে গোচৰ তৰাৰ বা কাৰোবাক গ্ৰেপ্তাৰ কৰাৰ কোনো প্ৰস্তাৱ বা অভিপ্ৰায় চৰকাৰৰ নাই। সাংবাদিকতা বৃত্তিক চৰকাৰে সদায়েই শ্ৰদ্ধাৰ চকুৰে চায় আৰু গণতান্ত্ৰিক প্ৰমূল্যৰ আধাৰত বাতৰি কাকতৰ মত প্ৰকাশৰ স্বাধীনতাকো গভীৰ ভাবে সন্মান কৰে। সেয়ে এই বিষয়ত অনাহকতে কোনো ধৰণৰ বিবভ্ৰান্তিৰ সৃষ্টি হোৱাটো সমীচীন নহয়। উল্লেখিত বাতৰিটোত ৰাজ্যখনৰ ঠায়ে ঠায়ে শান্তি প্ৰক্ৰিয়াত বাধা দিবলৈ ৰাইজক উচটনি দিয়া, হিংসাৰ বাট লবলৈ প্ৰৰোচিত কৰা, আইন-শৃংখলা বিঘ্নিত কৰা, ৰাজহুৱা শান্তি বিনষ্ট কৰিবলৈ ষড়যন্ত্ৰ কৰা বা ৰাজহুৱা ভাবে সংবিধান দাহ কৰাৰ লেখিয়া যিবোৰ সমাজ বিৰোধী বা ৰাষ্ট্ৰ বিৰোধী কাৰ্য্যকলাপৰ বিষয়ে উল্লেখ কৰা হৈছে, সেইবোৰৰ সৈতে বৃত্তি হিচাবে সাংবাদিকতাৰ বা অনুষ্ঠান হিচাবে বাতৰিকাকতৰ কোনো সম্পৰ্ক নাথাকে। এনেবোৰ ক্ষেত্ৰত সাংবাদিকতাৰ সৈতে জৰিত লোকৰ বাবে অন্য

---

* Speech not corrected

নাগৰিকৰ পৰা পৃথক বা আছুতীয়া কোনো আইন নাই। বৰঞ্চ এই সকলো আইন বিৰোধী কাৰ্য্যকলাপত লিপ্ত একোজন লোক সাংবাদিক নে সাধাৰণ নাগৰিক, সিও স্বাভাৱিকতে আইনৰ চকুত বিচাৰ্য্য নহয়। গতিকে বাতৰিত উল্লেখ কৰা আইন বা দণ্ড বিধিৰ সংশ্লিষ্ট বিধান সমূহো সাংবাদিক বা সম্পাদকৰ বিৰুদ্ধেহে ৰখা ব্যৱস্থা বুলি ধাৰণা কৰাটো মুঠেই সমীচীন নহয়।

মাননীয় অধ্যক্ষ ডাঙৰীয়া, মাননীয় ২/৪ জন সদস্যই কৈছে যে সাংবাদিকক বন্দী কৰাৰ পিচত অসমত মানব অধিকাৰ ভঙ্গ কৰা হৈছে। এইটো কথা মানব অধিকাৰ সংগ্ৰাম সমিতিৰ লগত জড়িত আছিল। কিন্তু এইটো সত্য নহয়। মই প্ৰকৃত কথা বিলাক ডাঙি ধৰিব খুজিছো যে আমি কি পৰিস্থিতিত তেওঁলোকক গ্ৰেপ্তাৰ কৰিব লগা হ'ল। আমি সংযুক্ত মুক্তি বাহিনী অসমৰ লগত শান্তিৰ প্ৰচেষ্টা কৰি আছো আৰু মোৰ দৃঢ় বিশ্বাস শান্তিৰ পৰিবেশ ঘূৰাই আনিব পাৰিম। মই বাতৰি কাকতত প্ৰকাশ পোৱা কিছুমান কথা ডাঙি ধৰিব খুজিছো। গ্ৰেপ্তাৰ হোৱা লোক কেইজন হ'ল শ্ৰীঅজিক ভূঞা, পৰাগ দাস আৰু শ্ৰীনিলয় দত্ত। বুধবাৰ কাকতৰ পাঁচ তাৰিখৰ বাতৰিৰ শেষত কৈছে— ভাৰতীয় ৰাষ্ট্ৰিক শলঠেকত পেলাবৰ বাবেই অসমত এক শক্তিশালী মানৱ অধিকাৰ আন্দোলন অতিকৈ জৰুৰী হৈ পৰিছে। মানৱ অধিকাৰ আন্দোলন এইটোৰ কাৰণে হব নেলাগে। এনে ধৰণে হব নেলাগে। ভাৰতীয় ৰাষ্ট্ৰক দুৰ্বল কৰিবৰ কাৰণে শলঠেকত পেলাবৰ কাৰণে অসমত শক্তিশালী মানৱ অধিকাৰ গঢ়ি তুলিব লাগে বুলি কৈছে। তাৰ পিচত প্ৰকাশ পাইছে আলফা ভাৰতীয় সংবিধানৰ গণ্ডীৰ ভিতৰত থকাৰো প্ৰশ্ন নুঠে। এই বিলাক দেখ দেখকৈ প্ৰকাশ হৈছে। ইয়াৰ পিচত সংযুক্ত মুক্তি বাহিনীৰ লগত শান্তিৰ বাতাবৰণ সৃষ্টি কৰিবৰ কাৰণে কেনেধৰণৰ কথা আলোচনা কৰিবলৈ খুজিছিলো তাক ডাঙি ধৰিব খুজিছো।

মাননীয় অধ্যক্ষ ডাঙৰীয়া, এই বাতৰি কাকতখনতে আৰু এটা বাতৰি ওলাইছিল। হেড লাইনটো হৈছেঃ 'শইকীয়াই বহিবলৈ ক'লে, ল'ৰাহঁতে আঠু ল'লে।' বাতৰিত এইটো আছে। দিল্লীত যেতিয়া ১২ জানুৱাৰীত সংগঠনৰ ফালৰ পৰা আলোচনাৰ প্ৰস্তুতি কৰিছিল সেই কথাৰ অৱতাৰণা কৰি কৈছে ' শইকীয়াই বহিবলৈ ক'লে; ল'ৰাহঁতে আঁঠু ল'লে।' আলোচনা কৰিব নেলাগে বুলি উত্তেজিত কৰিব খোজে সেইটো নহয়, আলফাৰ ভিতৰতে সংগ্ৰাম কৰিব লাগে। এই স্পিড কোনে আনিব খুজিছে। আমাৰ ফালৰ পৰা আনিব খোজা নাই। বৰঞ্চ মুক্তি বাহিনীয়ে আলোচনাৰ মাজেদি সৰ্বসন্মত সিদ্ধান্তলৈ আহি আলোচনা কৰে। যাতে আলোচনাত বহিস মস্যা সমাধান কৰিব পাৰে তাৰ কাৰণে চেষ্টা কৰি আছে। মই এইটো কওঁ যে আলফাৰ লগত আলোচনা-বিলোচনা কৰোতে বিভাজন কৰিছো বুলি কৈছে সেইটো নহয়। সকলোখিনি চাইচিতি অতি সাবধানে আলোচনা কৰা হৈছে যাতে আলফাৰ বিভাজন নহয় তাৰ কাৰণে চেষ্টা চলাই আছো। আমি মানব অধিকাৰ ভঙ্গ কৰাৰ কাৰণে সাংবাদিকৰ কথা কব খুজিছো। মই ইয়াত তিনি জন বিশিষ্ট সাংবাদিকৰ বাতৰি কাকতৰ উদ্ধৃতি দিব খুজিছো। পূৰ্বাচল কাকতত কোৱা হৈছে— সমাজৰ বিবেক স্বৰূপ সাংবাদিক বুদ্ধিজীৱিসকলে জাতীয় জীৱনৰ এই সংকত কালত সঠিক পথৰ সন্ধান দিয়াৰ বিপৰীতে বিভ্ৰান্তিকৰ অৱস্থালৈ ঠেলি দিয়াৰ ফলত সংবাদ প্ৰ-পত্ৰৰ প্ৰতি ৰাইজৰ অনাস্থা পৰিলক্ষিত হৈছে। আৰু কোৱা হৈছে যে মানৱ অধিকাৰ আৰু সংবাদ দুয়োটাই পৰস্পৰ বিৰোধী। একেলগে দুয়োটা

* *Speech not corrected*

নাথাকে। মানৱ অধিকাৰৰ প্ৰৱক্তা সকলে সেনা বাহিনীৰ পৈশাচিক কামনাৰ বলি হৈ মৃত্যু হোৱা ৰাজু বৰুৱা অথবা হীৰকজ্যোতিৰ হত্যাৰ যিদৰে প্ৰতিবাদ সাব্যস্ত কৰিব লাগিব ঠিক একেদৰে উগ্ৰপন্থীৰ হাতত নিহত হোৱাসকলৰ বাবেও সমানে কান্দিব লাগিব। মানৱ অধিকাৰৰ আন্তৰ্জাতিক ঘোষণা পত্ৰত কোনো নিৰ্দ্দিষ্ট লোকৰ বাবে সেই অধিকাৰ সংৰক্ষিত হোৱা নাই। মানবেন্দ্ৰ শৰ্ম্মা, কমলা শইকীয়া অথবা কণমানি শ্বৰমৰ হত্যা মানৱ অধিকাৰ লংঘন হয় নে নহয় সেই প্ৰশ্নৰ উত্তৰ নিদিয়াকৈ মানৱ অধিকাৰৰ দাবীত আন্দোলন কৰাৰ কোনো নৈতিক অধিকাৰ নাই অথবা ইয়ে হব 'ভূতৰ মুখত ৰাম নামৰ লেখীয়া ঘটনা। দুৰ্ভাগ্যজনক কথা যে প্ৰকৃততেই সাবাদিকৰ স্বাধীনতা অটুত ৰাখিবলৈ যাওঁতে আলফাৰ হাতত নৃশংস হত্যাৰ বলি হোৱা সাংবাদিক কমলা শইকীয়াৰ ঘটনাত যি সৰব প্ৰতিবাদ হব লাগিছিল সেয়া সাংবাদিকসকলৰ তৰফৰ পৰা নহল। বৰং এটা মৌন সমদলতেই বিষয়টো অন্ত পৰিল। মানৱ অধিকাৰ সংগ্ৰামৰ হৰ্ত্তাকৰ্ত্তা বিধাতা সকলো সেই সময়ত নিৰবে থাকিল। অথচ ইয়াৰ বিপৰীতে আলফাৰ লগত জৰিত থকাৰ অভিযোগত সাংবাদিক মনজিৎ মহন্ত আৰু ৰাজীৱ বৰাক গ্ৰেপ্তাৰ কৰাৰ লগে লগে আমিবোৰ প্ৰতিবাদমুখৰ হৈ উঠিলো ৰাজপথত হিতেশ্বৰ শইকীয়াৰ মুৰ্দ্দাবাদ ধ্বনি দিলো। ক'লা আইন সামৰিক বাহিনী প্ৰত্যাহাৰৰ দাবী জনালো। চৰকাৰী কাৰ্য্যসূচী বৰ্জ্জন কৰিলো। উট পক্ষীৰ দৰে বালিত মুখ গুজি আমি সাংবাদিকসকলে নিৰপেক্ষতাৰ নামত চলাই থকা পক্ষপাত দুষ্ট সংকীৰ্ণ ৰাজনীতিৰ খেলাখন ৰাইজে দেখা নাই বুলি ভাবিলে মুৰ্খামী কৰা হব। আৰু ৰাইজে দেখিছে কাৰণে হবলা সাংবাদিকতা বৃত্তিটোৰ পূৰ্ব্বৰ মৰ্য্যদা ক্ৰমাৎ অবনমিত হৈছে।

আধ্যক্ষ মহোদয়, বিশিষ্ট সাংবাদিকসকলৰ এখন সভা বহিছিল। সেই সভাখন আছিল এ কমিটিৰ। তাত উপস্থিত আছিল এম, এন, ডেকা, কাৰ্ত্তিক বৰুৱা, কনকসেন ডেকা আৰু ওৱাচবীৰ হুছেইন। — তেখেতসকলে লোৱা প্ৰস্তাৱটো মই কৈ দিব খুজিছো—

"The ULFA's inventory of torture, according to an escapee from their camp, included branding by a white-hot-iron, pulling about a victim by a rope passed through holes made in his ears, being dragged along the ground by a motor cycle, etc. The victims were also made to dig their own graves. Those who are loud in their protestations against Army atrocities are mysteriously silent on this in human torture programme".......

—এই সিদ্ধান্ত লৈছে। মই এজন বিশিষ্ট সাংবাদিক ডঃ হীৰেন গোসাইৰ উদ্ধৃতি দিব খুজিছো। ডঃ হীৰেন গোহাই ডাঙৰীয়াই আজিৰ অসম কাকতৰ ২৭ অক্টোবৰ তাৰিখৰ তেখেতৰ প্ৰৱন্ধত কৈছে আলোচনাৰ বাবে ৰাজ্য চৰকাৰে যেতিয়া অসমৰ জনমতৰ প্ৰভাৱত নিজাববিয়াকৈ আলোচনাৰ বাবে আগ্ৰহ প্ৰকাশ কৰিছিল তেতিয়া এচাম সাংবাদিকৰ প্ৰভাৱতে উগ্ৰপন্থীসকলে কেউপিনে পুনৰ অপহৰণ, ডকাইটি, হত্যাৰ জৰিয়তে ব্যাপক বিশৃংখলতাৰ সৃষ্টি কৰিছিল।

জনতা দলৰ প্ৰাক্তন সভাপতি শ্ৰীগোলাপ বৰবৰাই ইতিমধ্যে মন্তব্য কৰিছে যে সাদিন আৰু

* *Speech not corrected*

বুধবাৰ, এই দুয়োখন কাকতেই উতকট শইকীয়া বিৰোধী আৰু বহু ক্ষেত্ৰত উগ্ৰপন্থীৰ সপক্ষে ওকালতি কৰি আহিছে। আনকি তেওঁৰ বক্তব্যকো বক্ৰোক্তি কৰিবলৈ কাকত দুখনে এৰা নাই। আৰু এঠাইত উল্লেখ আছে যে "সমাজৰ বিবেক স্বৰূপ সাংবাদিক বুদ্ধিজীৱি সকলে জাতীয় জীৱনৰ এই সংকট কালত সঠিক পথৰ সন্ধান দিয়াৰ বিপৰীতে বিভ্ৰান্তিকৰ অৱস্থালৈ ঠেলি দিয়াৰ ফলত সংবাদপত্ৰৰ প্ৰতি ৰাইজৰ অনাস্থা পৰিলক্ষিত হৈছে। আৰু এঠাইত "সমাজ বিৰোধী আৰু ৰাষ্ট্ৰ বিৰোধী কাৰ্য্য-কলাপৰ লগত জড়িত থকাৰ কাৰণেই চৰকাৰে সাংবাদিক দুজনক গ্ৰেপ্তাৰ কৰা বুলি ধাৰণা হৈছে। এই বিষয়ে সবিশেষ জানিব পৰা নগলেও সন্মিলিত সংগ্ৰাম সমিতি আৰু মানৱ অধিকাৰ সংগ্ৰাম সমিতিয়েৰাজ্যখনৰ বিভিন্ন ঠাইত আয়োজন কৰা ৰাজহুৱা সভা-সমিতিসমূহত সম্পাদক দুগৰাকীয়েও অংশ লৈ সংবিধান বহিৰ্ভূত স্বাধীন অসমৰ দাবীত বক্তৃতা প্ৰদান কৰা সংবিধান দাহ কৰাৰ দৰে ঘটনাত উচতনি দিয়াৰ ফলত হয়তো চৰকাৰে তেওঁলোকক সমাজ বিৰোধী আৰু ৰাষ্ট্ৰ বিৰোধী গণ্য কৰি ৰাষ্ট্ৰীয় নিৰাপত্তা আইনৰ জৰিয়তে আটক কৰিছে। এগৰাকী সাংবাদিকৰ পক্ষে সিবিলাক ঘটনা কিমানদূৰ যুক্তি সংগত আৰু সমৰ্থন যোগ্য সেয়া স্বাভাৱিকতেই বিচাৰ্য্যৰ বিষয়। কাৰণ বাতৰি কাকতৰ ৰেজিষ্ট্ৰেচন কৰাৰ সময়তেই ভাৰতীয় সংবিধানৰ আনুগত্য স্বীকাৰ কৰি লোৱা হয়। ইয়াৰ পিছতো যদি কোনোবাই তাৰ বিপৰীতে কৰে তেন্তেৰাষ্ট্ৰ ক্ষমতাবান হৈ থকালৈকে শাস্তি গ্ৰহণৰ বাবেও সাজু হৈ থাকিব লাগিব। সাংবাদিক হিচাবে মানৱ অধিকাৰ অথবা আন কোনো গণতান্ত্ৰিক সংগঠণৰ লগত জড়িত হৈ থকাটো নিশ্চয়কৈ দোষণীয় হব নোৱাৰে। কিন্তু লগতে এইটোও মনত ৰখা প্ৰয়োজন যে মানৱ অধিকাৰ আৰু সন্ত্ৰাসবাদ দুয়োটাই পৰস্পৰ বিৰোধী। একেলগে দুয়োটা থাকিব নোৱাৰে। মানৱ অধিকাৰৰ প্ৰৱক্তা সকলে সেনা বাহিনীৰ পৈশাচিক কামনাৰ বলি হৈ মৃত্যু হোৱা ৰাজু বৰুৱা অথবা হীৰক জ্যোতিৰ হত্যাৰ যি দৰে প্ৰতিবাদ সাব্যস্ত কৰিব লাগিব ঠিক একেদৰে উগ্ৰপন্থীৰ হাতত নিহত হোৱাসকলৰ বাবেও সমানে কান্দিব লাগিব। মানবেন্দ্ৰ শৰ্মা, কমলা শইকীয়া অথবা কণমানি শ্বৰ্বৰ্নমৰ হত্যা মানৱ অধিকাৰ লংঘণ হয়নে নহয় সেই প্ৰশ্নৰ উত্তৰ নিদিয়াকৈ মানৱ অধিকাৰৰ দাবীত আন্দোলন কৰাৰ কোনো নৈতিক অধিকাৰ নাই।

(আৰু এখন নটিচ ইংৰাজীতে মুঃ মন্ত্ৰীয়ে পঢ়ি দিয়ে।)

মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য সকলে বাৰে বাৰে একেটা কথাকে জানিবলৈ আগ্ৰহ প্ৰকাশ কৰাৰ কাৰণে কব বিচাৰিছো যে এজন অধিবক্তা আৰু দুজন বাতৰি কাকতৰ সাংবাদিকক গ্ৰেপ্তাৰ কৰাৰ সম্পৰ্কত মানৱ অধিকাৰ খৰ্ব কৰাৰ যি ধ্বনি উঠিছে সেয়া সম্পূৰ্ণ ভিত্তিহীন। এইসকল লোকক ৰাষ্ট্ৰ বিৰোধী কাৰ্য্য কলাপত লিপ্ত হোৱাৰ অপৰাধতহে আটক কৰা হৈছে। সাংবাদিকৰ মুখৰ মাত বন্ধ কৰিবৰ কাৰণে নহয়। অধ্যক্ষ মহোদয়, ১৯৭২ ৰ পৰা ১৯৭৮ চনলৈকে মই অসমৰ গৃহ মন্ত্ৰী আছিলো। তেতিয়াও বাতৰি কাকতৰ সম্পাদক সকলে মানৱ অধিকাৰ খৰ্ব কৰাৰ অভিযোগত চৰকাৰক সমালোচনা কৰিছিল। কিন্তু তেওঁলোক ৰাষ্ট্ৰ বিৰোধী কাৰ্য্য—কলাপত লিপ্ত হোৱা নাছিল। বৰ্তমান বাতৰি কাকতত উদ্ধৃতি প্ৰকাশ পোৱা বাতৰিৰ সন্দৰ্ভত বৰ্তমান গ্ৰেপ্তাৰ কৰা সাংবাদিক দুজনক লৈ যি মানৱ অধিকাৰ খৰ্ব কৰাৰ অভিযোগ উঠিছে, তাৰ

---

** Speech not corrected*

পৰিপ্ৰেক্ষিতত অসমৰ সংবাদ জগতত এক আলোড়ণৰ সৃষ্টি হৈছে। অসমৰ মূল সমস্যা বিলাকৰ ভিতৰত আলফাৰ সমস্যাটো অন্যতম আৰু প্ৰধান। সেয়েহে আমি বিভিন্ন স্তৰত মধ্যস্থতা কাৰীৰ যোগেদি আলোচনা কৰাৰ প্ৰয়াশ কৰি অহা হৈছিল। অধ্যক্ষ মহোদয়, সেয়েহে আমি আলোচনাৰ বাবে বাৰম্বাৰ মধ্যস্থতাকাৰীৰ যোগেদি এই সমস্যাটোৰ এটা সমাধন উলিয়াবৰ বাবে আলোচনাৰ মেজলৈ আহিবলৈ আমি তেওঁলোকক অনুৰোধ জনাইছিলো। অধ্যক্ষ মহোদয়, আমাৰ চৰকাৰখন গঠন হোৱাৰ দিনৰে পৰা অসমত আইন শৃংখলাৰ পৰিস্থিতি যথেষ্ট উন্নতিৰ পৰিলক্ষিত হৈছে। আমি বাতৰি কাকতৰ যোগেদি তথা বিভিন্ন সভা-সমিতিৰ জৰিয়তে ভাৰতীয় সংবিধানৰ গণ্ডীৰ ভিতৰত থাকি এটা সৌহাৰ্দ্য পূৰ্ণ পৰিবেশত থাকি আলোচনাৰ মেজলৈ আহিলে সমস্যাটো সমাধান হ'লহেঁতেন বুলি আশা কৰিছিলো। কিন্তু সেয়া কাৰ্য্যকৰী হৈ নুঠিল। মাননীয় সদস্যসকলে জানে যে আমাৰ চৰকাৰখন গঠন হোৱাৰ দিনাখনেই (১ জুলাই) এজন এজনকৈ ১৪ জন চৰকাৰী চাকৰিয়ালক পণবন্দীৰূপে আলফাই লৈ যায়। তেতিয়াই অসমত শান্তিৰ পৰিবেশৰ ঠাইত অশান্তিৰ পৰিবেশ এটা বিৰাজ কৰে। বিভিন্ন সময়ত আলফাৰ নেতৃবৃন্দই সন্ত্ৰাসবাদীৰ কাৰ্য্য-কলাপত লিপ্ত হেৱাৰ পৰিপ্ৰেক্ষিতত আমি কেন্দ্ৰীয় চৰকাৰৰ লগত যোগাযোগ কৰি আলোচনাৰ বাবে তেওঁলোকক বাতৰি কাকত আৰু বিভিন্ন সংবাদ মাধ্যমৰ যোগেদি তেওঁলোকক আলোচনাৰ বাবে আগবাঢ়ি আহিবলৈ অনুৰোধ কৰিছিলো। তাৰ পৰিপ্ৰেক্ষিতত তেওঁলোকে এজন পণবন্দীৰ বিনিময়ত ১৪ জন টাডা বন্দীক মুক্তি কৰি দিবলৈ বাতৰি কাকতৰ যোগেদি আমাৰ চৰকাৰক জনাইছিল। অধ্যক্ষ মহোদয়, ভাৰতীয় সংবিধানৰ গন্দিৰ ভিতৰত থাকি আলাপ আলোচনাৰ জৰিয়তে পণবন্দিৰ সমস্যাটো সমাধানৰ বাবে আমাৰ চৰকাৰে আলফাৰ নেতৃবৃন্দক আলোচনাৰ মেজলৈ আহিবলৈ অনুৰোধ কৰা হৈছিল আৰু অস্ত্ৰ-শস্ত্ৰ সম্বৰণ কৰিলে টাডা বন্দী সকলক মুক্তি কৰি দিয়াৰ প্ৰতিশ্ৰুতি দিয়া হৈছিল। কিন্তু তেওঁলোকে বিভিন্ন ঠাইত বিভিন্ন ধৰণে হত্যা লুণ্ঠন, অপহৰণ আৰু অপহৰণ কৰিবলৈ এৰা নাছিল। অসমৰ জনসাধাৰণে শান্তিৰে বসবাস কৰাৰ পৰা বিৰত থাকিবলৈ লোৱা হৈছিল। সেই সময়তে কেন্দ্ৰীয় চৰকাৰৰ লগত যোগাযোগ কৰি অসমত শান্তি শৃংখলাৰ বাবে অপাৰেশ্যন ৰাইনো মাতিবলগীয়া হৈছিল। আমাৰ চৰকাৰে সেইটো কৰিবলৈ বিচৰা নাছিল। কাৰণ শান্তিপ্ৰিয় জনসাধাৰণে এইটো কোনো দিনে বিচৰা নাছিল। তথাপিও অপাৰেশ্যন ৰাইনো নমাবলৈ চৰকাৰ বাধ্য হ'ল। অধ্যক্ষ মহোদয়, এক আগষ্টৰ পৰা চৈধ্য ছেপ্তেম্বৰলৈকে ৭০ দিন ধৰি আলোচনাৰ কাৰণে চেষ্টা কৰা হ'ল। কিন্তু তাৰ মাজতেই অপহৰণ, আৰু হত্যা কাণ্ডৰ দৰে জঘন্য ঘটনা সংঘটিত হৈ থাকিবলৈ ধৰে। ১৫২ টা হত্যা কাণ্ড, ২৫২ টা অপহৰণ সংঘটিত হয়। গতিকেই আলোচনা ব্যৰ্থ হয়। মাননীয় অধ্যক্ষ মহোদয়, মই এটা বাতৰিৰ সম্পৰ্কে কব বিচাৰিছো যে মই কলিকতালৈ যাওঁতে তাৰ এখন বাতৰি কাকতত প্ৰকাশ পাইছিল যে মুখ্য মন্ত্ৰী অৰ্থাৎ মই আলফা আৰু কেন্দ্ৰীয় চৰকাৰৰ মাজত হব লগীয়া আলোচনা ব্যৰ্থ হোৱা বাবে সন্তোষ পাইছো আৰু এই ক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰক সহায় কৰাৰ পৰা বিৰত আছো। কিন্তু এই বাতৰিৰ কোনো সত্যতা নাই। আচলতে আলফাৰ নেতৃবৃন্দই দিহিঙে-দিপাঙে ঘূৰি ফুৰাৰ কাৰণে সময় মতে লগ হ'ব নোৱাৰাৰ কাৰণেই আলোচনা পিছুৱাই দিব লগীয়া হ'ল।

---

* *Speech not corrected*

মই এই বিষয়ে প্ৰধান মন্ত্ৰীক বিশেষভাবে লগ ধৰি আলোচনাৰ বাবে অনুৰোধ কৰিছিলো। সেই মতেই ১৮ জানুৱাৰী তাৰিখটো আলোচনাৰ বাবে ধাৰ্য্য কৰা হৈছিল। আৰু এই পৰিপ্ৰেক্ষিতত এখন জেনেৰেল কমিটি গঠণ কৰি দিয়া হৈছিল আৰু এই কমিটিয়ে চেন্ট্ৰেল কমিটিক প্ৰেৰণ কৰাত ৩১ জানুৱাৰী তাৰিখটো ধাৰ্য্য কৰিলে। কিন্তু ইয়াতো আলফাৰ নেতৃবৃন্দ একত্ৰিত হ'ব নোৱাৰাৰ কাৰণে প্ৰধান মন্ত্ৰী ডাঙৰীয়াই ৩১ মাৰ্চ তাৰিখটো আলোচনাৰ বাবে মুকলি ৰাখিছো।

মাননীয় অধ্যক্ষ মহোদয়, আলফাৰ সমস্যাটো এটা জলন্ত সমস্যা। ৩১ মাৰ্চৰ ভিতৰত কেন্দ্ৰীয় চৰকাৰৰ লগত আলোচনা হব বুলি প্ৰতিশ্ৰুতি দিছিল। যোৱা ১২ জানুৱাৰীৰ পিচৰ পৰাই অসমত শান্তি, সম্প্ৰিতি আৰু সুষ্ঠ বাতাবৰণ ঘূৰি আহিছে। দৰং আৰু কামৰূপ জিলাৰ কিছুমান অঞ্চলত বড়ো সকলৰ লগত সংঘটিত হৈছে। নলবাৰীৰ টাউন এলেকাত আবচু আৰু বড়ো চিকিউৰিটি ফোৰ্চৰ লগত সংঘটিত হৈছিল। ধনশিৰীত নেপালীসকলক সংস্থান দিয়া হৈছে কিন্তু তাতো তেওঁলোকে অত্যাচাৰৰ বলি হব লগা হৈছিল। বড়ো উগ্ৰপন্তীসকলে চাহ বাগানৰ মেনেজাৰসকলক টকা বিচাৰি উট্‌ভাওুালি কৰিছিল। টকা নিদিলে অপহৰণ কৰি মানুহখিনিক ভয় খুৱাইছিল। উক্ত আঞ্চলবিলাকত শান্তি ঘুৰি আহিছে। সংযুক্ত মুক্তি বাহিনীৰ লগত আলোচনা হোৱাৰ পিচত সুন্দৰ বাতাবৰণ ঘূৰি অহাত চৰকাৰে কৃতিত্ব দিছে। মাননীয় অধ্যক্ষ ডাঙৰীয়া, পঞ্চায়ত নিৰ্বাচন সম্পৰ্কত সমালোচনা কৰিছে। পঞ্চায়ত নিৰ্ব্বাচন সফলতাৰে হৈ গ'ল, কিন্তু আঞ্চলিক পঞ্চায়তৰ নিৰ্বাচন কিছুমান অসুবিধাৰ কাৰণে পিচুৱাব লগীয়া হ'ল। অধ্যক্ষ মহোদয়, মই কেইটামান সংখ্যা পঢ়ি দিওঁ ঃ—

| | | | | | |
|---|---|---|---|---|---|
| ১। | নগাওঁ | গণ পৰিষদে পাইছে | ১৫১ খন | কংগ্ৰেছে পাইছে | ৯১ খন |
| ২। | ধনশিৰীত | গণ পৰিষদে পাইছে | ২১ খন | কংগ্ৰেছে পাইছে | ১১ খন |
| ৩। | ৰঙীয়াত | গণ পৰিষদে পাইছে | ৫৭ খন | কংগ্ৰেছে পাইছে | ৩৫ খন |
| ৪। | দক্ষিণ শালমাৰাত | গণ পৰিষদে পাইছে | ৬২ খন | কংগ্ৰেছে পাইছে | ৫২ খন |
| ৫। | গোৱালপাৰাত | গণ পৰিষদে পাইছে | ৮১ খন | কংগ্ৰেছে পাইছে | ৭২ খন |
| ৬। | উত্তৰ লক্ষীমপুৰত | গণ পৰিষদে পাইছে | ৬০ খন | কংগ্ৰেছে পাইছে | ৪৭ খন |
| ৭। | ধেমাজীত | গণ পৰিষদে পাইছে | ৫০ খন | কংগ্ৰেছে পাইছে | |
| ৮। | হোজাইত | গণ পৰিষদে পাইছে | ৬০ খন | কংগ্ৰেছে পাইছে | ৪৮ খন |
| ৯। | গোলাঘাত | গণ পৰিষদে পাইছে | ৮৫ খন | কংগ্ৰেছে পাইছে | ৬৬ খন |
| ১০। | তেজপুৰত | গণ পৰিষদে পাইছে | ৯২ খন | কংগ্ৰেছে পাইছে | ৮২ খন |
| ১১। | উত্তৰ শালমৰাত | গণ পৰিষদে পাইছে | ৩৭ খন | কংগ্ৰেছে পাইছে | ২৭ খন |
| ১২। | কৰিমগঞ্জত | গণ পৰিষদে পাইছে | ৯৬ খন | কংগ্ৰেছে পাইছে | ৮৮ খন |
| ১৩। | শিলচৰত | গণ পৰিষদে পাইছে | ১৬৩ খন | কংগ্ৰেছে পাইছে | ১৫৮ খন |

** Speech not corrected*

| | | | | | |
|---|---|---|---|---|---|
| ১৪। | ধকুৱাখানাত | গণ পৰিষদে পাইছে | ২১ খন | কংগ্রেছে পাইছে | ১৮ খন |
| ১৫। | গুৱাহাটীত | গণ পৰিষদে পাইছে | ১১৭ খন | কংগ্রেছে পাইছে | |
| ১৬। | মঙ্গলদৈত | গণ পৰিষদে পাইছে | ৭৭ খন | কংগ্রেছে পাইছে | ৫১ খন |
| ১৭। | চৰাইদেউত | গণ পৰিষদে পাইছে | ৩৬ খন | কংগ্রেছে পাইছে | ২৩ খন |
| ১৮। | প্ৰাগজ্যোতিষপুৰত | গণ পৰিষদে পাইছে | ৪ খন | কংগ্রেছে পাইছে | |
| ১৯। | শিৱসাগৰত | গণ পৰিষদে পাইছে | ৮২ খন | কংগ্রেছে পাইছে | ৬৯ খন |
| ২০। | হাইলাকান্দিত | গণ পৰিষদে পাইছে | ৬২ খন | কংগ্রেছে পাইছে | ৫৮ খন |
| ২১। | যোৰহাটত | গণ পৰিষদে পাইছে | ৯১ খন | | |
| ২২। | কোকৰাঝাৰত | গণ পৰিষদে পাইছে | ৫৭ খন | | |
| ২৩। | তিনিচুকীয়াত | গণ পৰিষদে পাইছে | ৫৮ খন | কংগ্রেছে পাইছে | ৫০ খন |
| ২৪। | নলবাৰীত | গণ পৰিষদে পাইছে | ১১০ খন | ইলেকট'ন হেল্ড ইন ৯৩ জি-পি | ৫৫ খন |
| ২৫। | বিশ্বনাথত | গণ পৰিষদে পাইছে | ৬৭ খন | কংগ্রেছে পাইছে | ৫৭ খন |
| ২৬। | ধুবুৰীত | গণ পৰিষদে পাইছে | ৬৫ খন | কংগ্রেছে পাইছে | ৫০ খন |
| ২৭। | গোসাইগাওঁত | গণ পৰিষদে পাইছে | ৩১ খন | | |
| ২৮। | বৰপেটাত | গণ পৰিষদে পাইছে | ১১৬ খন | কংগ্রেছে পাইছে | ৯৬ খন |
| ২৯। | বজালীত | গণ পৰিষদে পাইছে | ৩৪ খন | | |
| ৩০। | বিজনীত | গণ পৰিষদে পাইছে | ৩২ খন | | |
| ৩১। | মাৰ্ঘেৰিটাত | গণ পৰিষদে পাইছে | ১৮ খন | কংগ্রেছে পাইছে | ১৫ খন |
| ৩২। | শদিয়াত | গণ পৰিষদে পাইছে | ১২ খন | কংগ্রেছে পাইছে | ৮ খন |
| ৩৩। | বঙ্গাইগাওঁত | গণ পৰিষদে পাইছে | ২৪ খন | কংগ্রেছে পাইছে | ১২ খন |
| ৩৪। | কলীয়াবৰত | গণ পৰিষদে পাইছে | ১৮ খন | কংগ্রেছে পাইছে | ১৬ খন |
| ৩৫। | মৰিগাওঁত | গণ পৰিষদে পাইছে | ৯০ খন | কংগ্রেছে পাইছে | |
| ৩৬। | মাজুলীত | গণ পৰিষদে পাইছে | ১৯ খন | কংগ্রেছে পাইছে | |
| ৩৭। | জুনাইত | গণ পৰিষদে পাইছে | ১৫ খন | কংগ্রেছে পাইছে | |
| ৩৮। | ডিব্ৰুগড়ত | গণ পৰিষদে পাইছে | ৯৩ খন | কংগ্রেছে পাইছে | ৭৩ খন |
| ৩৯। | ওডালগুৰীত | গণ পৰিষদে পাইছে | ৭৮ খন | কংগ্রেছে পাইছে | ৫৮ খন |
| ৪০। | বিলাসীপাৰাত | গণ পৰিষদে পাইছে | ৪৩ খন | কংগ্রেছে পাইছে | |
| | | | মুঠ ২৪৮৫ খন | | |

* *Speech not corrected*

মাননীয় অধ্যক্ষ ডাঙৰীয়া, ৪০ বছৰ ধৰি শাসন ভালদৰে চলি আছে। শিৱসাগৰ জিলাৰ কংগ্ৰেছ কৰ্ম্মী প্ৰাৰ্থীসকলক কলহৰ চিন দিয়া হৈছিল। কংগ্ৰেছ দলৰ আটাইবিলাক কৰ্ম্মীকে পঞ্চায়ত নিৰ্বাচন আৰু কাউন্সিল নিৰ্বাচনৰ কাৰণে কলহৰ চিন দিয়া হৈছিল। আমাৰ মাননীয় সদস্য এগৰাকী শ্ৰীবদন বৰুৱা বিধান সভালৈ নিৰ্বাচন হৈ আহিছে তেখেতে ধনী মানুহক সমালোচনা কৰিছে। অসমৰ ধনী মানুহক ধৰিব নালাগে। ১৯৮৫ চনৰ লগত তুলনা কৰি চালে দেখা যায় যে ইন্দিৰা কংগ্ৰেছে এইবাৰ নতুনকৈ ৫১ খন আসন অন্য দলৰ পৰা পাইছে আৰু নিজৰ ১১ খন আসন হেৰুৱাইছে। এই ৫১ খনৰ ভিতৰত ৩১ খন এ-জি-পি দলৰ পৰা আৰু আটাইকেইখনেই ব্ৰহ্মপুত্ৰ উপত্যকাৰ পৰা পাইছে। ১৩ খন ইউ,এম,এফ দলৰ পৰা আৰু ২ খন কংগ্ৰেছ (এচ) দলৰ পৰা, ৩ খন নিৰ্দলীয়ৰ পৰা, চি,পি,এম, আৰু এ,টিএন,এল,এফ প্ৰত্যেকৰে পৰা এখনকৈ আসন লাভ কৰিছে। আমি যি ১১ খন আসন হেৰুৱাইছো তাৰে ৮ খন বৰাক ভেলীৰ ৭ খন আৰু ধুবুৰীত এখন। বাকী ৩ খনৰ এখন, এ,এচ,ডি,চি, এখন জনতা দল আৰু এখন নিৰ্দিলীয়ৰ ওচৰত হেৰুৱাইছো। ভৈয়াম অঞ্চলত আটাইতকৈ বেছি ভোট পোৱা জিলাখন হৈছে তিনিচুকীয়া ৫২.৮৫ (শতকৰা) কম পোৱা জিলাখন হৈছে কৰিমগঞ্জ ১২.৬৯ (শতকৰা)।ব্ৰহ্মপুত্ৰ উপত্যকাৰ আটাইতকৈ কম পোৱা জিলাখন হৈছে কোকৰাঝাৰ জিলা শতকৰা ১৭.৬৩। ২৩ খন জিলাৰ ভিতৰত কংগ্ৰেছ দলে ১৬ খনত এ,জি,পি, আৰু এন,এ,জি,পি, মিলালেও বেচি ভোট পায়। সেয়ে সেইটো সত্য নহয় যে এ,জি,পি দুভাগ (স্পিলট) হোৱাৰ কাৰণে কংগ্ৰেছ(আই) দল জিকিছে। এই ৭ খনৰ ভিতৰত ৩ খনত কংগ্ৰেছে এ,জি,পিৰ লগত হাৰিছে। বি,জে,পিৰ লগত হাৰিছে ৩ খনত আৰু অখন এ,এচ,ডি,চি,ৰ লগত হাৰিছে। এ,জি,পি,য়ে কংগ্ৰেছতকৈ বেছি ভোট পাইছে নলবাৰী, কামৰূপ, মৰিগাওঁ আৰু কৰিমগঞ্জ জিলাত। এ,জি,পি, আৰু এন,এ,জি,পি মিলালেও তেওঁলোকে কংগ্ৰেছতকৈ বেছি ভোট পাইছে ৭ খন জিলাত। উজনি অসমৰ জিলা কেইখনত কংগ্ৰেছে পাইছে ৪১ পাৰচেন্ট। মধ্য অসমত শতকৰা ৩০.২৯ আৰু উত্তৰ পাৰত শতকৰা ৩১.২৩, নামনি অসমত ২১.৬৭ পাৰচেন্ট আৰু পশ্চিম অসমত শতকৰা ২১.৬৭ পাৰচেন্ট ভোট পাইছে। দুয়োখন পাহাৰী জিলা মিলালে কংগ্ৰেছে মুঠ ভোট পাইছে ৪৫.২৭ পাৰচেন্ট। ইয়াৰে এন,চি,হিলচত ৪৫.৫ পাৰচেন্ট আৰু কাৰ্বিআংলং জিলাত ২৫.৫০ পাৰচেন্ট।

Shri Zoii Nath Sarma : Mr. Speaker Sir, it is 2 p.m. now. You will have to take the approval of the House.

Mr. Speaker : Just a few seconds please. The Ckie? Minister may take some more time. So, I wish the House will sit till his business is completed.

* Shri Promode Gogoi : Mr. Speaker Sir, there is a point of order. When the time was extended the entire opposition made a request to your honour to extend time by another half-an-hour but your honour did not agree to the suggestion put forward by the entire

---

* *Speech not corrected*

opposition. Therefore, we object to your order although I know the Speaker as the right which will not be challanged but it was not proper when you fixed the time only half-an-hour rejecting our suggestion. Hon'ble Chief Minister wants extension of time, that is not proper and not aceptable to us.

* শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্য মন্ত্ৰী) ঃ মই ৰাজ্যপালৰ ভাষণৰ ওপৰতহে চমুকৈ উল্লেখ কৰিব বিচাৰিছো। ৰাজ্যপালৰ আগৰ ভাষণৰ লগত এই ভাষণ মিলা নাই কথাটো থিকেই কাৰণ আগৰ ভাষণত এই কাম বিলাক কৰা হব বুলি কৈছিলো আৰু এতিয়াৰ ভাষণত যিবিলাক আগৰ ভাষণত কৰিম বুলি কৈছিলো সেই কাম বিলাক কৰিলো। সেইদৰে আমি চাউল দিছো আৰু কম-বেচি পৰিমাণে চাকৰি দিছো।

* শ্ৰীজয়নাথ শৰ্মা ঃ অধ্যক্ষ মহোদয়, এক মিনিট হলেও আমাক সময় দিব লাগিব।

Mr. Speaker : .......Chief Minister's reply is for your information. আপোনালোকক জনাবৰ বাবেই মুখ্যমন্ত্ৰী ডাঙৰীয়াই চমুকৈ দুষাৰ কব বিচাৰিছে, আপোনালোকে কিয় বাধা দিছে। ... The entire reply is on your query. Chief Minister also may have something for the information of the House. You also wanted some information from the Chief Minister.

* শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) ঃ অধ্যক্ষ মহোদয়, ৰাজ্যপালৰ আগৰ ভাষণটোত বিসংগতি আছিল। আগৰ ভাষণত আমি কৰিম বুলি কৈছিলো। আৰু এতিয়া কৰিলো। চাকৰি দিছো, চাউল দিছো।

* শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত ঃ অধ্যক্ষ মহোদয়, কাৰিকৰী শিক্ষাৰ ক্ষেত্ৰত ৰাজ্যপালৰ ভাষণত কৈছে যে প্ৰযুক্তি বিদ্যা আৰু বস্ত্ৰ শিল্পৰ কথা ওলাইছে। সদনত উত্তৰ দিছে যে, তাৰ কাৰণে টকা ১৯৯০-৯১ চনত এলট হোৱা নাই। ১৪ দফীয়া আঁচনিত ১৩০.০০ লাখ টকা দিছে।

* শ্ৰীহিতেশ্বৰ শইকীয়া (মুখ্যমন্ত্ৰী) ঃ ৰাজ্যপালৰ ভাষণত যিখিনি কথা কোৱা হৈছে সেই সকলোখিনি কৰা হব।

Mr. Speaker : Shri Joy Chandra Nagbanshi, Do you like to speak on your Motion.
(সদনত হাঁহিৰ খলকনি)

* শ্ৰীজয়চন্দ্ৰ নাগবংশী ঃ বিৰোধী দলৰ মাননীয় সদস্যসকলে অনা সংশোধনী প্ৰস্তাৱটো মই আন্তৰিকতাৰে সমৰ্থন কৰিছো। তেখেতসকলে এমেন্দমেন্টতো উঠাই লোৱাৰ বাবে অনুৰোধ কৰিছো।

Mr. Speaker : There are as many as 3 notices of amendments to the Motion of Thanks on the Governor's Address moved by Shri Joy Chandra Nagbanshi in the House. First Motion of notices of amendments stands in the name of 51 Hon'ble Members. They

---

* *Speech not corrected*

are Shri Prafulla Kumar Mahanta, Shri Promode Gogoi and others. Will any mover, on behalf of all movers, withdraw the Motion of Amendment as in the time of moving the amendment Motion.

* শ্রীপ্রফুল্ল কুমাৰ মহন্ত ঃ আমি দিভিজন বিছাৰিছো। আপুনী আমাক দিভিজন দিব লাগে।

* Shri Promode Gogoi : We are not withdrawing the Motion on behalf of the opposition. We move for amendment.

Mr. Speaker : If not withdrawn, now I put the amendment Motion that "at the end of the Motion of Thanks on the Governor's address moved by Shri Joy Chandra Nagbanshi the following be added :-

"But regrets to say that the House disapproves the policies pursued by the Government of Assam headed by the Chief Minister, Shri Hiteswar Saikia." Those who are in favour of the Motion say, 'Ayes' and those who are against say, 'Noes'. 'Noes' have it, 'Noes' have it, 'Noes' have it. The Motion is lost and the amendment is lost. Now, Shri Zoii Nath Sarma. Will you withdraw your amendment?

Shri Zoii Nath Sarma : We want division.

Mr. Speaker : Those who are in favour of the Motion Say "Ayes', those who are against say 'Noes'. Those who are in favour please rise in your seat.

Shri Ramendra Narayan Kalita : Mr. Speaker Sir, We want secret vote.

Shri Promod Gogoi : Mr. Speaker Sir, I request to refer to Rule 292(3), page 143 of Rules of Procedure and Conduct of Business in Assam Legislative Assembly that if the opinion of the Speaker as to the decision of a question is challenged, he shall order that the Lobby be cleared.

Shri Zoii Nath Sarma : Let us face division.

Mr. Speaker : Please take your seat. What Mr. Promode Gogoi has said, it is also there after that (bottom of page 143) provided that if in the opinion of the Speaker, the division is unnecessarily claimed he may ask the members who are for 'Aye' and those for

---

* *Speech not corrected*

'No' respectively to rise in their places and, on a count being taken.

Those who are in favour of the Motion, please rise in your seats. (all the oposition members stood up and Secretary, ALA counted each opposition member present in the House)

Number is 58.

Those who are against the Motion, please stand up.
(Secretary. Assam Legislative Assembly counted each treasury members present in the House).

Number is 63. the Motion is lost and amendment is lost.

Hon'ble Shri Zoii Nath Sarma would you withdraw the amendment.

শ্ৰীজয় নাথ শৰ্মাঃ চাৰ, নট এট অল। কিয়নো দুৰ্নীতি আৰু স্বজনপ্ৰীতিৰ সম্পৰ্কত আমি ইমান কথা ক'লো, কিন্তু উত্তৰত মুখ্যমন্ত্ৰীয়ে তাৰ একো উল্লেখ নকৰিলে।

Mr. Speaker : Now I put the main amendment :

এই বিধান সভাৰ মাননীয় সদস্য শ্ৰীজয় চন্দ্ৰ নাগবংশীয়ে প্ৰস্তাৱ কৰা ৰাজ্যপালৰ ভাষণৰ ওপৰত ধন্যবাদ সূচক প্ৰস্তাৱৰ অন্তত তলত দিয়া সংশোধনী প্ৰস্তাৱ যোগ দিয়া হওক ঃ-

"ৰাজ্যপাল মহোদয়ৰ ভাষণ প্ৰসঙ্গত বৰ্তমান চৰকাৰৰ মন্ত্ৰী সকলে সকলো ক্ষেত্ৰতে অবাধ গতিত চলাই থকা স্বজন প্ৰীতি আৰু দুৰ্নীতিৰ বিষয়টো উল্লেখ নকৰাত বিধান সভাই ক্ষোভ প্ৰকাশ কৰে।"

The amendment is lost.

Now Dr. Abdul Matin Mazumdar will you withdraw your amendment?

(voices : No, No)

Now, I put the question before the House. The Motion is that "at the end of the motion of Thanks on the Governor's Address moved by Shri Joy Chandra Nagbanshi the following be added—

a) The proclaimed assurances by the Assam Government to reflect population pattern in employment of minority Communities would be implemented.

b) That under the caption Identity Cards, Government have decided to issue Identity cards to the people living in border as well as

* *Speech not corrected*

other areas of barak Valley.

c) That the Governor's Address has failed to mention about Flood Control measures in Barak Valley, protection of erosion of the Bank of Barak river and implementation of Marang Project.

d) That there is no mention in the Governor's Address about the achievement of Irrigation Deptt. in General and Silchar Irrigation Deptt. in particulars.

Now, I come to the main Motion of Thanks moved by Shri Joy Chandra Nagbanshi on the Address of the Governor. The Motion is — "That the Members of the Assam Legislative Assembly assembled in this Session are grateful to the Governor for the address has been pleased to deliver to the House to-day, the 9th March, 1992.

The motion is passed.

Shri Zoii Nath Sarma : What is your opinion Sir, is it a narrow escape?

Mr. Speaker : It is known to you. The House now stands adjourned till 8.30 A.M. tomorrow the 13th of March, 1992.

# ADJOURNMENT

The House rose at 2.20 PM. and stood adjourned till 8.30 AM. tomorrow the 13th March, 1992.

Dispur
The 12th March 1992

S. N. Deka
Secretary
Assam Legislative Assembly

# Annexure - I

## বৰ্তমান দুই টকা মূল্যৰ চাউল যোগান ধৰাৰ অসমৰ দৰিদ্ৰ সীমাৰেখাৰ তলত বসবাস কৰা পৰিয়ালৰ তালিকা ঃঃ

| | | |
|---|---|---|
| ১। | ধুবুৰী | ৪২০৮টা |
| ২। | হাটচিঙ্গিমাৰী | ৪৩৪৭টা |
| ৩। | বিলাসীপাৰা | ৩০১৮টা |
| ৪। | গোৱালপাৰা | ৫০৮৯টা |
| ৫। | কোকোৰাঝাৰ | ৪১৫৮টা |
| ৬। | গোসাইগাওঁ | ৩৬৬৮টা |
| ৭। | বঙ্গাইগাওঁ | ১৬৩৮টা |
| ৮। | অভয়াপুৰী | ২২০৭টা |
| ৯। | বিজনী | ১৫৫৮টা |
| ১০। | বৰপেটা | ৩৯৯৭টা |
| ১১। | বজালী | ১০০০টা |
| ১২। | নলবাৰী | ৫৬৫৯টা |
| ১৩। | গুৱাহাটী | ৬৭৩২টা |
| ১৪। | ৰঙিয়া | ১৭১১টা |
| ১৫। | প্ৰাগজ্যোতিষপুৰ | ৪২৯টা |
| ১৬। | মঙ্গলদৈ | ২৪৫২টা |
| ১৭। | ওদালগুৰি | ২৫৮৬টা |
| ১৮। | তেজপুৰ | ৩৩৬৬টা |
| ১৯। | বিশ্বনাথ চাৰিআলী | ৩১৮৮টা |
| ২০। | উত্তৰ লক্ষীমপুৰ | ৫৪৫০টা |
| ২১। | ঢকুৱাখানা | ১৩৭৮টা |
| ২২। | ঢেমাজী | ১১৮০টা |
| ২৩। | জোনাই | ১৫৫২টা |
| ২৪। | ডিব্ৰুগড় | ২৮৭৫টা |
| ২৫। | তিনিচুকীয়া | ২২৬৭টা |
| ২৬। | মাৰ্ঘেৰিতা | ৬১২টা |
| ২৭। | শদিয়া | ৪৫২টা |
| ২৮। | শিৱসাগৰ | ২৯৯৬টা |
| ২৯। | সোনাৰী | ২১৫৬টা |
| ৩০। | যোৰহাট | ৪৭৩৯টা |
| ৩১। | মাজুলী | ১২৩২টা |
| ৩২। | গোলাঘাট | ৫৫৭৫টা |
| ৩৩। | ধনশিৰি | ৪৬৯টা |
| ৩৪। | নগাওঁ | ৫০৯৩টা |
| ৩৫। | হোজাই | ৫০৮৭টা |
| ৩৬। | কলিয়াবৰ | ৮৫২টা |
| ৩৭। | ডিফু | ১৪৮১টা |
| ৩৮। | হামৰেণ | ১৩৪০টা |
| ৩৯। | বোকাজান | ১৬৩৯টা |
| ৪০। | হাফলং | ১৪৫৫টা |
| ৪১। | মাইবং | ২৬৩টা |
| ৪২। | মৰিগাওঁ | ৬২১৭টা |
| ৪৩। | শিলচৰ | ৪১০৯টা |
| ৪৪। | হাইলাকান্দি | ২০০০টা |
| ৪৫। | কৰিমগঞ্জ | ২৫২০টা |
| | মুঠ | ১,২৬,০০০টা |

## ১৯৯১ চনৰ ২ অক্টোবৰৰ পৰা প্ৰৱৰ্ত্তিত দুই টকা মূল্যৰ চাউল যোগানৰ আঁচনিত সামৰি লোৱা নগৰাঞ্চলৰ পৰিয়ালৰ সংখ্যা

| | | | |
|---|---|---|---|
| ১। গুৱাহাটী | ২৪৫৫টা | ৮। ৰঙিয়া | ৪০০টা |
| ২। শিলচৰ | ১১০৬টা | ৯। মাইবং | ২৯৫টা |
| ৩। হাইলাকান্দি | ২০১টা | ১০। মাৰ্ঘেৰিটা | ১৪টা |
| ৪। কৰিমগঞ্জ | ৪৪৪টা | ১১। অভয়াপুৰী | ১৬টা |
| ৫। মৰিগাওঁ | ৫০টা | ১২। ডিব্ৰুগড় | ১৫৭টা |
| ৬। তিনিচুকীয়া | ১৪টা | ১৩। নগাওঁ | ৭টা |
| | | মুঠ | ৫১৫৯টা |

## Annexure- II

# গৰাখহনীয়াত ক্ষতিগ্ৰস্থ পৰিয়ালসমূহ পুনৰসংস্থাপন সম্পেৰ্কে বিৰৰণী

| জিলাৰ নাম | পুনৰ সংস্থাপিত | কিমান পৰিয়ালক | বাকী থকা কিমান | সংস্থাপন দিয়ালোকক |
|---|---|---|---|---|
| ১। নগাওঁ | — | ৭২৭ | ৭২৭ পৰিয়ালক মাটিৰ প্ৰাচুৰ্য্যতা সাপেক্ষে সংস্থাপন দিয়া হব। | — |
| ২। শোনিতপুৰ | — | ৮০৩ | ৮০৩ পৰিয়ালক পুনৰ সংস্থাপনৰ ব্যৱস্থা লোৱা হৈ আছে। | — |
| ৩। কাছাৰ | ২০০ | ৭৩১ | পুনৰসংস্থাপনৰ বাবে ব্যৱস্থা লোৱা হৈ আছে। | ২০০ পৰিয়ালক পুনৰ সংস্থাপনৰ ধন মঞ্জুৰী দিয়া হৈছে। |
| ৪। যোৰহাট | ৬৮৫ | ১৬০৯ | ৯২৪ পৰিয়ালক পুনৰসংস্থাপনৰ ব্যৱস্থা লোৱা হৈ আছে। | পুনৰসংস্থাপনৰ ধন মঞ্জুৰীৰ যোগেদি পুনৰসংস্থাপন কৰা হৈছে। |
| ৫। কোকৰাঝাৰ | — | ৪৯৪ | ৪৯৪ - ঐ - | — |
| ৬। ধুবুৰী (ধুবুৰী আৰু বিলাসীপাৰা মহকুমা) | ৪০৫ | ৬৩৯৮ | ৬৩৯৮ - ঐ - | পুনৰসংস্থাপনৰ ধন মঞ্জুৰী আৰু এমএনপি আঁচনিৰ যোগেদি পুনৰসংস্থাপনৰ ব্যৱস্থা হৈছে। |
| ৭। বঙাইগাওঁ (উত্তৰ শালমাৰা মহকুমা | — | ১৮০৯ | ১৮০৯ - ঐ - | — |
| ৮। ডিব্ৰুগড় | — | ৭০ | ৭০ - ঐ - | — |
| ৯। লক্ষীমপুৰ (ধকুৱাখানা মহকুমা) | — | ৯৭ | ৯৭ পৰিয়ালক পুনৰসংস্থাপনৰ | — |

| | | | | |
|---|---|---|---|---|
| | | | ব্যৱস্থা লোৱা হৈ আছে। | |
| ১০। কামৰূপ (ৰঙিয়া) | ৪২ | — | — | প্ৰতিবেদন নাই। |
| ১১। মৰিগাওঁ | ১৯০ | ১৬১১৪ | মাটিৰ প্ৰাচুৰ্য্যতা সাপেক্ষে ব্যৱস্থা লোৱা হব। | চৰকাৰী মাটিত পুনৰ-সংস্থাপন কৰা হৈছে। |
| ১২। কাৰ্বিআংলং | — | — | — | — |

## Annexure- III

### ১৯৯১-৯২ চনত এতিয়ালৈকে বানপানী, গৰাখহনীয়া ধুমুহা ইত্যাদিৰ বাবে ক্ষতিগ্ৰস্থ পৰিয়ালবোৰ পুনৰ সংস্থাপন ধন মঞ্জুৰী দিয়াৰ জিলা ভিত্তিক তালিকা তলত দিয়া হ'ল।

| জিলা | পুনৰসংস্থাপনৰ টকাৰ পৰিমাণ |
|---|---|
| ডিব্ৰুগড় | ৫,২৫,০০০/- |
| বৰপেটা | ১৬,০০,০০০/- |
| বঙাইগাওঁ | ২,৩৭,৮০০০/- |
| দৰং | ৫,০০,০০০/- |
| ধেমাজি | ৮,৫০,০০০/- |
| ধুবৰী | ৭৬,৬০,৫০০/- |
| গোৱালপাৰা | ১৬,০০,০০০/- |
| গোলাঘাট | ৮,৫০,০০০/- |
| হাইলাকান্দি | ১৯,৫০,০০০/- |
| যোৰহাট | ৩০,২৪,৮০০/- |
| কামৰূপ | ৮৫,৬৪,২০০/- |
| কাৰ্বিআংলং | ৩১,০০০/- |
| কৰিমগঞ্জ | ৩৬,০০,০০০/- |
| কোকৰাঝাৰ | ২,২৫,০০০/- |
| লক্ষীমপুৰ | ১৯,১৫,৮০০/- |
| মৰিগাওঁ | ১,০১,৭৫,০০০/- |
| নলবাৰী | ১২,৮৫,০০০/- |
| শিৱসাগৰ | ৫,৫০,০০০/- |
| কাছাৰ | ১,০৫,৭৫,০০০/- |
| শোনিতপুৰ | ১৫,৭৫,০০০/- |
| তিচুকীয়া | ৬,০০,০০০/- |
| হাফলং | ৩০,০০০/- |
| নগাওঁ | ১,০০,০০০/- |
| মুঠ | ৫,৭৯,৯৭,১০০/- |

## Annexure - IV

## বৰ্তমান ২ টকা মূল্যৰ চাউল যোগান ধৰাৰ অসমৰ দৰিদ্ৰ সীমাৰেখাৰ তলত বসবাস কৰা পৰিয়ালৰ তালিকা ঃঃ

| | | |
|---|---|---|
| ১। | ধুবুৰী | ৪২০৮ টা |
| ২। | হাটচিঙ্গিমাৰী | ৪৩৪৭ টা |
| ৩। | বিলাসীপাৰা | ৩০১৮ টা |
| ৪। | গোৱালপাৰা | ৫০৮৯ টা |
| ৫। | কোকোৰাঝাৰ | ৪১৫৮ টা |
| ৬। | গোসাইগাওঁ | ৩৬৬৮ টা |
| ৭। | বঙ্গাইগাওঁ | ১৬৩৮ টা |
| ৮। | অভয়াপুৰী | ২২০৭ টা |
| ৯। | বিজনী | ১৫৫৮ টা |
| ১০। | বৰপেটা | ৩৯৯৭ টা |
| ১১। | বজালী | ১০০০ টা |
| ১২। | নলবাৰী | ৫৬৫৯ টা |
| ১৩। | গুৱাহাটী | ৬৭৩২ টা |
| ১৪। | ৰঙিয়া | ১৭১১ টা |
| ১৫। | প্ৰাগজ্যোতিষপুৰ | ৪২৯ টা |
| ১৬। | মঙ্গলদৈ | ২৪৫২ টা |
| ১৭। | ওদালগুৰি | ২৫৮৬ টা |
| ১৮। | তেজপুৰ | ৩৩৬৬ টা |
| ১৯। | বিশ্বনাথ চাৰিআলী | ৩১৮৮ টা |
| ২০। | উত্তৰ লক্ষীমপুৰ | ৫৪৫০ টা |
| ২১। | ঢকুৱাখানা | ১৩৭৮ টা |
| ২২। | ধেমাজী | ১১৮০ টা |
| ২৩। | জোনাই | ১৫৫২ টা |
| ২৪। | ডিব্ৰুগড় | ২৮৭৫ টা |
| ২৫। | তিনিচুকীয়া | ২২৬৭ টা |
| ২৬। | মাৰ্ঘেৰিতা | ৬১২ টা |
| ২৭। | শদিয়া | ৪৫২ টা |
| ২৮। | শিৱসাগৰ | ২৯৯৬ টা |
| ২৯। | সোনাৰী | ২১৫৬ টা |
| ৩০। | যোৰহাট | ৪৭৩৯ টা |
| ৩১। | মাজুলী | ১২৩২ টা |
| ৩২। | গোলাঘাট | ৫৫৭৫ টা |
| ৩৩। | ধনশিৰি | ৪৬৯ টা |
| ৩৪। | নগাওঁ | ৫০৯৩ টা |
| ৩৫। | হোজাই | ৫০৮৭ টা |
| ৩৬। | কলিয়াবৰ | ৮৫২ টা |
| ৩৭। | ডিফু | ১৪৮১ টা |
| ৩৮। | হামৰেণ | ১৩৪০ টা |
| ৩৯। | বোকাজান | ১৬৩৯ টা |
| ৪০। | হাফলং | ১৪৫৫ টা |
| ৪১। | মাইবং | ২৬৩ টা |
| ৪২। | মৰিগাওঁ | ৬২১৭ টা |
| ৪৩। | শিলচৰ | ৪১০৯ টা |
| ৪৪। | হাইলাকান্দি | ২০০০ টা |
| ৪৫। | কৰিমগঞ্জ | ২৫২০ টা |
| | মুঠ | ১,২৬,০০০ টা |

## ১৯৯১ চনৰ ২ অক্টোবৰৰ পৰা প্ৰৱৰ্ত্তিত দুই টকা মূল্যৰ চাউল যোগানৰ আঁচনিত সামৰি লোৱা নগৰাঞ্চলৰ পৰিয়ালৰ সংখ্যা

| | | |
|---|---|---|
| ১। | গুৱাহাটী | ২৪৫৫ টা |
| ২। | শিলচৰ | ১১০৬ টা |
| ৩। | হাইলাকান্দি | ২০১ টা |
| ৪। | কৰিমগঞ্জ | ৪৪৪ টা |
| ৫। | মৰিগাওঁ | ৫০ টা |
| ৬। | তিনিচুকীয়া | ১৪ টা |
| ৮। | ৰঙিয়া | ৪০০ টা |
| ৯। | মাইবং | ২৯৫ টা |
| ১০। | মাৰ্ঘেৰিটা | ১৪ টা |
| ১১। | অভয়াপুৰী | ১৬ টা |
| ১২। | ডিব্ৰুগড় | ১৫৭ টা |
| ১৩। | নগাওঁ | ৭ টা |
| | মুঠ | ৫১৫৯ টা |

## Annexure - V

### বৰ্তমান দুই টকা মূল্যৰ চাউল যোগান ধৰাৰ অসমৰ দৰিদ্ৰ সীমাৰেখাৰ তলত বসবাস কৰা পৰিয়ালৰ তালিকা ঃঃ

| | | | | | |
|---|---|---|---|---|---|
| ১। | ধুবুৰী | ৪২০৮টা | ২৪। | ডিব্ৰুগড় | ২৮৭৫টা |
| ২। | হাটচিঙ্গিমাৰী | ৪৩৪৭টা | ২৫। | তিনিচুকীয়া | ২২৬৭টা |
| ৩। | বিলাসীপাৰা | ৩০১৮টা | ২৬। | মাৰ্ঘেৰিটা | ৬১২টা |
| ৪। | গোৱালপাৰা | ৫০৮৯টা | ২৭। | শদিয়া | ৪৫২টা |
| ৫। | কোকোৰাঝাৰ | ৪১৫৮টা | ২৮। | শিৱসাগৰ | ২৯৯৬টা |
| ৬। | গোসাইগাওঁ | ৩৬৬৮টা | ২৯। | সোণাৰী | ২১৫৬টা |
| ৭। | বঙ্গাইগাওঁ | ১৬৩৮টা | ৩০। | যোৰহাট | ৪৭৩৯টা |
| ৮। | অভয়াপুৰী | ২২০৭টা | ৩১। | মাজুলী | ১২৩২টা |
| ৯। | বিজনী | ১৫৫৮টা | ৩২। | গোলাঘাট | ৫৫৭৫টা |
| ১০। | বৰপেটা | ৩৯৯৭টা | ৩৩। | ধনশিৰি | ৪৬৯টা |
| ১১। | বজালী | ১০০০টা | ৩৪। | নগাওঁ | ৫০৯৩টা |
| ১২। | নলবাৰী | ৫৬৫৯টা | ৩৫। | হোজাই | ৫০৮৭টা |
| ১৩। | গুৱাহাটী | ৬৭৩২টা | ৩৬। | কলিয়াবৰ | ৮৫২টা |
| ১৪। | ৰঙিয়া | ১৭১১টা | ৩৭। | ডিফু | ১৪৮১টা |
| ১৫। | প্ৰাগজ্যোতিষপুৰ | ৪২৯টা | ৩৮। | হামৰেণ | ১৩৪০টা |
| ১৬। | মঙ্গলদৈ | ২৪৫২টা | ৩৯। | বোকাজান | ১৬৩৯টা |
| ১৭। | ওদালগুৰি | ২৫৮৬টা | ৪০। | হাফলং | ১৪৫৫টা |
| ১৮। | তেজপুৰ | ৩৩৬৬টা | ৪১। | মাইবং | ২৬৩টা |
| ১৯। | বিশ্বনাথ চাৰিআলী | ৩১৮৮টা | ৪২। | মৰিগাওঁ | ৬২১৭টা |
| ২০। | উত্তৰ লক্ষীমপুৰ | ৫৪৫০টা | ৪৩। | শিলচৰ | ৪১০৯টা |
| ২১। | ঢকুৱাখানা | ১৩৭৮টা | ৪৪। | হাইলাকান্দি | ২০০০টা |
| ২২। | ধেমাজী | ১১৮০টা | ৪৫। | কৰিমগঞ্জ | ২৫২০টা |
| ২৩। | জোনাই | ১৫৫২টা | | মুঠ | ১,২৬,০০০টা |

## ১৯৯১ চনৰ ২ অক্টোবৰৰ পৰা প্ৰৱৰ্ত্তিত দুই টকা মূল্যৰ চাউল যোগানৰ আঁচনিত সামৰি লোৱা নগৰাঞ্চলৰ পৰিয়ালৰ সংখ্যা

| | | | | | |
|---|---|---|---|---|---|
| ১। | গুৱাহাটী | ২৪৫৫ টা | ৮। | ৰঙিয়া | ৪০০ টা |
| ২। | শিলচৰ | ১১০৬ টা | ৯। | মাইবং | ২৯৫ টা |
| ৩। | হাইলাকান্দি | ২০১ টা | ১০। | মাৰ্ঘেৰিটা | ১৪ টা |
| ৪। | কৰিমগঞ্জ | ৪৪৪ টা | ১১। | নৰ্থ লক্ষিমপুৰ | |
| ৫। | মৰিগাওঁ | ৫০ টা | ১২। | ডিব্রুগড় | ১৫৭ টা |
| ৬। | তিনিচুকীয়া | ১৪ টা | ১৩। | নগাওঁ | ৭ টা |
| ৭। | অভয়াপুৰী | ১৬ টা | | মুঠ | ৫১৫৯ টা |

# Annexure - VI

## ২.০০ টকীয়া চাউলৰ আঁচনিৰ অন্তৰ্ভূক্ত পলাশবাৰী সমষ্টিৰ গাওঁৰ তালিকা ঃঃ

১। কলাপানী
২। দেৰীয়াতাৰী
৩। দ ৰাবাৰী পথাৰ
৪। সল্লাতাৰী
৫। পানীখাইটী
৬। জাৰাবাৰী
৭। বৰতাৰী
৮। অভিপাৰা
৯। সংফতৰী
১০। ২ নং ফুতুৰী
১১। ৩ নং ফুতুৰী
১২। ধলিপাৰ
১৩। জিয়াকুৰ
১৪। ২ নং জিয়াকুৰ
১৫। আমতলা
১৬। ২ নং আমতলা
১৭। ৩ নং আমতলা
১৮। সাপৰটাৰী
১৯। চিমিনা
২০। গুইমাৰা
২১। ১ নং নহিবা
২২। ২ নংনহিৰা
২৩। ৩ নং নহিৰা
২৪। দখলা
২৫। দহালী
২৬। উপৰহালী
২৭। বিজয় নগৰ
২৮। বাবন্তী ৰঙামাটী
২৯। ৰাজাপুখুৰী
৩০। ৰামপুৰ
৩১। বৰতেজপুৰ
৩২। সাতপখালী
৩৩। হুদুমপুৰ
৩৪। কোকৰাঝাৰ
৩৫। সদিলাপুৰ
৩৬। পাল্লী
৩৭। বৰপাৰা
৩৮। ছয়ানী ৰঙামাটি
৩৯। মাগুৰপাৰা
৪০। মালিয়া আটা
৪১। ছয়ানী মনিএৰী
৪২। কৈতাসিদ্ধি
৪৩। বঙ্গৰা
৪৪। উপৰপল্লি
৪৫। সন্তলা
৪৬। লোচনা
৪৭। মাজকুচি
৪৮। আমৰঙ্গা
৪৯। পাৰাকুছী
৫০। কল্লাপাৰা
৫১। উৰপুত
৫২। বাৰন্তী মনিএৰী
৫৩। কোচপাৰা
৫৪। পলাশবাৰী
৫৫। হাৰোপাৰা
৫৬। দহজতীয়া
৫৭। জতি
৫৮। বিৰুগাওঁ
৫৯। ধনীপাৰা
৬০। মদন পুৰ
৬১। ঘোৰচুক
৬২। নগাওঁ
৬৩। কোকপাৰা
৬৪। বৰঝাৰ
৬৫। বৰদুৱাৰ
৬৬। বিলাসীপাৰা
৬৭। ৰাজাপাৰা
৬৮। বাৰেগাওঁ।

## Annexure - VII

# GOVERNMENT OF ASSAM
# REVENUE (REFORMS) DEPARTMENT
# DISPUR : GUWAHATI-6
# ORDERS BY THE VOGERNOR.

## NOTIFICATION

Dated Dispur, the 11th March /92

No. RRG./42/92/2 :

In Supersession of all other previous Government orders and Notification the Governor of Assam is pleased to constitute the Sub-Divisional Land Advisory Committee for Mangaldoi Sub-Division with the members shown below with immediate effect until further orders.

### Mongaldoi Sub-Division.

| | | | |
|---|---|---|---|
| 1. | Deputy Commissioner, Darrang, Mangaldoi | — | Chairman |
| 2. | Addl. Deputy Commissioner, i/c Revenue. | — | Secretary |
| 3. | Shri Nakul Chandra Das, Minister, Veterinary, Assam. | — | Member |
| 4. | Shri Zoii Nath Sarmah, M.L.A. | — | -do- |
| 5. | Shri Jew Ram Boro, M.L.A | — | -do- |
| 6. | Smti. Mridula Saharia, Ex.- M.L.A | — | -do- |
| 7. | Shri Prabhat Kr. Barua, P.O. Kurua, Dist . Darrang. | — | -do- |
| 8. | Shri Hashimuddin Ahmed, Ward No. 2. Mangaldoi. | — | -do- |
| 9. | Shri Akan Hazarika, Mangaldoi. | — | -do- |
| 10. | Shri Sanchay Boro, Mudaibari, Mangaldoi. | — | -do- |

| | | | |
|---|---|---|---|
| 11. | Miss Kiran Deka, Retd. Asstt. Head Mistress, Mangaldoi. | — | -do- |
| 12. | Md. Mazibor Rahman, Bandia Mangaldoi. | — | -do- |
| 13. | Shri Abdul waheb, Vill Niz Sanabari, P.O. Balabari, Mangaldoi. | — | -do- |
| 14. | Shri Jyoti Prasad Saharia, Ward No. 3, Tangla. | — | -do- |
| 15. | Shri Suren Talukdar, Vill No. 1 Sonjuli, P.O. Kalikhola. | — | -do- |
| 16. | Shri Kamala Deka Vill. Jalah, P.O. Bhergaon. | — | Member |
| 17. | Smti. Bina Baruah C/O. Shri Binanda Barua Vill. Jalah. P.O. Tangla. | — | -do- |
| 19. | Shri Ramen Deka, Mangaldoi | — | -do- |

The Committee may advise the Deputy Commissioner in matters of Settlement/Allotment of available waste land and untenanted ceiling surplus land as per existing Land Policy and under different approved schemes of the State Government.

**(D. K. DAS)**
**Deputy Secretary to the Govt. of Assm,**
Revenue (Reforms) Deptt.

Memo No. RRG./42/92/2-A, Dtd. Dispur, the 11th March/92.

Copy to :—

1) The Supdt., Assam Govt. Press, Bamunimaidan, Guwahati-21. He is requested to publish this Notification in the next issue of Assam Gazette and supply 100 printed copies to this Deptt.
2) The Deputy Commissioner, Mangaldoi for information and necessary

action. He is requested to inform all the members concerned.

3) P. S. to Minister, Revenue for information.

4) Person concerned.

**By order etc.**

**Sd/- D. K. Das**
**Deputy Secretary to the Govt. of Assam,**
Revenue (Reforms) Deptt.
Dispur.

## Annexure - VII

# GOVERNMENT OF ASSAM
# REVENUE (REFORMS) DEPARTMENT
# DISPUR : GUWAHATI-6

## ORDERS BY THE GOVERNOR.

## NOTIFICATION

No. RRG. 143/91/2 Dated Dispur, the 4th Jan/92.

In Supersession of all other previous Government orders and Notification the Governor of Assam is pleased to constitute the Sub-Divisional Land Advisory Committee for Udalguri Sub-Division with the members shown below with immediate effect until further orders.

| | | | |
|---|---|---|---|
| 1. | S.D.O. (Civil) Udalguri | — | Chairman |
| 2. | Sr. E.A.C. Udalguri | — | Secretary |
| 3. | Sri Silvious Condpan, Minister Fishery | — | Member |
| 4. | Sri Jaman Singh Brahma, M.L.A. | — | - do - |
| 5. | Sri Karendra Basumatari, M.L.A. | — | - do - |
| 6. | Smti Mridula Saharia, Ex-M.L.A. | — | - do - |
| 7. | Sri Deveswar Baishya, Station Block Mazbat, P.O. Mazbat | — | - do - |
| 8. | Sri Prafulla Basumataru, P.O. Udalguri | — | - do - |
| 9. | Smti Purnima Baruah, P.O.& Vill. Orang | — | - do - |
| 10. | Sri Benedik Minj, Vill. Gohai Bheti, P.O. Mazbat | — | - do - |
| 11. | Sri Brojen Kotoky, P.O.Udalguri. | — | - do - |
| 12. | Sri Bahadur Basumatari, Ex-M.L.A. Vill. Bogribari. | — | - do - |
| 13. | Sri Mangal Chandi Brahma, Vill & P.O. Harisingha | — | - do - |
| 14. | Sri Kuddus Ali, Vill. Sibpur, P.O. Mohanpur | — | - do - |

| | | | |
|---|---|---|---|
| 15. | Sri Chandra Mohan Chetri, Vill. & P.O. Udalguri | — | - do - |
| 16. | Sri Ranendra Sutradhar, Town & P.O. Udalguri | — | - do - |
| 17. | Sri Rameswar Basumatari, Vill. Dalbari, P.O. Geruah | — | - do - |
| 18. | Sri Hangshadhar Das, Vill. Galondihabi, P.O. Udalguri. | — | - do - |
| 19. | Sri Jyoti Prasad Saharia, Ward No. 2-. Tengla, P. O. Tongla | — | - do - |
| 20. | Smti. Bina Baruah, C/O Binanda Baruah, Vill. Jalah, P.O. Tongla | — | - do - |
| 21. | Sri Suren Talukdar, Vill. No. 1, Sonjuli, P.O. Kalikhola | — | - do - |
| 22. | Sri Kamala Deka, Vill. Thanpar, P.O. Bhorgaon | — | - do - |

The Committee may advise the Deputy Commissioner/Sub-Divisional Officer (Civil) as the case may be in matters of Settlement/Allotment of available waste land and untenanted ceiling land as per existing Land Policy and under different approved schemes of the State Government.

**Sd/-**
**(D. K. DAS)**
**Deputy Secretary to the Govt. of Assm,**
Revenue (Reforms) Deptt.

Memo No. RRG. 143/91/2-A, Dtd. Dispur, the 4th Jan/92.

Copy to :—

1) The Supdt., Assam Govt. Press, Bamunimaidan, Guwahati-21. He is requested to publish this Notification in the next issue of Assam Gazette and supply 100 printed copies to this Deptt.

2) The Sub-Divisional Officer (C) udalguri for information and necessary action. He is requested to inform all the members concerned.
3) P. S. to Minister, Revenue for information.
4) Person concerned.

**By order etc.**

**Sd/- D. K. Das**
**Deputy Secretary to the Govt. of Assam,**
Revenue (Reforms) Deptt.